www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কল্পনাৰ সাগৰত ডুবি নহয় বাস্তৱতাৰ নৈত সাঁতুৰিব শিকা, তেহে জীৱনৰ লক্ষ্যত উপনীত হব পাৰিবা। – আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩৪১ | সোমবাৰ | ১৯ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 341 | Sunday | 19th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

### শংখ-ঘণ্টাৰ ধ্বনিৰে মুখৰিত, ধূপ-ধুনাৰ সুগন্ধিৰে আমোলমোল চৌপাশ

# শাৰদীয় স্নিগ্ধতাৰে উদ্ভাসিত দুৰ্গোৎসৱৰ উন্মাদনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** চলিত বৰ্ষত অসমত মুঠ ৯,০০২খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে। এই অভিলেখসংখ্যক পূজাৰ ভিতৰত দীৰ্ঘদিনীয়া পৰম্পৰা বহন কৰা পূজাসমূহৰ লগতে নতুনকৈ আয়োজন কৰা বহু বিষয়ভিত্তিক মণ্ডপো অন্তৰ্ভুক্ত হৈছে। এইবোৰৰ মাজত গুৱাহাটীৰ কেইবাখনো মণ্ডপে বিশেষভাৱে দৰ্শনাৰ্থীৰ মন আকৰ্ষণ কৰিছে। পাণ্ডুৰ ৰেষ্ট কেম্প কালীবাৰী দুৰ্গা পূজাৰ মণ্ডপত থাইলেণ্ডৰ স্থাপত্যশৈলীৰ আৰ্হিপ্ৰতিফলিত হৈছে। হিন্দু আৰু বৌদ্ধ স্থাপত্যৰ উপাদানৰ সংমিশ্ৰণেৰে নিৰ্মাণ কৰা এই মণ্ডপটোও উৎসৱৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। আনহাতে আদাবাৰীৰ কামাখ্যা নগৰত জগন্নাথ মন্দিৰৰ আৰ্হিত



পূজা মণ্ডপ সজাই তোলা হৈছে। পানবজাৰৰ যুৱতীৰ্থ ক্লাবেও জগন্নাথ মন্দিৰৰ স্থাপত্যৰ অনুপ্ৰেৰণাৰে ভগৱান বিষ্ণুৰ দশাৱতাৰক মূল বিষয়বস্তু হিচাপে গ্ৰহণ কৰি আকৰ্ষণীয় মণ্ডপ নিৰ্মাণ কৰিছে। এইধৰণৰ আধুনিক আৰু বিষয়ভিত্তিক মণ্ডপসজ্জাৰ সমান্তৰালভাৱে গুৱাহাটীৰ পুৰণি ৰাজহুৱা দুৰ্গা পূজাসমূহেও নিজৰ ঐতিহ্য আৰু পৰম্পৰা অক্ষুণ্ণ ৰাখি আহিছে। বিশেষকৈ গুৱাহাটীৰ আটাইতকৈ পুৰণি দুৰ্গা পূজা হিচাপে পৰিচিত উজানবজাৰ বাৰোৱাৰী দুৰ্গা পূজাৰ আছে এক গৌৰৱোজ্জ্বল ইতিহাস। তথ্য অনুসৰি, ১৮২১ চনত আহোম ৰাজপৰিয়ালৰ ব্যক্তিগত উদ্যোগত এই দুৰ্গা পূজাৰ আৰম্ভণি হৈছিল। পৰৱৰ্তী সময়ত ই ৬ পৃষ্ঠাত

#### তদন্তপ্ৰক্ৰিয়া আৰু চৰকাৰৰ ভূমিকাক লৈ প্ৰশ্ন

## তদন্ত উচিত ৰূপত হ'লহেঁতেন ইমান ডাঙৰ গোচৰত জামিন পোৱাটো জটিল হ'লহেঁতেন ঃ গৌৰৱ গগৈ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গে জামিন লাভ কৰাৰ পিছতে এই ঘটনাক লৈ ৰাজনৈতিক প্ৰতিক্ৰিয়া অব্যাহত আছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটি (APCC)ৰ সভাপতি গৌৰৱ গগৈয়ে এই সন্দৰ্ভত ৬ পৃষ্ঠাত

## পৰম্পৰাগত ৰীত-নীতি আৰু আধ্যাত্মিকতাৰে অসমীয়াই পালন কৰিলে কাতি বিহু

■ পথাৰত বন্তি জ্বলাই, তুলসীৰ তলত সেৱা লৈ সোণগুটিৰে ভঁৰাল উপচি পৰাৰ আশা ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** পৰম্পৰাগত ৰীত-নীতি আৰু আধ্যাত্মিকতাৰ মাজেৰে আজি অসমীয়াই ৰাজ্যজুৰি কাতি বিহু পালন কৰিছে। পথাৰত বন্তি জ্বলাই, তুলসীৰ তলত সেৱা জনাই সোণগুটিৰে ভঁৰাল উপচি পৰাৰ আশাৰে লক্ষ্মীক প্ৰাৰ্থনা জনাইছে চহা অসমীয়াই। "তুলসীৰ তলে তলে মৃগ পহু চৰেতাকে দেখি ৰামচন্দ্ৰই হৰধেনু ধৰে..." আদি পৰম্পৰাগত গীত-মাতৰ মাজেৰে কৃষিজীৱী ৰাইজে এই উৎসৱত মংগল কামনা কৰিছে। ইফালে, এইবাৰ কাতি বিহুৰ আশাৰ বন্তিয়ে বানে ধুই নিয়া কৃষকৰ পথাৰ পোহৰাব পৰা নাই। বানত সৰ্বস্বান্ত হোৱা কৃষকসকলে চকুলোৰে বাট নেদেখা অৱস্থাত আছে। তথাপি পৰম্পৰা ৰক্ষা কৰি তেওঁলোকে পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই শস্যৰ ৬ পৃষ্ঠাত



## জাপানৰ আইচি-নাগয়াত এছিয়ান পেৰা গেমছ ২০২৬

### ভাৰতৰ ২৮১ সদস্যৰ দলৰ ১১ বিধ খেলত অংশগ্ৰহণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জাপানৰ আইচি-নাগয়াত আজিৰে পৰা এছিয়ান পেৰা গেমছ ২০২৬ অনুষ্ঠিত হৈছে। বিশ্বৰ বিভিন্ন দেশৰ ৪৫খন ৰাষ্ট্ৰীয় পেৰালিম্পিক কমিটিৰ অধীনত প্ৰায় তিনিহাজাৰগৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। মহাদেশীয় ক্ৰীড়া প্ৰতিযোগিতাখনৰ এইবেলিৰ পঞ্চম সংস্কৰণত ১৮বিধ খেলৰ আয়োজন কৰা হৈছে। অহা ২৪ অক্টোবৰত এই ৬ পৃষ্ঠাত



#### ২০ অক্টোবৰত গুৱাহাটীত পুনৰ শান্তিপূৰ্ণ মানৱ শৃংখল

## জুবিন গাৰ্গ ন্যায় আন্দোলনৰ প্ৰথম জয়ৰ ইংগিত অখিল গগৈৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ ন্যায়ৰ আন্দোলনত প্ৰথম জয়ৰ ইংগিত পোৱা গৈছে বুলি মন্তব্য কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈয়ে। ফেচবুক লাইভৰ জৰিয়তে ৬ পৃষ্ঠাত

## কাছাৰৰ কাটিগড়াত দুই বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ

### বৰাক নৈত জাঁপ দি পলায়নৰ চেষ্টা, ১ কিলোমিটাৰ খেদি আৰক্ষীৰ কৰায়ত্ত



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** কাছাৰ জিলাৰ কাটিগড়াত দুই বাংলাদেশী নাগৰিকে বৰাক নৈত জাঁপ দি পলায়নৰ চেষ্টা কৰিছিল যদিও আৰক্ষীৰ তৎপৰতাত তেওঁলোকক কৰায়ত্ত কৰা হয়। নাও লৈ নদীত অভিযান চলাই কাটিগড়া আৰক্ষীয়ে দুয়োগৰাকীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এই ঘটনাক কেন্দ্ৰ কৰি কাছাৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত কাছাৰ জিলাৰ কাটিগড়া আৰক্ষীয়ে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ হৰিনগৰ তৃতীয় খণ্ডৰ জিয়াউৰ ৰহমান নামৰ ৬ পৃষ্ঠাত

#### দুৰ্গোৎসৱ আৰু দীপাৱলীৰ পূৰ্বে স্বদেশী সামগ্ৰী ব্যৱহাৰৰ অনুৰোধ

## চীনা সামগ্ৰী বৰ্জনৰ আহ্বান হিন্দু সুৰক্ষা সেনা, অসমৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ লগতে পোহৰৰ উৎসৱ দীপাৱলীৰ প্ৰাকমুহূৰ্তত চীনা লাইট, আতচবাজী তথা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সকলো ধৰণৰ চীনা সামগ্ৰী বৰ্জন কৰিবলৈ দেশবাসীৰ প্ৰতি আহ্বান জনাইছে হিন্দু সুৰক্ষা সেনা, অসমে। চীনা সামগ্ৰীৰ পৰিৱৰ্তে স্বদেশী উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰি প্ৰকৃত দেশপ্ৰেমিকৰ পৰিচয় দাঙি ধৰিবলৈ সংগঠনটোৱে ৬ পৃষ্ঠাত

#### প্ৰয়োজন হ'লে সৰ্বোচ্চন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ

## উচ্ছেদিতই উপযুক্ত সংস্থাপন আৰু পৰ্যাপ্ত ক্ষতিপূৰণ পাব লাগিব ঃ বদৰুদ্দিন আজমল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** উচ্ছেদিতসকলে ন্যায় পাব লাগিব। তেওঁলোকক উপযুক্ত সংস্থাপন আৰু পৰ্যাপ্ত ক্ষতিপূৰণ দিয়াটো নিশ্চিত কৰিব লাগিব। বিজেপি চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে প্ৰয়োজন হ'লে সৰ্বোচ্চন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ দিছে মৌলানা বদৰুদ্দিন আজমলে। ইপিনে, অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে প্ৰশাসনে "কোনো আপোচ নাই" অৰ্থাৎ নো কম্প্ৰমাইজ নীতি অৱলম্বন কৰি আহিছে। "দয়া নাই, ক্ষমা নাই" নীতিৰে শনিবাৰে ৰাজ্যৰ কেইবাটাও প্ৰান্তত উচ্ছেদ অভিযান চলোৱা হৈছে। ইয়াৰ ফলত ৰাজ্যত চৰকাৰী ভূমি ৬ পৃষ্ঠাত

## বিদেশীৰ নামত অসমৰ মুছলমানক অত্যাচাৰৰ অভিযোগ ABMSUৰ

### দিল্লীৰ যন্তৰ মন্তৰত বৃহৎ প্ৰতিবাদৰ ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** বিদেশীৰ নামত অসমৰ মুছলমানসকলক চৰকাৰে অত্যাচাৰ কৰি থকা বুলি অভিযোগ উত্থাপন কৰিছে অসমৰ সংখ্যালঘু সংগঠন ABMSU-এ। সংগঠনটোৰ মতে, কোনো ধৰণৰ নীতি-নিয়ম নামানি চৰকাৰে অসমৰ ধৰ্মীয় সংখ্যালঘুসকলক বাংলাদেশলৈ বিতাড়িত কৰিছে। বিজেপি চৰকাৰৰ এই কাৰ্যৰ বিৰুদ্ধে এইবাৰ দিল্লীৰ যন্তৰ মন্তৰত বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰাৰ ঘোষণা কৰিছে সংখ্যালঘু সংগঠনটোৱে। সংবাদমাধ্যমৰ সন্মুখত ABMSUৰ সভাপতিয়ে হুংকাৰ দি কয় যে ডি-ভোটাৰৰ নাম লৈ ইতিমধ্যেই হাজাৰ হাজাৰ মুছলমানে মৃত্যুবৰণ কৰিছে। ডি-ভোটাৰৰ বাবেই বিদেশী ন্যায়াধিকৰণে ৬ পৃষ্ঠাত

#### উচ্চতম ন্যায়ালয়ত SLP দাখিলৰ সিদ্ধান্ত

## অমৃতপ্ৰভা-সন্দীপনৰ জামিনক প্ৰত্যাহ্বান জনাব ৰাজ্য চৰকাৰে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গক গুৱাহাটী উচ্চন্যায়ালয়ে প্ৰদান কৰা জামিনৰ নিৰ্দেশক ৰাজ্য চৰকাৰে প্ৰত্যাহ্বান জনোৱাৰ সিদ্ধান্ত লৈছে। এই জামিন নিৰ্দেশ খাৰিজ কৰি দুয়োগৰাকীক পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ আবেদন লৈ ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। অসম চৰকাৰৰ মহাধিবক্তা দেৱজিত লন শইকীয়াই সংবাদমেল সম্বোধন কৰি এই ঘোষণা দিয়ে। মহাধিবক্তা শইকীয়াই কয় যে জুবিন গাৰ্গৰ গোচৰত জামিন লাভ কৰা অমৃতপ্ৰভা মহন্তৰ জামিনৰ নিৰ্দেশত কিছু অসংগতি বা বিসংগতি পৰিলক্ষিত হৈছে। সেই বিসংগতিসমূহ বিবেচনা কৰিয়েই ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ৰ জামিন নিৰ্দেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন কৰাৰ সিদ্ধান্ত লৈছে। তেওঁ জানিবলৈ দিয়ে যে বিশেষ অনুজ্ঞাপত্ৰ আবেদন (SLP) দাখিল কৰি উচ্চ ন্যায়ালয়ৰ জামিন নিৰ্দেশক প্ৰত্যাহ্বান জনোৱাৰ অনুমতি ল'ব ৰাজ্য চৰকাৰে। সংবাদমেলত ৬ পৃষ্ঠাত



■ ১৫০ আৰক্ষী কৰ্মী আহত; ১,২০০প্ৰতিবাদকাৰীক আটক ■

## ফ্ৰান্সত জীৱন-ধাৰণৰ ব্যয় বৃদ্ধি আৰু শিক্ষাখণ্ডৰ বাজেট কৰ্তনৰ বিৰুদ্ধে তীব্ৰ আন্দোলন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** জীৱন-ধাৰণৰ ব্যয় বৃদ্ধি আৰু শিক্ষা খণ্ডৰ বাজেট কৰ্তনৰ বিৰুদ্ধে শনিবাৰে ফ্ৰান্সত চলি থকা প্ৰতিবাদে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত হোৱা তীব্ৰ সংঘৰ্ষত কমেও ১৫০জন আৰক্ষী কৰ্মী আহত হৈছে। ইয়াৰ লগতে আৰক্ষীয়ে ১,২০০জন প্ৰতিবাদকাৰীক আটক কৰিছে। 'ফ্ৰান্স ২৪'ৰ প্ৰতিবেদন অনুসৰি এই সপ্তাহত কেৱল ৰাজধানী পেৰিছতেই অভিলেখসংখ্যক ৮৫৫জন লোকক আটক কৰা হৈছে। প্ৰতিবাদৰ সময়ত মুখা পিন্ধা দুষ্কৃতিকাৰীয়ে ৬পৃষ্ঠাত

## মুম্বাইৰ জুহুত অভিনেতা টাইগাৰ শ্ৰফৰ গাড়ীলৈ গুলীচালনা

### অভিযুক্তক কৰায়ত্ত কৰিবলৈ বিশেষ দল মোতায়েন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** দেওবাৰে সন্ধিয়া মুম্বাইৰ জুহু অঞ্চলত এজন অচিনাক্ত ব্যক্তিয়ে অভিনেতা টাইগাৰ শ্ৰফৰ গাড়ীলৈ গুলীচালনা কৰে। অৱশ্যে অভিনেতাগৰাকীয়ে কোনো ধৰণৰ আঘাত পোৱা নাই বুলি আৰক্ষীয়ে জানিবলৈ দিছে। মুম্বাইৰ পশ্চিম উপকণ্ঠৰ জুহু আৰক্ষী থানাৰ অন্তৰ্গত পুষ্পা পাৰ্কৰ সমীপত এই ঘটনা সংঘটিত হয়। ঘটনাটোৰ পূৰ্বাপৰ ঘটনাক্ৰম উদঘাটনৰ চেষ্টা চলি আছে বুলি এগৰাকী আৰক্ষী বিষয়াই জনায়। তেওঁ পুনৰ স্পষ্ট কৰি দিয়ে যে ৬ পৃষ্ঠাত



#### তিনিজন টাংখুল নগা নাগৰিক গুলীবিদ্ধ; উপমুখ্যমন্ত্ৰী নেমচা কিপজেনৰ গৰিহণা

## মণিপুৰত কামজোঙত কুকি সম্প্ৰদায়ৰ ১৫টাকৈ ঘৰত অগ্নিসংযোগ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** মণিপুৰত শনিবাৰে নিশা পুনৰ হিংসাত্মক ঘটনা সংঘটিত হৈছে। কামজোং জিলাৰ এখন পাহাৰীয়া গাঁৱত কুকি সম্প্ৰদায়ৰ ১৫টাকৈ ঘৰত দুৰ্বৃত্তই অগ্নিসংযোগ কৰে। এই ঘটনাৰ



পিছতে সাধাৰণ নাগৰিকসকল আতংকিত হৈ বনাঞ্চল আৰু ওচৰৰ এটা সেনা শিবিৰত আশ্ৰয় লৈছে বুলি জানিব পৰা গৈছে। আৰক্ষীৰ মতে, শনিবাৰে মাজনিশা সন্দেহযুক্ত উগ্ৰপন্থীয়ে ছাছাদ গাঁৱত ৬ পৃষ্ঠাত

#### জ্যেষ্ঠ অধিবক্তা কপিল ছিবালৰ পৰামৰ্শ লৈছে CJP-এ

## সৌৰভ দাস আৰু আশুতোষ ৰাংকাক মুকলি নকৰিলে আইনৰ কাষ চপাৰ হুংকাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** ক'কৰোচ্ছ জনতা পাৰ্টী (CJP)ৰ দুগৰাকী নেতা সৌৰভ দাস আৰু আশুতোষ ৰাংকা বৰ্তমান তিহাৰ কাৰাগাৰত বন্দী হৈ আছে। দেওবাৰৰ ভিতৰত দুয়োগৰাকী নেতাক মুকলি কৰি দিয়া নহ'লে দলটোৱে আইনৰ কাষ চপাৰ হুংকাৰ দিছে। এই সন্দৰ্ভত CJP-এ ইতিমধ্যে জ্যেষ্ঠ অধিবক্তা কপিল ছিবালৰ পৰামৰ্শ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিছে। সামাজিক মাধ্যম এক্সত দলটোৱে জনাইছে যে তেওঁলোকে কপিল ছিবালৰ সৈতে বিষয়টো আলোচনা কৰিছে। যদি আজি আশুতোষ ৰাংকা আৰু সৌৰভ দাসক মুকলি কৰি দিয়া নহয়, তেন্তে যিসকলে ইচ্ছাকৃতভাৱে তথা অবৈধভাৱে তেওঁলোকক আটক কৰিছে, তেওঁলোকৰ বিৰুদ্ধে আইনী ৬ পৃষ্ঠাত

#### ৩৭৩ বছৰীয়া পৰম্পৰা ৰক্ষাৰে বিশ্ববাসীৰ সুখ-শান্তি কামনা

## আউনীআটী সত্ৰত ২১ যোৰা আকাশ বন্তি প্ৰজ্বলনেৰে কাতি বিহু উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ অক্টোবৰ ঃ** মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰ প্ৰতিষ্ঠা কালৰে পৰা ৩৭৩ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱসকলে আজি ২১ যোৰা বন্তি প্ৰজ্বলন কৰি সত্ৰখনৰ বৈষ্ণৱৰ লগতে বিশ্ববাসীৰ সুখ-শান্তি কামনা কৰে। সেই উদ্দেশ্যে আজি কাতি বিহুৰ দিনা পুৱা গোবিন্দ মহাপ্ৰভুৰ ওচৰত পূজা-অৰ্চনাৰ পিছতেই বৈৰাগী নাম, বৰনাম, ভাগৱত পাঠ, গায়ন-বায়ন, প্ৰসংগ, পালনাম প্ৰসংগ আদি পৰম্পৰাগত নাম-কীৰ্তন অনুষ্ঠিত হয়। ইয়াৰ পিছতে বিয়লি সত্ৰখনৰ বৈষ্ণৱসকলে হিয়ানাম, দিহা নাম, নটুৱা নৃত্য, ওজাপালিৰে নামঘৰৰ চৌপাশ মুখৰিত কৰি সত্ৰাধিকাৰ ড°পীতাম্বৰ দেৱ গোস্বামী, ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামীৰ লগতে সত্ৰৰ বৈষ্ণৱসকলে জয়ধ্বনি কৰি গায়ন- ৬ পৃষ্ঠাত



#### পৰিয়ালৰ এজনলৈ চতুৰ্থ বৰ্গৰ চাকৰি; উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত SITৰ তদন্ত

## কলকাতাৰ দুৰ্গা পূজা মণ্ডপ ভাঙি নিহতলৈ ২৫ লাখ টকা ঘোষণা শুভেন্দু অধিকাৰীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ অক্টোবৰ ঃ** উত্তৰ কলকাতাৰ চোৰবাগান সৰ্বজনীন দুৰ্গা পূজাৰ পেণ্ডেলত শনিবাৰে নিশা সংঘটিত পদপিষ্টৰ মৰ্মান্তিক ঘটনাত ১৯জন লোক নিহত



হোৱাৰ লগতে ২৫জন আহত হৈছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে এই তথ্য নিশ্চিত কৰিছে। ঘটনাটো সপ্তমীৰ নিশা সংঘটিত হয়। ঘটনাৰ তদন্তৰ বাবে বিশেষ টাস্ক ফৰ্চ (STF), ফৰেনছিক ৬ পৃষ্ঠাত

ভিউফাইণ্ডাৰৰ ১৬ বৰ্ষপূৰ্তি উপলক্ষে ৩১ অক্টোবৰৰ পৰা নগাঁৱত তিনিদিনীয়া একক চিত্ৰপ্ৰদৰ্শনী

# প্ৰখ্যাত চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসলৈ 'শিল্পসাৰথি' সন্মান

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ অক্টোবৰ ঃ** মধ্য অসমৰ অগ্ৰণী ফটোগ্ৰাফীৰ শিক্ষানুষ্ঠান 'ভিউফাইণ্ডাৰ'ৰ ১৬ বছৰীয়া গৌৰৱোজ্জ্বল যাত্ৰাৰ সৈতে সংগতি ৰাখি অসমৰ বিশিষ্ট চিত্ৰশিল্পী কিশোৰ কুমাৰ দাসৰ ওপজা দিন উপলক্ষে অহা ৩১ অক্টোবৰ, ১ নৱেম্বৰ আৰু ২ নৱেম্বৰত নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত তিনিদিনীয়াকৈ এখনি একক চিত্ৰপ্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীৰ শুভাৰম্ভণিৰ দিনা, অৰ্থাৎ ৩১ অক্টোবৰত, শিল্পীগৰাকীৰ শিল্পকলা আৰু শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা দীৰ্ঘদিনীয়া অৱদানৰ প্ৰতি সন্মান জনাই ভিউফাইণ্ডাৰৰ উদ্যোগত তেওঁক "শিল্পসাৰথি" সন্মানেৰে সন্মানিত কৰা হ'ব। নগাঁৱৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে শিল্প-সাহিত্যৰ অনুৰাগীসকলৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানটোৱে অসমৰ শিল্পকলা জগতৰ বাবে এক বিশেষ তাৎপৰ্য বহন কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, ২০১০ চনৰ পৰা ফটোগ্ৰাফী শিক্ষা আৰু সৃষ্টিশীল কৰ্মৰ একনিষ্ঠ প্ৰচেষ্টাৰে আগবাঢ়ি অহা ভিউফাইণ্ডাৰে বিগত ১৬ বছৰত বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি মধ্য অসমৰ এক উল্লেখযোগ্য ফটোগ্ৰাফী শিক্ষানুষ্ঠান হিচাপে নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই শিক্ষানুষ্ঠানৰ পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে সফলতাৰে প্ৰশিক্ষণ সম্পূৰ্ণ কৰি অসম তথা ভাৰতৰ বিভিন্ন স্থানত কৰ্মসংস্থাপন লাভ কৰাৰ লগতে ফটোগ্ৰাফী আৰু সংশ্লিষ্ট ক্ষেত্ৰসমূহত নিজৰ প্ৰতিভা আৰু দক্ষতাৰে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। ফটোগ্ৰাফী শিক্ষাৰ সমান্তৰালভাৱে ভিউফাইণ্ডাৰে অসমৰ শিল্প-সংস্কৃতিৰ চৰ্চা, সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰতো উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বিশেষকৈ নগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত শিল্পকলাবিষয়ক আলোচনাচক্ৰ, প্ৰদৰ্শনী, কৰ্মশালা, পুৰণি সম্পদৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ দৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে অনুষ্ঠানটোৱে। ইয়াৰ লগতে অসমৰ দৃশ্যকলা, সাহিত্য, ফটোগ্ৰাফী আৰু প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক যথাসাধ্য সন্মানিত আৰু উৎসাহিত কৰি অহাটোও ভিউফাইণ্ডাৰৰ অন্যতম বিশেষত্ব। এই ধাৰাবাহিক প্ৰচেষ্টাৰ অংশ হিচাপে ২০১১ চনত গৱেষক-পণ্ডিত ড° নৱেন কলিতাক তেওঁৰ গৱেষণামূলক লেখনিৰ জৰিয়তে অসমৰ শিল্পকলাৰ জগতখনলৈ আগবঢ়োৱা অৱদানৰ বাবে 'চিত্ৰপট' সন্মান প্ৰদান কৰা হৈছিল। ২০২১ চনত বিশিষ্ট ফটো সাংবাদিক আনোৱাৰ হাজৰিকা আৰু ২০২২ চনত বিশিষ্ট সাহিত্যিক শৰ্মিষ্ঠা প্ৰীতমক 'ভিউফাইণ্ডাৰ বঁটা'ৰে সন্মানিত কৰা হয়। একেদৰে, ২০২৩ চনত নগাঁৱৰ প্ৰসিদ্ধ বন্যপ্ৰাণী ফটোগ্ৰাফাৰ প্ৰশান্ত বৰদলৈক 'পাৰ্থসাৰথি ফটোগ্ৰাফী বঁটা' আৰু ২০২৪ চনত বিশিষ্ট প্ৰকৃতি তথা পৰিৱেশপ্ৰেমী দীপজ্যোতি বৰাক 'প্ৰকৃতি কোঁৱৰ' সন্মান প্ৰদান কৰা হৈছিল। এনে উদ্যোগৰ জৰিয়তে ভিউফাইণ্ডাৰে শিল্প-সাহিত্য আৰু সৃষ্টিশীলতাৰ সৈতে জড়িত ব্যক্তিসকলৰ অৱদানক স্বীকৃতি দিয়াৰ এক ইতিবাচক পৰম্পৰা গঢ়ি তুলিছে। আনহাতে, প্ৰখ্যাত চিত্ৰশিল্পী কিশোৰ কুমাৰ দাস অসমৰ লগতে ভাৰতৰ শিল্পকলা জগতৰ এগৰাকী সুপৰিচিত ব্যক্তিত্ব। শিল্পকলাৰ ক্ষেত্ৰত তেওঁৰ অসামান্য প্ৰতিভা আৰু অৱদানৰ স্বীকৃতিস্বৰূপে ২০০৪-২০০৫ বৰ্ষত তেওঁ ললিত কলা অকাডেমীৰ ৪৭ সংখ্যক ৰাষ্ট্ৰীয় অকাডেমী বঁটা লাভ কৰে। পৰৱৰ্তী সময়ত ২০১০ চনত 'সদৌ অসম ৰং-তুলিকা বঁটা', ২০২১ চনত 'হৰাইজন শিল্পী বঁটা' আৰু ২০২৬ চনত 'টাইমছ অৱ ইণ্ডিয়া আইকন বঁটা'ৰে সন্মানিত হয়। ইয়াৰ উপৰি শিল্পকলা আৰু শিক্ষাৰ সৈতে জড়িত অসমৰ লগতে ভাৰতৰ বিভিন্ন আগশাৰীৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি তেওঁ শিল্পকলাৰ বিকাশ, প্ৰসাৰ আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই আহিছে। শিল্পী কিশোৰ কুমাৰ দাসৰ এই দীৰ্ঘদিনীয়া সৃষ্টিশীল যাত্ৰা, শিল্পকলাৰ প্ৰতি একনিষ্ঠ সাধনা আৰু নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ প্ৰচেষ্টাৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে ভিউফাইণ্ডাৰে 'শিল্পসাৰথি' সন্মান প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অনুষ্ঠানটোৰ জৰিয়তে এগৰাকী বিশিষ্ট শিল্পীৰ অৱদানক স্বীকৃতি দিয়াৰ লগতে অসমৰ শিল্পকলা জগতৰ সমৃদ্ধিশালী পৰম্পৰাক নতুন প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। ভিউফাইণ্ডাৰৰ ১৬ বছৰীয়া যাত্ৰাৰ এই বিশেষ ক্ষণত আয়োজিত তিনিদিনীয়া একক চিত্ৰপ্ৰদৰ্শনীখনে শিল্পী কিশোৰ কুমাৰ দাসৰ সৃষ্টিৰাজিৰ সৈতে শিল্পানুৰাগীসকলক পৰিচিত হোৱাৰ এক বিশেষ সুযোগ প্ৰদান কৰিব লগতে শিল্পী আৰু শিল্পানুৰাগীৰ মাজত এক সুস্থ সাংস্কৃতিক সংযোগ স্থাপন কৰাৰ লগতে নগাঁৱৰ শিল্প-সাংস্কৃতিক পৰিৱেশক অধিক সমৃদ্ধ কৰিব বুলি আয়োজকসকলৰ হৈ সভাপতি তথা প্ৰবীণ চিত্ৰশিল্পী গকুল ছেত্ৰী আৰু সঞ্চালক নৃপেন শইকীয়াই আশা প্ৰকাশ কৰিছে।

# সমাজ হিতৈষী মহেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু শিল্প ভাৱনাৰ সব্যসাচী উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৮ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ টংলা মিলনপুৰ নিবাসী এগৰাকী অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক, শিল্পী আৰু সমাজ হিতৈষী ব্যক্তি মহেশ্বৰ চহৰীয়াৰ আজি এমহীয়া পুণ্য তিথি উপলক্ষে স্মৃতিচাৰণ আৰু স্মৰণিকা উন্মোচনী সভা অনুষ্ঠিত হয়। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড: দিলীপ কুমাৰ বৰুৱাই স্মৰণিকা শিল্প ভাৱনাৰ সব্যসাচী উন্মোচন কৰি মহেশ্বৰ চহৰীয়াৰ অৱদান সম্পৰ্কে অৱলোকন কৰে আৰু পৰিয়ালক তেখেতৰ পবিত্ৰ স্মৃতিত এখনি স্মাৰক গ্ৰন্থ প্ৰকাশ কৰা বাবে পৰিয়ালক শলাগ জ্ঞাপন কৰে। টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই সঞ্চালনা কৰা সভাখনত শিক্ষাবিদ, বিশিষ্ট লেখক ঘনকান্ত ডেকা, শিক্ষাবিদ নীলধৰ ডেকা, ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা প্ৰাপক লোকেশ্বৰ ডেকা, অৱসৰী কৃতি শিক্ষয়িত্ৰী হিৰণ দেৱী, অৱসৰী কৃতি শিক্ষক আদিত চন্দ্ৰ কলিতা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্ত, সংগীত শিল্পী কিৰণ চন্দ্ৰ ডেকা, স্মৰণিকা সম্পাদনা সমিতিৰ সম্পাদক ৰমেন চন্দ্ৰ শৰ্মাই মহেশ্বৰ চহৰীয়াৰ বিশাল ব্যক্তিত্ব, শিক্ষকতা, শিল্পী সত্ত্বাৰ বিষয়ে গুণানুকীৰ্তন কৰে। মহেশ্বৰ চহৰীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত পত্নী সাবিত্ৰী চহৰীয়াই বন্তি প্ৰজ্বলন আৰু স্মৰণিকা সম্পাদনা সমিতিৰ সম্পাদক ৰমেন চন্দ্ৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা কৰা সভাখন টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক নন্দন ৰাভাই আঁত ধৰে। সভাত অৱসৰী শিক্ষক বিনোদ মহন্ত, দীনধৰ ডেকা, সুনেন্দু ডেকা, ভবেন্দ্ৰ শইকীয়া, গজেন চন্দ্ৰ কলিতা, বিষ্ণু ৰাম ডেকা, বড়োলেণ্ড সাংবাদিক সংস্থাৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক নাৰায়ণ ডেকা, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক জ্যোতিষ চন্দ্ৰ চৌধুৰী, স্মৰণিকা সম্পাদনা সমিতিৰ সভাপতি গৌৰী শংকৰ দাস, সহকাৰী সম্পাদক তপেশ্বৰ ৰাভা, টংলা প্ৰেছ ক্লাবৰ সম্পাদক অৰূপ বড়ো, চহৰীয়াৰ দুই পুত্ৰ, দুই বোৱাৰী, নাতি -নাতিনী, জী -জোঁৱাইৰ লগতে গুণমুগ্ধই উপস্থিত থাকে। উল্লেখ্য যে যোৱা ১৭ ছেপ্টেম্বৰ তাৰিখে টংলাৰ বিশিষ্ট নাগৰিক, অৱসৰী শিক্ষক, শিল্পী আৰু সমাজহিতৈষী ব্যক্তি মহেশ্বৰ চহৰীয়াৰ পৰলোকপ্ৰাপ্তি হৈছিল।

# শাৰদীয় দুৰ্গোৎসৱৰ উপলক্ষে ৫ নং পৰ্বতঝোৰা সমষ্টিৰ বিভিন্ন পূজা মণ্ডপ পৰিদৰ্শন বিধায়ক আশ্ৰাফুল ইছলাম শ্বেখৰ




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৮ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উলাহৰ মাজতে ৫ নং পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত স্থাপন কৰা দুৰ্গাপূজাৰ মণ্ডপসমূহ পৰিদৰ্শন কৰে সমষ্টিটোৰ বিধায়ক আশ্ৰাফুল ইছলাম শ্বেখে। পৰিদৰ্শনকালত বিধায়কগৰাকীয়ে পূজা মণ্ডপসমূহৰ পৰিৱেশৰ বুজ লোৱাৰ লগতে পূজাৰ আয়োজন আৰু ব্যৱস্থাপনাৰ বিষয়ে খবৰ লয়। ইয়াৰ উপৰি তেওঁ দুৰ্গাদেৱীৰ আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখ্য যে, দুৰ্গোৎসৱ উপলক্ষে বিভিন্ন পূজা মণ্ডপত ভক্ত তথা দৰ্শনাৰ্থীৰ ব্যাপক সমাগম পৰিলক্ষিত হৈছে। এই উৎসৱে অঞ্চলটোত সম্প্ৰীতি, ভাতৃত্ববোধ আৰু ঐক্যৰ বাৰ্তা কঢ়িয়াই আনিছে। বিধায়কগৰাকীৰ এই পৰিদৰ্শনৰ সময়ত স্থানীয় ৰাইজ, পূজা উদযাপন সমিতিৰ বিষয়ববীয়া আৰু অন্যান্য লোকসকলে তেওঁক শাৰদীয় দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে, গ্ৰামপুৰত কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া তিনিদিনীয়া খ্ৰীষ্টান আদিবাসী যুৱ সন্মিলনক কেন্দ্ৰ কৰিও বিধায়ক আশ্ৰাফুল ইছলাম শ্বেখে প্ৰস্তুতিৰ বুজ লয়। এই উপলক্ষে তেওঁ সন্মিলনখনৰ আয়োজক সমিতিৰ সৈতে আলোচনাত মিলিত হৈ অনুষ্ঠানটোৰ বিভিন্ন দিশ সন্দৰ্ভত মত-বিনিময় কৰে। বিধায়কগৰাকীৰ এই কাৰ্যসূচীয়ে অঞ্চলটোত বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ লগতে সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰচাৰৰ দিশটোও প্ৰতিফলিত কৰিছে।

# সৰুপথাৰৰ সোণোৱাল গাঁৱত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কাতি বিহু উদ্‌যাপন

**অসম বাৰ্তা, সৰুপথাৰ, ১৮ অক্টোবৰ ঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত সোণোৱাল গাঁও ৰাজহুৱা খেলপথাৰত সোণোৱাল গাঁও জ্যোতিময় যুৱক সংঘৰ বিশেষ উদ্যোগত আৰু স্থানীয় ৰাইজৰ পূৰ্ণ সহযোগিতাত এইবাৰ ২১তম্ কাতি বিহু অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে। কৃষিভিত্তিক সমাজ জীৱনৰ অন্যতম প্ৰধান উৎসৱ কাতি বিহু বা কঙালী বিহুৰ লগত সংগতি ৰাখি আয়োজক সমিতিয়ে তিনিদিনীয়া এক বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰিছে, যিয়ে সমগ্ৰ অঞ্চলটোত উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছে। অনুষ্ঠানৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় প্ৰতিভাশালী কিশোৰ-কিশোৰীসকলৰ বৌদ্ধিক তথা মানসিক উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি চিত্ৰাংকন, কবিতা আবৃত্তি আৰু কুইজ আদি এলানি গুৰুত্বপূৰ্ণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি মূল মঞ্চ উদ্বোধন কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সন্মানীয় মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই, যিয়ে নিজৰ ভাষণত অসমীয়া সমাজ জীৱনত কাতি বিহুৰ তাৎপৰ্য আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰসাৰৰ ওপৰত আলোকপাত কৰে। উল্লেখযোগ্য যে, আধুনিকতাৰ ধামখুমীয়াত হেৰাই যাব ধৰা অতীজৰ লোক-পৰম্পৰা আৰু চহকী সংস্কৃতিক জীয়াই ৰখাৰ এক ঐকান্তিক প্ৰচেষ্টা হিচাপে আয়োজকসকলে প্ৰতিবছৰে গ্ৰামাঞ্চলৰ এই নিভাঁজ প্ৰাকৃতিক পৰিৱেশত তুলসী তলত বন্তি প্ৰজ্বলন আৰু আকাশ বন্তি জ্বলোৱাৰ দৰে অতীজৰ পৰম্পৰাক সাৱটি এনেদৰে বিহু উদ্‌যাপন কৰি আহিছে, যিয়ে কেৱল ঐতিহ্য ৰক্ষাই কৰা নাই, বৰঞ্চ সমাজত একতা আৰু ভাতৃত্ববোধৰো গভীৰ এনাজৰী কটকটীয়া কৰি তুলিছে।

## 'এতিয়াৰ সাংবাদিকতাই সমাজক দৌৰাইছে'

# কৃষ্ণাই প্ৰেছ ক্লাবৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, কৃষ্ণাই, ১৮ অক্টোবৰ ঃ** 'সাংবাদিকতা কেৱল এটা বৃত্তি নহয়, ই সমাজৰ আয়না। সময়ৰ লগে লগে এই আয়নাখনৰ ৰূপ সলনি হৈছে।'- এই মন্তব্য প্ৰাক্তন সাংবাদিক তথা জ্যেষ্ঠ অধিবক্তা আতোৱাৰ ৰহমানৰ। আজি কৃষ্ণাই প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজিত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত অধিবক্তাগৰাকীয়ে কয় যে তেতিয়াৰ সাংবাদিকতাই সমাজক জগাইছিল, এতিয়াৰ সাংবাদিকতাই সমাজক দৌৰাইছে। তেওঁ ভাষণ প্ৰসংগত তেতিয়াৰ সাংবাদিকতাৰ নৈতিকতা আৰু এতিয়াৰ সাংবাদিকতাৰ প্ৰযুক্তি- এই দুয়োটা মিলিলেহে সাংবাদিকতা আকৌ শক্তিশালী হ'ব বুলি মত প্ৰকাশ কৰে। প্ৰেছ ক্লাবৰ সভাপতি চৈয়দ ৰবিউল হকৰ সঞ্চালনাত কৃষ্ণাইৰ 'নে'ৰা' মাইক্ৰ চাৰ্ভিচেছ ফাউণ্ডেচনৰ সভাকক্ষত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক নীলমণি শৰ্মাই। অনুষ্ঠানত সদ্য ঘোষিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ স্নাতক পৰ্যায়ৰ পৰীক্ষাৰ ফলাফলত ইংৰাজী মেজৰ বিষয়ত বিশ্ববিদ্যালয়ৰ ৰেংকিঙত দ্বিতীয় স্থান লাভ কৰা কৃষ্ণাইৰ ভেলাখামাৰ গাঁৱৰ প্ৰজ্ঞানজ্যোতি দেৱ নাথ আৰু এন এছ বি কলকাতাৰ দ্বাৰা ১৫৭ সংখ্যক এন ডি এ পাঠ্যক্ৰমৰ বাবে নিৰ্বাচিত হোৱা কৃষ্ণাইৰ বাবুপাৰাৰ প্ৰিয়াংশু সাহাক আনুষ্ঠানিক ভাৱে সম্বৰ্ধনা জনোৱা হয়। শিক্ষাৰ্থী দুজনক প্ৰেছ ক্লাবৰ তৰফৰ পৰা গামোচা, অভিনন্দন পত্ৰ আৰু এটাকৈ স্মাৰক প্ৰদান কৰা হয়। অনুষ্ঠানত শিক্ষক আব্দুল হাই আহমেদ, শিক্ষয়িত্ৰী সীমা বেগমে ভাষণ দিয়ে। অনুষ্ঠানত অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**বন বিভাগক চমজাই দিলে সাংবাদিক তথা সমাজকৰ্মী সঞ্জিত বৰাই**

# নিশা গছৰ পৰা পৰি যোৱা বিৰল প্ৰজাতিৰ পক্ষীক উদ্ধাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ অক্টোবৰ ঃ** প্ৰকৃতি আৰু জীৱ-জন্তুৰ প্ৰতি থকা দায়বদ্ধতাৰ এক সুন্দৰ নিদৰ্শন দেখা গ'ল সত্ৰনগৰী মাজুলীত। নিশাৰ আন্ধাৰত গছৰ পৰা অসাৱধানৱশত পৰি যোৱা এটা বিৰল প্ৰজাতিৰ পক্ষীক নিৰাপদে উদ্ধাৰ কৰি মানৱতাৰ পৰিচয় দিলে সংবাদ কৰ্মী তথা সমাজকৰ্মী সঞ্জিত বৰাই। ঘটনা অনুসৰি, যোৱা নিশাৰ ভাগত গড়মূৰ মূল পথেৰে যাওঁতে হঠাতে গছৰ পৰা আঘাতপ্ৰাপ্ত হৈ তলত পৰি ৰোৱা এটা পক্ষীক প্ৰত্যক্ষ কৰে সাংবাদিক সঞ্জিত বৰাই। নিশাৰ আন্ধাৰত পক্ষীটো বিপদাপন্ন অৱস্থাত, উৰিব নোৱাৰাকৈ পৰি থকা দেখি তেওঁ লগে লগে মানৱীয়তাৰ খাতিৰত তাক সুৰক্ষিতভাৱে উদ্ধাৰ কৰে। পক্ষীটোক নিজৰ জিম্মাত লৈ প্ৰাথমিকভাৱে সুৰক্ষিত কৰাৰ পাছত তেওঁ লগে লগে স্থানীয় বন বিভাগৰ সৈতে যোগাযোগ কৰে। পাছত নিশাই পক্ষীটোক সঠিক যত্ন আৰু সুৰক্ষাৰ বাবে বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ হাতত আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। বন বিভাগৰ সূত্ৰে জানিবলৈ দিয়া মতে, পক্ষীটোক প্ৰাথমিক চিকিৎসা আগবঢ়োৱা হৈছে আৰু সুস্থ হৈ উঠাৰ পাছত পুনৰ ভাগত পুনৰ প্ৰাকৃতিক পৰিৱেশত মুকলি কৰি দিয়া হ'ব। সমাজকৰ্মী সঞ্জিত বৰাৰ এনে প্ৰকৃতিপ্ৰেম আৰু তাৎক্ষণিক পদক্ষেপক স্থানীয় ৰাইজে তথা সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে। বৰ্তমান সময়ত যেতিয়া বহুতে বন্যপ্ৰাণীক অৱহেলা কৰে, তেনে সময়ত সঞ্জিত বৰাৰ দৰে এগৰাকী যুৱ সাংবাদিকৰ এনে মহৎ পদক্ষেপ নিশ্চয়েই সকলোৰে বাবে অনুকৰণীয় বুলি ৰাইজে মত প্ৰকাশ কৰিছে। বিপদাপন্ন জীৱ-জন্তুক ৰক্ষা কৰাৰ ক্ষেত্ৰত সকলো সচেতন নাগৰিকে আগভাগ ল'ব লাগে বুলিও তেওঁ আহ্বান জনায়।

# হাউলীৰ আনন্দ বজাৰৰ সৰ্বজনীন দুৰ্গাপূজাৰ সোণালী জয়ন্তী বৰ্ষ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৮ অক্টোবৰ ঃ** বৰপেটা জিলাৰ হাউলীৰ আনন্দ বজাৰত এইবেলি উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজাৰ সোণালী জয়ন্তী বৰ্ষ। সুদীৰ্ঘ ৫০ বছৰৰ পৰম্পৰা বহন কৰা এই দুৰ্গাপূজাক কেন্দ্ৰ কৰি অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। উল্লেখ্য যে জন কল্যাণ সমিতিৰ পৰিচালনাত হাউলীৰ আনন্দ বজাৰৰ এই সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা প্ৰতিবছৰে অনুষ্ঠিত হৈ আহিছে। বছৰ বছৰ ধৰি এই পূজাই ধৰ্মীয় বিশ্বাস, ভক্তি আৰু সামাজিক সম্প্ৰীতিৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। এইবেলি সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱা উপলক্ষে পূজাখনক লৈ ভক্ত-দৰ্শনাৰ্থীৰ মাজত বিশেষ আগ্ৰহ পৰিলক্ষিত হৈছে। দেৱী দুৰ্গাৰ আৰাধনাৰ লগতে পূজাৰ আনন্দ-উলাহে অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। পঞ্চাশ বছৰীয়া এই গৌৰৱময় যাত্ৰাই হাউলীৰ আনন্দ বজাৰৰ দুৰ্গাপূজাক কেৱল ধৰ্মীয় অনুষ্ঠান হিচাপেইনহয়, বৰং ৰাইজৰ মিলন, ভাতৃত্ববোধ আৰু সামাজিক ঐক্যৰ এক উজ্জ্বল প্ৰতীক হিচাপেও প্ৰতিষ্ঠা কৰিছে।

# কালীপুখুৰীত জিলা কৃষি বিভাগৰ উদ্যোগত কাতি বিহু উদ্‌যাপন

## বন্তি প্ৰজ্বলন বিধায়িকা শিউলী মহিলাৰীৰ

**অসম বাৰ্তা, বাসুগাঁও, ১৮ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ কালীপুখুৰীত পৰম্পৰাগত ৰীতি-নীতিৰে কাতি বিহু উদ্‌যাপন কৰা হয়। দেওবাৰে সন্ধিয়া কালীপুখুৰীৰ হাৰীয়া মণ্ডল বাখাৰাৰ খেতিপথাৰৰ কাযত আয়োজন কৰা অনুষ্ঠানত ৩ নং কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়িকা শিউলী মহিলাৰীয়ে চাকি-বন্তি আৰু আকাশবন্তি প্ৰজ্বলন কৰে। কাতি বিহু উদযাপনৰ প্ৰাকমুহূৰ্তত তৈলপাম (Oil Palm) খেতিৰ বিষয়ে কৃষকসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এক কাৰ্যসূচী অনুষ্ঠিত হয়। মহকুমা কৃষি বিষয়া (উদ্যান শস্য) ধনঞ্জয় মুছাহাৰীয়ে সৰিয়হ খেতিৰ লগতে অন্যান্য তৈলজাতীয় শস্যৰ খেতিৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। তেওঁ উপস্থিত কৃষকসকলক এই খেতিসমূহৰ পদ্ধতি সম্পৰ্কে প্ৰশিক্ষণ দিয়াৰ লগতে কৃষি বিভাগৰ পৰা লাভ কৰিব পৰা বিভিন্ন সহায়-সুবিধাৰ বিষয়েও বিস্তৃতভাৱে বুজাই দিয়ে। ইয়াৰ পিছতে সন্ধিয়া প্ৰায় পাঁচ বজাত বিধায়িকা শিউলী মহিলাৰীয়ে আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰে। এই উপলক্ষে তেওঁ কৃষক ৰাইজৰ পথাৰ শস্য-শ্যামলাৰে ভৰি পৰাৰ কামনা কৰে। বন্তিৰ পোহৰে যেনেকৈ কীট-পতংগ নাশ কৰে, ঠিক তেনেদৰে সমাজৰ পৰা অপসংস্কৃতি আৰু অশুভ শক্তিৰো অৱসান ঘটক বুলি তেওঁ আশা প্ৰকাশ কৰে।অনুষ্ঠানত ক্ষুদ্ৰ বাসুগাঁৱৰ নামদলে নাম পৰিৱেশন কৰি পৰিৱেশ ভক্তিময় কৰি তোলে। নিৰ্ধাৰিত সময়তকৈ কিছু পলমকৈ আৰম্ভ হোৱা অনুষ্ঠানটি অৱসৰপ্ৰাপ্ত কৃষি পৰিদৰ্শক ভীষ্মেশ্বৰ তালুকদাৰে সুচাৰুৰূপে পৰিচালনা কৰে। ইফালে, জিলাখনৰ জৰেগাঁৱতো বিভিন্ন কাৰ্যসূচীৰে কাতি বিহু উদ্‌যাপন কৰা হয়।

কৃষক-বিভাগীয় বিষয়াৰ মত-বিনিময় অনুষ্ঠান; আকাশ বন্তি প্ৰজ্বলন

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত কেৰেলা-বৰবাৰী গাঁৱত কাতি বিহু উদ্‌যাপন; কৃষক সম্বৰ্ধনা



**অসম বাৰ্তা, উজনী মাজুলী, ১৮ অক্টোবৰ ঃ** মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত কেৰেলা-বৰবাৰী গাঁৱত উলহ-মালহেৰে কাতি বিহু উদ্‌যাপন কৰা হয়। কেৰেলা-বৰবাৰী গাঁৱৰ হেলিপেডৰ সমীপৱৰ্তী পথাৰত আজি বিয়লি দুই বজাৰ পৰা বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠানটি ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সভাত উপস্থিত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমাজকৰ্মী প্ৰতাপ বৰুৱাই আঁত ধৰা সভাত সভাপতিত্ব কৰে শিক্ষাব্ৰতী দিলীপ কলিতাই। সভাত প্ৰথমে আদৰণি ভাষণ প্ৰদান কৰে মাজুলীৰ জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই। ইয়াৰ পিছতেই অনুষ্ঠিত হয় বিভাগীয় আঁচনিৰ সজাগতা আৰু মত-বিনিময় কাৰ্যসূচী। কাতি বিহু উদযাপন উপলক্ষে বিভাগীয় অন্যতম গুৰুত্বপূৰ্ণ আঁচনি "ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযান-তৈল খেজুৰ" আঁচনিৰ সন্দৰ্ভত সজাগতা তথা কৃষক ৰাইজৰ মাজত মত-বিনিময় কাৰ্যসূচী সম্পন্ন কৰে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ জ্যোতি ফুকনে। তেওঁ কৃষকসকলক উদ্দেশ্যি তৈল খেজুৰ খেতি আৰু আঁচনিখনৰ বিভিন্ন বিষয় সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। তেখেতে মাজুলীৰ কৃষকক কৃষিৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ লগতে কৃষি কৰ্মত একনিষ্ঠভাৱে জড়িত হ'বলৈ সকলোকে আহ্বান জনায়। সভাত সমাজকৰ্মী মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি দীপক গোস্বামী, ৰাজ্যিক সম্পাদক বিতোপন দলেকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে। অনুষ্ঠানত বিগত সময়ত মাজুলী জিলাৰ কৃষি খণ্ডত নিয়োজিত হৈ আদৰ্শ স্থাপন কৰিবলৈ সক্ষম হোৱা ১২ গৰাকী কৃষকক বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানত সম্বৰ্ধিত জনোৱা কৃষকসকল হৈছে- গ্ৰেজিং চাপৰিৰ ভাস্কৰ দাস, ভকত চাপৰিৰ হেমন্ত ভূঞা, ৰীতা বৰা, মণিৰাম বৰা, বিৰিনাবাৰিৰ অসীম ফুকন, বোকোৱা গাঁৱৰ মহেন্দ্ৰ বৰা, হালধিবাৰীৰ জিণ্টু বৰা, উৰিয়ামপৰাৰ দীপক বৰা, মুদৈ গাঁৱৰ জিতেন শইকীয়া, পেটুৱাজান বালিদেউৰীৰ বসন্ত দেউৰী, সাৰজান ন-সত্ৰৰ পুলিন বৰুৱা, আদৰ্শ বৰবাৰী গাঁৱৰ কৃষ্ণ শইকীয়া। সন্ধিয়া, কাতি বিহু উপলক্ষে গায়ন-বায়নৰ মাংগলিক পৰিৱেশত পাঁচগছি আকাশ বন্তি প্ৰজ্বলন কৰাৰ লগতে কেৰেলা বৰবাৰী গাঁৱৰ পথাৰত কৃষকসকলে শতাধিক বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন বিভাগৰ বিষয়া, বিশিষ্ট সমাজকৰ্মী, গাঁও পঞ্চায়তৰ প্ৰতিনিধি, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, ভালেকেইজন বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলটোৰ বৃহৎ সংখ্যক ৰাইজ উপস্থিত থাকে।

# ২৩ অক্টোবৰত কল্যাণীত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ জিলা সমাৰোহ

## সমাৱেশ হ'ব দ্বিশতাধিক শিশু বিজ্ঞানী

**অসম বাৰ্তা, নিমাতীঘাট, ১৮ অক্টোবৰ ঃ** ৩২ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলা পৰ্যায়ৰ সমাৰোহ ২৩ অ'ৌবৰত উত্তৰ যোৰহাটৰ কল্যাণী বাল্যভৱন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। জিলা সমল সংস্থা ৰূপে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, জিলা সমন্বয়ক সংস্থা ৰূপে অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সহযোগত আয়োজিত জিলা সমাৰোহৰ কাৰণে বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত ইতিমধ্যে অনুষ্ঠিত সভাই বৈকুণ্ঠ মহন্তক সভাপতি, অশোক বৰাক কাৰ্যকৰী সভাপতি, প্ৰসেনজিত বৰাক সম্পাদক ৰূপে লৈ অভ্যৰ্থনা সমিতি গঠন কৰিছে। উল্লেখ্য, জিলাখনৰ দুইশতাধিক শিশু বিজ্ঞানীয়ে সমাৰোহত প্ৰকল্প উপস্থাপন কৰিব। সমাৰোহৰ পুৱা ৮-০০ বজাত পতাকা উত্তোলন কৰিব জিলা আয়োজক সমিতিৰ সভাপতি বুলি গগৈ ভূঞা, প্ৰবীণ বৰুৱা, ৰমেন গগৈ, ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ, ড° হেমেন শইকীয়াই। ইয়াৰ পাছতে শিশু বিজ্ঞানীসকলক শপত বাক্য পাঠ কৰাব ২০২৩ বৰ্ষত শিশু বিজ্ঞান সমাৰোহৰ ৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ কৰা যোৰহাট জিলাৰ শিশু বিজ্ঞানী অৰিন্দ্ৰম প্ৰাণ শইকীয়া আৰু ছানিয়া দাসে। সমাৰোহ উদ্বোধন কৰিব যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে। শিশু বিজ্ঞানীৰ প্ৰকল্প উপস্থাপনৰ পাছতে সমাৰোহত ড° অৱনী চন্দ্ৰ গোস্বামী, ভৈৰৱ সন্দিকৈ, যোগানন্দ গোস্বামী, ড° জীৱন চন্দ্ৰ শৰ্মা কটকী সোঁৱৰণী বক্তৃতা প্ৰদান কৰিব প্ৰযুক্তি বিশেষজ্ঞ মুকুল মাধৱ বৈশ্যই। নেইষ্টৰ সঞ্চালক ড° ভি এম তিৱাৰীয়ে মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰিব লগীয়া সামৰণী অনুষ্ঠানত সভাপতিত্ব কৰিব আয়োজক সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ড° অদিতি বেজবৰুৱাই। ড° ইন্দিৰা বৰুৱাৰ সম্পাদনাত প্ৰকাশিতব্য সমাৰোহৰ মুখপত্ৰ অন্বেষণ অনুষ্ঠানত উন্মোচন কৰিব আধাৰ আলোচনীৰ মুখ্য সম্পাদক ডাঃ বলীন খাৰঘৰীয়াই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ তত্ত্বাৱধায়ক বিমান বৰুৱা, শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক সমন্বয়ক ৰমেন গগৈ, অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে। শিশু বিজ্ঞান সমাৰোহত সকলোৰে উপস্থিতি জিলা আয়োজক সমিতিৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়া (দূৰভাষ ঃ ৭৮৯৬৬৩০১০৮) আৰু শৈক্ষিক সমন্বয়ক পূৰৱী দেৱীয়ে আহ্বান জনাইছে।

# ডিব্ৰুগড়ত দুৰ্গাপূজাৰ উলহ-মালহেৰে ৰাইজৰ বিৰ দি বাট নোপোৱা অৱস্থা

## বহু মানুহৰ কৰ্মসংস্থান আৰু উপাৰ্জনৰ উৎসৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৭ অক্টোবৰ ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো চহৰৰ বিভিন্ন ঠাইত দুৰ্গাপূজাৰ মণ্ডপত প্ৰতিমা স্থাপন কৰি ৰাইজে উদযাপন কৰিছে এই পূজা। এই পূজা কেৱল এটা ধৰ্মীয় উৎসৱ নহয়, এয়া বঙালীসকল লগতে অসমীয়া সকলো এই উৎসৱত একাত্ম হৈ পৰিছে। সামাজিক, সাংস্কৃতিক আৰু সৰ্বজনীন উৎসৱ দুৰ্গাপূজাই দেশৰ অৰ্থনীতিত এক ডাঙৰ ভূমিকা পালন কৰাৰ লগতে এই কেইদিনত বহু মানুহৰ কৰ্মসংস্থান আৰু উপাৰ্জনৰ বাট মুকলি কৰিছে। দুৰ্গাপূজা এতিয়া আৰু কেৱল এটা ধৰ্মীয় সম্প্ৰদায়ৰ উৎসৱ হৈ থকা নাই, পশ্চিমবংগৰ লগতে অসমতো এই পূজা সৰ্বজনীন আৰু জাতীয় উৎসৱত পৰিণত হৈছে। এয়া এনে এক অন্তৰ্ভুক্তিমূলক উৎসৱ যিয়ে ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো মানুহৰ মাজত সম্প্ৰীতি, মৰম আৰু ঐক্যৰ বন্ধন গঢ়ি তোলে। দুৰ্গাপূজা কেৱল এটা ধৰ্মীয় বা সামাজিক উৎসৱেই নহয়, এয়া দক্ষিণ এছিয়াৰ বিশেষকৈ বাংলাদেশ আৰু ভাৰতৰ পশ্চিমবংগৰ অৰ্থনীতিৰ বাবে এক বিশাল চালিকাশক্তি। প্ৰতি বছৰে এই উৎসৱক কেন্দ্ৰ কৰি বজাৰ অৰ্থনীতিত হাজাৰ হাজাৰ কোটি টকাৰ আৰ্থিক লেনদেন হয়। ই উৎপাদকৰ পৰা আৰম্ভ কৰি প্ৰান্তীয় শ্ৰমজীৱী মানুহ, সকলোৰে পকেটলৈ ধনৰ যোগান ধৰে। দুৰ্গাপূজাত ডাঙৰৰ লগতে সৰু লৰা ছোৱালীৰো নতুন জোতা, সাজ পোচাক কিনাৰ ধুম পৰে। পূজা উপলক্ষে, শাৰী, মেখেলা চাদৰ আৰু প্ৰসাধনৰ কিনা-বেচা বহুগুণে বৃদ্ধি পায়। দেশৰ শীৰ্ষস্থানীয় ফেচন ব্ৰেণ্ডৰ পৰা আৰম্ভ কৰি ফুটপাথৰ দোকানবোৰত এই সময়ছোৱাত বিক্ৰী বৃদ্ধি পায়। পূজাৰ সাজ-সজ্জাৰ বাবে সোণ, ইমিটেচন জুৱেলাৰী আৰু প্ৰসাধন সামগ্ৰীৰ বজাৰত ব্যাপক কিনা-বেচা চলে। অসমতো ঐতিহ্যবাহী পাইকাৰী আৰু খুচুৰা মাৰ্কেটবোৰত শাঁখা, সেন্দুৰ, প্ৰতিমাৰ মুকুট আৰু শাৰীৰ কোটি কোটি টকাৰ ব্যৱসায়ৰ লগতে দেশৰ বিভিন্ন স্থানত প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰ ৰমৰমীয়া ব্যৱসায় হয়। প্ৰতিমা নিৰ্মাণৰ সৈতে জড়িত ভাস্কৰ আৰু মৃৎশিল্পীসকলৰ বছৰৰ উপাৰ্জনৰ এক ডাঙৰ অংশ আহে এই উৎসৱৰ পৰা। প্ৰতিমা শিল্পীসকলে মাটি, খেৰ আৰু ৰঙৰ কাম কৰি প্ৰতিমা তৈয়াৰ কৰে আৰু ইয়াৰ মাধ্যমেৰে লাখ লাখ টকালৈকে উপাৰ্জন কৰে। ডিব্ৰুগড়ত বিশাল বিশাল মণ্ডপ, পেণ্ডেল নিৰ্মাণ, ডেকোৰেচন আৰু চকু ছাট মৰা আলোকসজ্জাৰ পিছত কোটি কোটি টকা খৰচ হয়, যিয়ে হাজাৰ হাজাৰ শ্ৰমিকৰ সাময়িক কৰ্মসংস্থানৰ সৃষ্টি কৰে। পূজাৰ ঢাক বজোৱা শিল্পী কলকাতাৰ পৰা আহি অসমৰ পৰা বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰি লৈ যায়। পেণ্ডেল নিৰ্মাণ, আলোকসজ্জা, চাউণ্ড চিষ্টেম আৰু সাজ-সজ্জাৰ কামত নিয়োজিত কাৰিকৰ আৰু ব্যৱসায়ীসকলে এই সময়ত অতিৰিক্ত উপাৰ্জনৰ সুযোগ পায়।

# কলগাছিয়াৰ খাৰবাল্লীত বেঁকী নৈত সলিল সমাধি বিশেষভাৱে সক্ষম যুৱকৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৭ অক্টোবৰ ঃ** বৰপেটা জিলাৰ কলগাছিয়াৰ খাৰবাল্লীত বেঁকী নৈত পৰি সলিল সমাধি ঘটে ইক্ৰামুল ইছলাম নামৰ এগৰাকী বিশেষভাৱে সক্ষম যুৱকৰ। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, যুৱকজনে বেঁকী নৈৰ পাৰত ফুৰিবলৈ যোৱাৰ সময়তে নৈৰ প্ৰবল সোঁতত উটি যায়। ফলত তেওঁ নৈৰ বুকুত সন্ধানহীন হৈ পৰে আৰু সলিল সমাধি ঘটা বুলি জানিব পৰা গৈছে। ঘটনাটোৱে স্থানীয় ৰাইজৰ মাজত গভীৰ শোকৰ সৃষ্টি কৰিছে।

# মঙলদৈৰ ১০৪ বছৰীয়া চিকিৎসক ডাঃ চিৰাজুল হকৰ বিয়োগ, দৰঙত শোকৰ ছাঁ

**অসম বাৰ্তা, মঙলদৈ, ১৭ অক্টোবৰ ঃ** দৰং জিলাৰ মঙলদৈ চহৰৰ ২ নং ৱাৰ্ড নিবাসী বিশিষ্ট অৱসৰপ্ৰাপ্ত চিকিৎসক হাজী ডাঃ ছিৰাজুল হক (১০৪)ৰ শনিবাৰে পুৱা ৫:৩০ বজাত মৃত্যু হয়। তেওঁৰ মৃত্যুত মঙলদৈকে ধৰি সমগ্ৰ দৰং জিলাতে শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, তেওঁ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথমটো বেটছৰ ছাত্ৰ আছিল। পৰৱৰ্তী সময়ত চিকিৎসা সেৱাত নিয়োজিত হৈ তেওঁ নগাঁও জিলাৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (Chief Medical & Health Officer) হিচাপে কাৰ্যনিৰ্বাহ কৰে আৰু ১৯৮৬ চনত অৱসৰ গ্ৰহণ কৰে। উল্লেখ্য যে তেওঁ ১৯৬৭ চনত দৰঙৰ মুছলিমড়ঘোপাৰ মৌলানা হাজী আব্দুল কৰিমৰ সৈতে জাহাজেৰে পৱিত্ৰ হজব্ৰত পালন কৰিছিল। আজি বিয়লি ২ বজাত মঙলদৈ ঈদগাহ ময়দান প্ৰাংগণত অৱসৰপ্ৰাপ্ত শিক্ষক মৌলানা আশ্বিক আলিৰ ইমামতিত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন হয়। সমাধিস্থ কৰাৰ অন্তত মঙলদৈ সাহিত্য নগৰ জামে মছজিদৰ পেছ ইমাম মৌলানা আব্দুচ চাত্তাৰ নূৰীয়ে দোৱা কৰে। বিশিষ্ট লেখক-কবি, ফাৰুক আব্দুল্লাহ নূৰীয়ে আজান আৰু তালক্বীন সম্পন্ন কৰে। ডাঃ ছিৰাজুল হক এগৰাকী সহজ-সৰল, অমায়িক, ধৰ্মপ্ৰাণ আৰু সৰ্বজনশ্ৰদ্ধেয় ব্যক্তি আছিল। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে সু-সম্পৰ্ক বজাই ৰখা তেওঁৰ সৰলতা আৰু সৌজন্যবোধে সকলোৰে হৃদয়ত সুকীয়া স্থান দখল কৰিছিল। তেওঁৰ জানাজাত আ'লা হজৰত একাডেমীৰ প্ৰধান শিক্ষক মৌলানা আব্দুল হক ৰেজৱী, হাফিজ মিজানুৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষক এম. হাফিজ আলী, অসম ছুন্নী মাদ্ৰাছা শিক্ষা বৰ্ডৰ সচিব ফাইজুৰ ৰহমান চহৰীয়া ধৰি শতাধিক লোক উপস্থিত থাকে। তেওঁৰ মৃত্যুত মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী নীলিমা দেৱী, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, প্ৰাক্তন সভাপতি সাহিত্যাচাৰ্য অধ্যাপক ইদ্ৰিছ আলি, ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা, তথা সাহিত্যিক ড° চহিৰ ভূঞা, দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ সভাপতি বাবুল মকছেদ আহমেদ, প্ৰাক্তন সভাপতি আনোৱাৰ হুছেইন, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, ছহিদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ সম্পাদক তথা মঙলদৈ সাহিত্য নগৰ সাহিত্য সভাৰ সভাপতি মিছবাহুল হুদা, অসম চিকিৎসা সেৱা সন্থা, দৰঙৰ হৈ ডাঃ ৰফিকুল ইছলাম আনছাৰী, ডাঃ আতিকুৰ ৰহমান প্ৰমুখ্যে বিশিষ্ট লোকসকলে শোক প্ৰকাশ কৰিছে।

# লেংটিছিঙা ৰাজীৱ গান্ধী মেমৰীয়েল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সমাপ্ত

**অসম বাৰ্তা, অভয়াপুৰী, ১৭ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ চৰ-চাপৰি অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ৰাজীৱ গান্ধী মেমৰীয়েল মহাবিদ্যালয়ৰ ২০২৬-২০২৭ বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচন কালি (১৬ অক্টোবৰত) শান্তি পূৰ্ণ ভাৱে সমাপ্ত হয়। মহা বিদ্যালয় খনৰ ছাত্ৰ একতা সভা গঠনৰ বাবে সাতটা বিভাগত পোন্ধৰজন ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰ মাজৰ পৰা উপ সভাপতি পদত আছাব উদ্দিনে আবিদা খাতুনতকৈ ৮টা অধিক ভোট লাভ কৰি জয়ী হয়। সাধাৰণ সম্পাদক পদত মোঃ মাজিদুৰ ৰহমানে ময়েন উদ্দিনতকৈ ১২৪টা অধিক ভোট লাভ কৰি জয়ী হয়। আলোচনী সম্পাদক পদত মণিৰুল হকে হালিদা খাতুনতকৈ ১৬৮টা অধিক ভোট লাভ কৰি জয়ী হয়। খেল-ধেমালি (বহিঃ বিভাগ) সম্পাদক পদত মহিবুল ইছলামে চান্দ মুনতকৈ ১১১টা অধিক ভোট লাভ কৰি জয়ী হয়। সমাজ সেৱা সম্পাদক পদত ইমামুল হুছেইনে ছুইফুল খাতুনতকৈ ১২৬টা অধিক ভোট লাভ কৰি জয়ী হয়। তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক পদত তিনিজন ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও শৰিফুল ইছলামে নাজমা খাতুনতকৈ ৫২টা অধিক ভোট লাভ কৰি জয়ী হয়। তেনেদৰে শ্ৰেণী প্ৰতিনিধি সম্পাদিকা পদত জেলিফা ওৱাহিদে তাইৰ নিকটতম প্ৰতিদ্বন্দ্বী হাছানুৰ ৰহমানতকৈ ৯টা অধিক ভোট লাভ কৰি জয়ী হয়। লেংটিছিঙা ৰাজীৱ গান্ধী মেমৰীয়েল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন শান্তি পূৰ্ণ ভাৱে সমাপ্ত হোৱাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দুক ধন্যবাদ জ্ঞাপন কৰিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জহুৰুল ইছলামে।

## এনএছইউআইৰ বৃহৎ জয়লাভ

# মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

**অসম বাৰ্তা, মন্দিয়া, ১৭ অক্টোবৰ ঃ** মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভা গঠনৰ উদ্দেশ্যে কালি নিৰ্বাচন অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বহুমূলীয়া ভোটাধিকাৰ সাব্যস্ত কৰি ছাত্ৰ একতা সভাৰ বিভিন্ন পদৰ বাবে প্ৰতিনিধি নিৰ্বাচিত কৰে। বিয়লি ভোট গণনাৰ পিছত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এন এছ ইউ আইৰ সমৰ্থিত প্ৰাৰ্থী ক্ৰমে সভাপতি পদত মহাইমিনুল ৰব্বাণী, উপ-সভাপতি পদত নাৰিনা পাৰবিন, সাধাৰণ সম্পাদক পদত হাবিব হাছান, সহকাৰী সম্পাদক পদত নজৰুল ইছলাম, সাংস্কৃতিক সম্পাদক পদত আলমিনা খাতুন নিৰ্বাচিত হয়। একেদৰে অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম ছাত্ৰ পৰিষদ (এ চি পি) সমৰ্থিত প্ৰাৰ্থী ক্ৰমে আলোচনী সম্পাদিকা আলমিনা খাতুন, গুৰু খেল সম্পাদক মফিদুল ইছলাম, লঘু খেল সম্পাদক আজিদুল ইছলাম, ব্যায়াম সম্পাদক মহিবুল ইছলাম, তৰ্ক সম্পাদক ইক্ৰামুল হক, সমাজ সেৱা সম্পাদক আৰিফুল ইছলাম, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে জেচমিনা আহমেদ নিৰ্বাচিত হয়। উল্লেখ্য যে, নিজৰ নিজৰ সমৰ্থিত প্ৰাৰ্থী বিজয়ী হোৱাত আনন্দত উৎফুল্ল হৈ সমদল উলিয়ায়।

# মাকুম বাইপাছত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ১৮ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে তিনিচুকীয়া জিলাৰ মাকুম থানাৰ অন্তৰ্গত ছোটহাপজান চাহ বাগিচাৰ ১২নং লাইনৰ সমীপৰ বাইপাছত আজি সন্ধ্যা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এখন টি ভি এচ আপাচি বাইক আৰু এখন মাৰুটি এল্ট' বাহনৰ মাজত উক্ত পথ দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি, এ এচ ২৩ এ কে ৮৬৪৫ নম্বৰৰ আপাচি বাইকখনৰ সৈতে বিপৰীত দিশৰ পৰা আহি থকা এ এচ ১২ জেড ৯৩৪২ নম্বৰৰ এল্ট' বাহনখনৰ সংঘৰ্ষ হয়। ফলত এল্ট' বাহনখনত থকা এজন লোক আহত হয়। আহত লোকজন বৰপেটা জিলাৰ গৰৈমাৰী গাঁৱৰ বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, এল্ট' বাহনখনৰ যাত্ৰীসকলে তিনিচুকীয়ালৈ গৈ থকা অৱস্থাতে ছোটহাপজান বাইপাছত দুৰ্ঘটনাটো সংঘটিত হয়। ইফালে, দুৰ্ঘটনাৰ খবৰ লাভ কৰি মাকুম আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষী উপস্থিত হোৱাৰ উমান পাই বাইক আৰোহী দুজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন থানালৈ লৈ যায়।

# কাতি বিহুৰ দিনাই অসহায় ৭০ বছৰীয়া বৃদ্ধাক খাদ্য-বস্ত্ৰ প্ৰদান; বিছনা যোগান ধৰাৰ আশ্বাস গেলেকীৰ সমাজকৰ্মী যুৱক হেমন্ত গগৈৰ মহানুভৱতা

**অসম বাৰ্তা, গেলেকী, ১৮ অক্টোবৰ ঃ** সমগ্ৰ অসমে কাতি বিহুৰ দিনা তুলসীৰ তলে তলে চাকি জ্বলাই গৃহলৈ মংগল কামনা কৰাৰ সময়তে গেলেকীত দেখা গ'ল এক সুন্দৰ মানৱীয় দৃশ্য। গেলেকীৰ উদীয়মান সমাজকৰ্মী হেমন্ত গগৈয়ে কাতি বিহুৰ দিনাই এক বিশেষ পদক্ষেপ গ্ৰহণ কৰি অঞ্চলটোত ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। প্ৰাপ্ত খবৰ অনুসৰি, পিয়লি ফুকন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৭০ বছৰীয়া হীৰাৱতী মেচ নামৰ বৃদ্ধা গৰাকীয়ে চৰকাৰী আৱাসগৃহ এটাত সম্পূৰ্ণ অকলশৰীয়াকৈ অত্যন্ত কষ্টৰে জীৱন নিৰ্বাহ কৰি আহিছে। আনকি নিশা শুবলৈ তেওঁৰ এখন উপযুক্ত বিছনাও নাই। মাটিত বাঁহৰ বেৰ এখন পাৰি তাৰ ওপৰতে তেওঁ নিশা সমূহ পাৰ কৰিবলগীয়া হৈছে। বৃদ্ধা গৰাকীৰ এনে দুৰৱস্থাৰ খবৰ পাই মানৱদৰদী যুৱক হেমন্ত গগৈয়ে কাতি বিহুৰ শুভ দিনটোতে তেওঁৰ বাসগৃহত উপস্থিত হয়। যুৱকজনে আইতা গৰাকীক বিহুৰ উপহাৰ হিচাপে খাদ্য সামগ্ৰীৰ টোপোলাৰ উপৰি প্ৰয়োজনীয় বস্ত্ৰ প্ৰদান কৰে। আইতা গৰাকীয়ে মাটিত শুবলগীয়া হোৱা দৃশ্য দেখি গভীৰ দুখ প্ৰকাশ কৰে সমাজকৰ্মী গগৈয়ে। তেওঁ বৃদ্ধা গৰাকীক অতি সোনকালে এখন বিছনাৰ ব্যৱস্থা কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে। বিহুৰ পৱিত্ৰ দিনটোত যুৱকজনৰ এনে মহানুভৱতাক লৈ অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## ৬.৫ কিলোগ্ৰাম গাঞ্জাসহ সৰবৰাহকাৰীক আটক

# মুকালমুৱাৰ আদাবাৰীত আৰক্ষীৰ বৃহৎ সফলতা



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ অক্টোবৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত আদাবাৰী পহৰা চকীৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি চলোৱা যুটীয়া অভিযানকালত বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ গয়াৰীৰ উপস্থিতিত আদাবাৰী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক বৰকাকতি আৰু বৰ্নিবাৰী উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সুকুমাৰ দেৱ চৌধুৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে তাপা-সূতাৰকুছি অঞ্চলত অভিযান চলায়। এই অভিযান কালত আৰক্ষীয়ে গাঞ্জা ব্যৱসায়ী অখিল কলিতাৰ বাসগৃহত তালাচী চলাই ৬.৫ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰে। লগে লগে আৰক্ষীয়ে অভিযুক্ত অখিল কলিতাক আটক কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, জব্দকৃত গাঞ্জাখিনিৰ বজাৰ মূল্য কেইবা লক্ষাধিক টকা হ'ব। এই বৃহৎ পৰিমাণৰ গাঞ্জা ক'ৰ পৰা আনিছিল, কিমান দিনৰ পৰা এই অবৈধ ব্যৱসায় চলাই আহিছিল আৰু ইয়াৰ লগত আন কোন জড়িত আছে সেই সন্দৰ্ভত আৰক্ষীয়ে অভিযুক্তক জেৰা অব্যাহত ৰাখিছে। আদাবাৰী পহৰা চকীকে ধৰি মুকালমুৱা আৰক্ষীৰ এই সাহসী পদক্ষেপক অঞ্চলটোৰ সচেতন মহল তথা ৰাইজে ভূয়সী প্ৰশংসা কৰিছে আৰু এনে ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিবলৈ প্ৰশাসনক আহ্বান জনাইছে।

## বিধায়ক, উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ

# ডিব্ৰুগড় মহানগৰৰ খনিকৰত এছ বি আইৰ শাখা উদ্বোধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৭অক্টোবৰ ঃ** ডিব্ৰুগড় মহানগৰৰ খনিকৰত ভাৰতীয় ষ্টেট বেংকৰ ২৯ সংখ্যক শাখাটোৰ শুভ উদ্বোধন কৰা হয়। শাখাটো হৈছে ডিব্ৰুগড় মহানগৰৰ দশম সংখ্যক শাখা। ডিব্ৰুগড় মহানগৰত বেংকটোৰ শাখা ক্ৰমে থানা চাৰিআলি মুখ্য শাখা, ডিব্ৰুগড় বজাৰ, আমোলাপট্টি, ডিব্ৰুগড় বিশ্ববিদ্যালয়, পি বি বি, চৌকিডিঙী, পল্টন বজাৰ, এ এম চি এইছ, গাভৰুপথাৰৰ পিছতেই শেহতীয়াকৈ ডিব্ৰুগড় বাইপাছৰ খনিকৰ চাৰিআলিৰ নিচেই কাষতে মুকলি হোৱা এই শাখাটো। স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী প্ৰশান্ত ফুকনে ফিতা কাটি শাখাটোৰ শুভ উদ্বোধন কৰি ভাষণ প্ৰসংগত অনাগত দিনবোৰত এই শাখাটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কয়। তেওঁ আৰু কয় যে, ডিব্ৰুগড়ত বহু চৰকাৰী কাৰ্যালয়, অনুষ্ঠান, বিধায়ক আৱাস আদি খনিকৰ অঞ্চলত নিৰ্মীয়মান অৱস্থাত আছে। এটা মেগা স্প'ৰ্টছ কমপ্লেক্স ইতিমধ্যে সম্পূৰ্ণ হৈছে। ভাৰতীয় ষ্টেট বেংকৰ লগত নিজৰ আজীৱন সম্পৰ্কৰ কথা উল্লেখ কৰি তেওঁ কয় যে তেখেতৰ পিতৃ ইম্পেৰিয়েল বেংকৰ (ভাৰতীয় ষ্টেট বেংকৰ পুৰ্বৰ নাম) কৰ্মচাৰী আছিল। ভাৰতীয় ষ্টেট বেংকৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ মুৰব্বী ৰিজিয়নেল মেনেজাৰ প্ৰশান্ত কুমাৰ শৰ্মাই আঁতধৰা অনুষ্ঠানত বেংকটোৰ শাখা পৰিচালিকা জেনী দেৱে সকলো অভ্যাগতক আদৰণি জ্ঞাপন কৰে। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত সহ মহাপ্ৰবন্ধক, এছ বি আই পেঞ্চনাৰ এছ'চিয়েচনৰ ডিব্ৰুগড় মণ্ডলৰ সভাপতি পদুম পোনা বৰুৱা, অৱসৰপ্ৰাপ্ত মুখ্য প্ৰবন্ধক কৃষ্ণ শৰ্মাইও বক্তব্য আগবঢ়ায়। অনুষ্ঠানত জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু জিলা আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপেও শাখাটো পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে আৰু অঞ্চলটোৰ উন্নয়নত শাখাটো সহায়ক হ'ব বুলি মন্তব্য প্ৰদান কৰে। অনুষ্ঠানত স্থানীয় শিক্ষা ভেলী স্কুলৰ ক'অৰ্ডিনেটৰ সুধা শৰ্মা, এছ বি আই পেঞ্চনাৰ এছ'চিয়েচনৰ সম্পাদক উমা শংকৰ আগৰৱালা, এছ বি আই অফিচাৰ্চ এছ'চিয়েচনৰ বিষয়ববীয়া কল্যাণ দলে, হিমাংশু শইকীয়া, লিখন কোৱে, এছ বি আই ষ্টাফ এছ'চিয়েচনৰ বিষয়ববীয়া মানৱ হাজৰিকা, স্থানীয় চৰকাৰী গাঁওবুঢ়া প্ৰণৱ গগৈ প্ৰমুখ্যে ডিব্ৰুগড় অৰ্ধশতাধিক গণ্যমান্য ব্যক্তি আৰু বিভিন্ন দল-সংগঠনৰ ব্যক্তি উপস্থিত থাকে।

# নগাঁৱৰ ৰনথলীত ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ দৰ্শনৰ মণ্ডপ




**অসম বাৰ্তা, নগাঁও, ১৮ অক্টোবৰ ঃ** নগাঁৱৰ ৰনথলীত এইবাৰ দুৰ্গা পূজাৰ বিশেষ আকৰ্ষণ হৈ পৰিছে ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ দৰ্শনৰ বাবে নিৰ্মাণ কৰা আটকধুনীয়া পূজা মণ্ডপ। শুদ্ধ অসমীয়া কেঁচা সোণৰ গহনাৰ জনপ্ৰিয় প্ৰতিষ্ঠান 'ডুগডুগী'ৰ উদ্যোগত একাদশ বৰ্ষৰ বাবে আয়োজন কৰা হৈছে এই দুৰ্গা পূজা। প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী উৎপল বনিয়াৰ নগাঁও জিলাৰ ৰনথলীৰ ২ নং নামঘৰৰ সমীপত থকা নিজা বাসগৃহত নিৰ্মাণ কৰা হৈছে এই বিশেষ পূজা মণ্ডপ। বাঁহ আৰু টিছু পেপাৰেৰে নিৰ্মিত মণ্ডপটোত ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ দৰ্শনৰ লগতে মা দুৰ্গাৰ প্ৰতিমাক অসমীয়া গহনাৰে সজাই তোলা হৈছে। পূজাৰ লগত সংগতি ৰাখি প্ৰতিদিনে সন্ধিয়া ৭ বজাৰ পৰা নিশা ১০ বজালৈ 'জুবিনৰ গান' শীৰ্ষক বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে ট্ৰেকৰ সহায়ত ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰিব পাৰিব। ইফালে, অসমৰ স্বনামধন্য সংগীত শিল্পী মণ্টু মণি শইকীয়াই পূজা মণ্ডপত উপস্থিত হৈ মা দুৰ্গাৰ শ্ৰীচৰণত সেৱা আগবঢ়োৱাৰ লগতে উৎপল বনিয়াৰ এই ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লয়। উল্লেখ্য যে, ২১টাকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত 'ডুগডুগী'ৰ এই বিশেষ উদ্যোগে দুৰ্গা পূজাৰ আনন্দৰ মাজত ঈশ্বৰপুত্ৰ জুবিন গাৰ্গক এক বিশেষ ৰূপত উপস্থাপন কৰিছে।

# বৰপেটাৰ সুন্দৰীদিয়াত ফ্লিপকাৰ্টৰ গুদামত চুৰি; চাৰিজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৮ অক্টোবৰ ঃ** বৰপেটা জিলাৰ সুন্দৰীদিয়াত থকা ফ্লিপকাৰ্টৰ গুদামত সংঘটিত চুৰিৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱা লোককেইজনৰ ভিতৰত বৰপেটাৰ আমজাদ আলী আৰু সুদীপ বিশ্বাসৰ লগতে গোৱালপাৰাৰ নিশিকান্ত সিদ্ধা আৰু আনিছুৰ প্ৰামাণিক আছে। ঘটনাৰ সৈতে জড়িত লোককেইজনক গ্ৰেপ্তাৰ কৰাৰ লগতে আৰক্ষীয়ে অভিযান চলাই দুটা লকাৰ, নগদ ৭০ হাজাৰ টকা আৰু এখন বলেৰো বাহন জব্দ কৰে। বৰপেটাৰ সুন্দৰীদিয়াত থকা ফ্লিপকাৰ্টৰ গুদামত সংঘটিত চুৰিৰ ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে অনুসন্ধান চলাইছে। অৱশ্যে, চুৰিৰ ঘটনাটোৰ সৈতে জড়িত আন আন তথ্য আৰু আৰক্ষীৰ তদন্তৰ অগ্ৰগতিৰ বিষয়ে বিতং তথ্য এতিয়াও জানিব পৰা হোৱা নাই।

# বাটসৰত ২৯ তম্ বাৰ্ষিক সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাত আধ্যাত্মিক পৰিৱেশৰ সূচনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ অক্টোবৰ ঃ** নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত বাটসৰ সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাই এইবেলি ২৯তম্ গৌৰৱময় বৰ্ষত ভৰি দিছে। ১৯৯৮ চনতে বাটসৰৰ ৰাইজৰ ঐক্যবদ্ধ প্ৰচেষ্টাত স্থাপিত মন্দিৰটোত প্ৰচলিত এই পূজাভাগি অঞ্চলটোৰ অন্যতম আকৰ্ষণীয় আৰু বৃহৎ পূজা হিচাপে পৰিগণিত হৈ আহিছে। দুৰ্গা পূজা উপলক্ষে ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ ৬ দিনীয়া বৰ্ণাঢ্য ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীৰ ব্যৱস্থা কৰা পৰিলক্ষিত হৈছে। কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰ, বৃহস্পতিবাৰে শ্ৰীশ্ৰী দুৰ্গা ষষ্ঠীৰ দিনা পুৱা ৮ বজাত সভাপতি পুলক কুমাৰ শৰ্মাই ধৰ্মধ্বজা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। সন্ধিয়া ৬.৩০ বজাত দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস আৰু প্ৰতিমা উন্মোচনৰ পিছতে স্মৃতি তৰ্পণ, পুষ্পাঞ্জলি, বন্তি প্ৰজ্বলন, নিশা ৮ বজাত প্ৰয়াতসকলৰ স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে, ১৭ অক্টোবৰ, শুকুৰবাৰ মহাসপ্তমীৰ দিনা পুৱা নৱপত্ৰিকা প্ৰৱেশ আৰু মহাসপ্তমীৰ বিহিত পূজা, আবেলি ৪ বজাত মহাসপ্তমী পূজা, সন্ধিয়া ৭ বজাত ৰঙিয়াৰ নমিতা কলিতা আৰু তেখেতৰ সহযোগীৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰে। এই অনুষ্ঠান উদ্বোধন কৰে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা শ্ৰীমতী গীতুমণি বৈশ্যই। ১৮ অক্টোবৰ, শনিবাৰে সপ্তমী পূজাৰ দিনা পুৱা ১০ বজাত স্বৰ্গীয় বিজন কৃষ্ণ ভট্টাচাৰ্য সোঁৱৰণী আয়তীৰ নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৪০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৩০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ২০০১ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব বিয়লি বনগাঁৱৰ পূৰবী বৰ্মনৰ দলে নাগাৰা নাম পৰিৱেশন কৰিব। ১৯ অক্টোবৰ, দেওবাৰে মহাষ্টমীৰ বিহিত পূজা, সন্ধি পূজা, কুমাৰী পূজা, সন্ধিয়া নলবাৰী দাহুদীৰ সমস্বৰ থিয় নাম দল দ্বাৰা থিয় নাম পৰিৱেশন আৰু নিশা স্থানীয় আয়তীসকলে নাম পৰিৱেশন কৰিব। ২০ অক্টোবৰ, সোমবাৰে পুৱা মহানৱমীৰ বিহিত পূজা আৰু মহাশান্তি প্ৰদান কৰিব। দুপৰীয়া ২ বজাৰ পৰা সমূহ ৰাইজৰ বাবে মহাপ্ৰসাদ বিতৰণ আৰু সন্ধিয়া নাগাৰা নামৰ পাছত নিশা ৮ বজাত স্বৰ্গীয় অশ্বিনী কুমাৰ শৰ্মা সোঁৱৰণী মণ্ডপ উদ্বোধন, স্বৰ্গীয় নৱনাথ শৰ্মা সোঁৱৰণী বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান 'নলবৰীয়া পালট'ৰ বিশেষ প্ৰদৰ্শন আৰু একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২১ অক্টোবৰ, মঙলবাৰে বিজয়া দশমীৰ দিনা পুৱা অপৰাজিতা পূজা, শান্তি জল প্ৰদান, নিৰ্মালী প্ৰদান, দেৱী বিসৰ্জন আৰু গছপুলি ৰোপণ কাৰ্যসূচীৰে ২৯তম্ বৰ্ষৰ পূজাৰ সামৰণি পৰিব। দুৰ্গা পূজা উপলক্ষে ইয়াৰ উপৰি পূজাৰ প্ৰতিদিনে পুৱা-গধূলি আৰতি, বন্তি প্ৰজ্বলন আৰু স্থানীয় আয়তীসকলৰ দ্বাৰা নাম-প্ৰসংগৰো আয়োজন কৰা হৈছে। পূজা পৰিচালনা সমিতিৰ সভাপতি পুলক কুমাৰ শৰ্মা আৰু সাধাৰণ সম্পাদক দিগন্ত শৰ্মাৰ লগতে সমূহ বিষয়ববীয়াই এই ৬ দিনীয়া পূজাৰ প্ৰতিটো কাৰ্যসূচী সফল কৰি তুলিবলৈ সকলো ধৰ্মপ্ৰাণ ৰাইজৰ আন্তৰিক সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিজস্ব দুৰ্গোৎসৱ

**পু**ৱাৰ কুঁৱলীয়ে যেতিয়া ব্ৰহ্মপুত্ৰৰ বুকুত শেৱালি ফুলৰ মিঠা সুবাস বিয়পাই দিয়ে আৰু নদীৰ দুয়োপাৰ শুভ্ৰ কঁহুৱা ফুলেৰে জাতিষ্কাৰ হৈ উঠে, তেতিয়াই অসমৰ সমাজ জীৱনত এক গভীৰ মানসিক তথা সাংস্কৃতিক পৰিৱৰ্তনৰ সূচনা হয়। বিহু নিঃসন্দেহে অসমীয়া কৃষিজীৱী সমাজৰ প্ৰাণস্পন্দন আৰু জাতীয় স্বাভিমানৰ প্ৰতীক, কিন্তু শাৰদীয় দুৰ্গা পূজায়ো ৰাজ্যখনৰ সামূহিক চেতনাত এক সমান্তৰাল তথা গভীৰ স্থান দখল কৰি আহিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক



চন্দন কুমাৰ নাথ

উপত্যকাত মাতৃ দেৱীৰ আৰাধনা কেৱল বাহিৰৰ পৰা আমদানিকৃত এক জাকজমকতা নহয়; বৰঞ্চ ই হ'ল শতিকাজোৰা শাক্ত দৰ্শন, থলুৱা জনগোষ্ঠীয় পৰম্পৰা, ৰাজকীয় পৃষ্ঠপোষকতা আৰু আধুনিক নাগৰিক সমাজৰ অভিযোজনৰ এক স্বাভাৱিক পৰিণতি। সাম্প্ৰতিক অসমীয়া সমাজৰ দাপোণত দুৰ্গা পূজাৰ বিশ্লেষণ কৰিলে ধৰ্মীয় সমন্বয়, অৰ্থনৈতিক পুনৰুজ্জীৱন, পাৰিপাৰ্শ্বিক সজাগতা আৰু প্ৰশাসনিক বিৱৰ্তনৰ এক মনোজ্ঞ ছবি ফুটি উঠে।

অসমত দুৰ্গা পূজাৰ গভীৰতা বুজিবলৈ হ'লে আমি প্ৰথমে এই অঞ্চলটোৰ ঐতিহাসিক পটভূমি আৰু শাক্ত ধৰ্মৰ অন্যতম প্ৰধান কেন্দ্ৰ হিচাপে ইয়াৰ গুৰুত্ব অনুধাৱন কৰিব লাগিব। প্ৰাচীন কামৰূপ বিশ্বজুৰি মাতৃ দেৱীৰ উপাসনাৰ বাবে বিখ্যাত আছিল, যাৰ মূল কেন্দ্ৰবিন্দু হৈছে গুৱাহাটীৰ নীলাচল পাহাৰৰ চূড়াত অৱস্থিত পৱিত্ৰ কামাখ্যা মন্দিৰ। ঔপনিৱেশিক শাসনৰ সীমা নিৰ্ধাৰণ হোৱাৰ বহু পূৰ্বৰে পৰাই অসমৰ বিভিন্ন জনগোষ্ঠীয় সমাজৰ থলুৱা পৰম্পৰাত মাতৃ শক্তিৰ আৰাধনা ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। বড়োসকলৰ বাথৌ আৰু মাইনাও উপাসনাৰ পৰা আৰম্ভ কৰি কছাৰী, চুতীয়া আৰু দেউৰীসকলৰ আদিম মাতৃৰূপী দেৱী পূজালৈকে, অসমৰ আধ্যাত্মিক ভূমি মহিষাসুৰমৰ্দিনীৰ পৌৰাণিক আখ্যানক গ্ৰহণ কৰিবলৈ সদায়েই উৰ্বৰ আছিল। মধ্যযুগত আহোম ৰাজত্বকালত, বিশেষকৈ ওঁঠৰ শতিকাত স্বৰ্গদেউ শিৱ সিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ দিনত শাক্ত ৰীতি-নীতিয়ে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি বিশাল জাতীয় উৎসৱৰ ৰূপ ধাৰণ কৰিছিল। একেদৰে পশ্চিম অসমৰ কোচ ৰজাসকল আৰু দক্ষিণৰ কছাৰী শাসকসকলেও সংস্কৃত শাস্ত্ৰীয় বিধিৰ সৈতে স্থানীয় লোক-পৰম্পৰাৰ সংমিশ্ৰণ ঘটাই শৰৎ কালৰ এই উৎসৱক সমাজৰ মূলসুঁতিৰ অংগ হিচাপে প্ৰতিষ্ঠা কৰিছিল। অসমীয়া সমাজত দুৰ্গা পূজাৰ আটাইতকৈ উল্লেখযোগ্য সমাজতাত্ত্বিক বৈশিষ্ট্যটো হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ সৈতে ইয়াৰ বিনন্দীয়া সহাৱস্থান। ষোড়শ শতিকাৰ ভক্তি আন্দোলনে নামঘৰৰ মাজত একশৰণ নামধৰ্ম আৰু নিৰাকাৰ ভক্তিৰ ধাৰা প্ৰতিষ্ঠা কৰিলেও, অসমীয়া সমাজে কালক্ৰমত এক উদাৰ সমন্বয়ৰ পথ বাছি লৈছিল। উজনি আৰু নামনি অসমৰ গাঁৱে-ভূঁঞে তথা চহৰসমূহত দেখা যায় যে একেইটা পৰিয়ালে পুৱা পূজা মণ্ডপত গৈ অঞ্জলি আগবঢ়ায় আৰু সন্ধিয়া নামঘৰত সমূহীয়া নাম-কীৰ্তন বা অংকীয়া ভাওনাৰ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও, শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱা অসমীয়াৰ অতি আদৰৰ কাতি বিহুৰ সৈতে প্ৰায় একে সময়তে পৰে। তুলসীৰ তলত চাকি জ্বলাই আৰু পথাৰত আকাশবন্তি প্ৰজ্বলন কৰি শস্যৰ মংগল কামনা কৰা কাতি বিহুৰ সমাহিত আধ্যাত্মিকতাৰ সৈতে দুৰ্গা পূজাৰ আনন্দমুখৰ পৰিৱেশে এক অপূৰ্ব সংযোগ স্থাপন কৰে। এই সমন্বয়ে বিশ্বজনীন শক্তি পূজাৰ বিশালতাক অসমীয়া কৃষিজীৱী সমাজৰ মাটিৰ গোন্ধ থকা সৰল জীৱনবোধৰ সৈতে একাকাৰ কৰি পেলায়। সাম্প্ৰতিক সময়ত দুৰ্গা পূজা অসমৰ সৰ্ববৃহৎ ৰাজহুৱা উৎসৱত পৰিণত হৈছে, যি সামাজিক ঐক্য আৰু অৰ্থনৈতিক গতিশীলতাৰ এক প্ৰধান চালিকা শক্তি হিচাপে কাম কৰে। মহাষষ্ঠীৰ পৰা বিজয়া দশমীলৈকে চলা এই পাঁচদিনীয়া উৎসৱটোৰ সৈতে ৰাজ্যিক প্ৰশাসন আৰু স্থানীয় অৰ্থনীতি কিমান গভীৰভাৱে জড়িত, সেয়া শেহতীয়া কিছুমান ঘটনাপ্ৰৱাহে স্পষ্ট কৰি তোলে। এইবাৰৰ শাৰদীয় উৎসৱৰ সামাজিক গুৰুত্ব অনুধাৱন কৰি অসম চৰকাৰে সোতৰ অক্টোবৰৰ দিনটোত অতিৰিক্ত চৰকাৰী বন্ধ ঘোষণা কৰিছে, যাৰ ফলত সোতৰ তাৰিখৰ পৰা একৈশ অক্টোবৰলৈকে ৰাজ্যবাসীয়ে একেলগে পাঁচ দিনৰ পূজাৰ বন্ধ লাভ কৰিছে।



এই প্ৰশাসনিক সিদ্ধান্তই কেৱল উৎসৱৰ আনন্দ বৃদ্ধি কৰাই নহয়, বৰঞ্চ কৰ্মসূত্ৰে বা শিক্ষাৰ বাবে মহানগৰীসমূহত থকা হাজাৰ হাজাৰ লোকক নিজৰ পৈতৃক গাঁও আৰু চহৰলৈ উভতি গৈ পৰিয়ালৰ সৈতে মিলিত হোৱাৰ এক সুবৰ্ণ সুযোগ প্ৰদান কৰিছে।

অৰ্থনৈতিক দিশৰ পৰা চাবলৈ গ'লে, এই উৎসৱে চহৰ আৰু গ্ৰামাঞ্চল উভয়ৰে বাবে এক অপৰিহাৰ্য ঋতুকালীন অৰ্থনৈতিক ইঞ্জিন হিচাপে কাম কৰে। মহালয়াৰ কেইবাসপ্তাহো আগৰে পৰা ধুবুৰী, গোৱালপাৰা, যোৰহাট, ডিব্ৰুগড় আৰু গুৱাহাটীৰ মৃৎশিল্পীসকলে ব্ৰহ্মপুত্ৰৰ পলসুৱা মাটিৰে নিপুণভাৱে দেৱীৰ মৃণ্ময় মূৰ্তি গঢ়াত ব্যস্ত হৈ পৰে। কিন্তু ইয়াৰ বিত্তীয় প্ৰভাৱ কেৱল মৃৎশিল্পী, পেণ্ডেল সজোৱা খনিকৰ আৰু ঢাকীসকলৰ মাজতে সীমাবদ্ধ নাথাকে। পূজাৰ এই দীঘলীয়া বন্ধটো এতিয়া অসমৰ আভ্যন্তৰীণ ইক'-টুৰিজিম বা পৰিৱেশ পৰ্যটনৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিছে। পূজাৰ ঠিক আগে আগে কাজিৰঙা, মানস আৰু পবিতৰা অভয়াৰণ্য পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয়। স্থানীয় সংবাদ মাধ্যমৰ তথ্য অনুসৰি, এই অভয়াৰণ্যসমূহৰ আশে-পাশে থকা জীপ ছাফাৰী চালক, হ'মষ্টেৰ স্বত্বাধিকাৰী আৰু থলুৱা শিপিনীসকলে শৰৎ কালৰ মূল উপাৰ্জনৰ বাবে পূজাৰ বন্ধত অহা দেশী-বিদেশী পৰ্যটকৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰে। ইয়ে ধৰ্মীয় উৎসৱৰ সৈতে গ্ৰাম্য জীৱিকা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ এক সুন্দৰ অৰ্থনৈতিক যোগসূত্ৰ স্থাপন কৰিছে। একে সময়তে, গুৱাহাটী, শিলচৰ, তেজপুৰ আৰু ডিব্ৰুগড়কে ধৰি অসমৰ নগৰাঞ্চলসমূহত এক শৃংখলাবদ্ধ, নাগৰিক সচেতনতা সম্পন্ন আৰু পৰিৱেশ-বান্ধৱ পূজা উদযাপনৰ এক নতুন ধাৰা দেখা গৈছে। বিগত কিছু বছৰত বিশাল বাজেটৰ থীম-ভিত্তিক পূজা মণ্ডপসমূহৰ দ্ৰুত বৃদ্ধিয়ে তীব্ৰ যান-জঁট, শব্দ প্ৰদূষণ আৰু বিসৰ্জনৰ পিছত নদীৰ পানী দূষিত হোৱাৰ দৰে কিছুমান নগৰীয়া সমস্যাৰ সৃষ্টি কৰিছিল। এই আধুনিক প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ এইবাৰ কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু আৰক্ষীয়ে পূজা সমিতিসমূহৰ বাবে কঠোৰ নিৰ্দেশনাৱলী বা এছ অ' পি জাৰি কৰিছে। শেহতীয়া বাতৰি অনুসৰি, গুৱাহাটী আৰক্ষীয়ে নিশা দহ বজাৰ পিছত উচ্চস্তৰৰ শব্দযন্ত্ৰ আৰু ডিজে বজোৱাত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিছে। লগতে পূজা মণ্ডপসমূহত অশ্লীল গীত-মাত নিষিদ্ধ কৰা হৈছে আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ নিশা ন বজাৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো মণ্ডপত চিচিটিভি কেমেৰা স্থাপন, পুৰুষ আৰু মহিলাৰ বাবে সুকীয়া প্ৰৱেশ আৰু প্ৰস্থান পথ, প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱক নিয়োগ আৰু অগ্নি নিৰ্বাপক ব্যৱস্থা বাধ্যতামূলক কৰা হৈছে। ইয়াৰ উপৰিও, সুৰাপান কৰি বাহন চলোৱা আৰু বলপূৰ্বক চান্দা সংগ্ৰহৰ বিৰুদ্ধে প্ৰশাসনে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। আটাইতকৈ ইতিবাচক দিশটো হ'ল উৎসৱক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰিৱেশ সচেতনতা আৰু সৃষ্টিশীলতা। এইবাৰৰ পূজাত অসমৰ শিল্পীসকলে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত অভূতপূৰ্ব নিদৰ্শন দাঙি ধৰিছে। গুৱাহাটী মহানগৰীত ব্ৰহ্মপুত্ৰৰ পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ বাবে প্ৰশাসনে বিসৰ্জনৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই বাৰ চুণচালি ঘাটত বিসৰ্জন বন্ধ ৰাখি পাণ্ডু ঘাট, বশিষ্ঠ ঘাট আৰু কাছাৰী ঘাটক নিৰ্দিষ্ট বিসৰ্জনস্থলী হিচাপে ঘোষণা কৰা হৈছে যাতে নদীৰ পানী প্লাষ্টাৰ অৱ পেৰিছ আৰু বিষাক্ত ৰঙৰ পৰা মুক্ত থাকে। বহুতো পূজা মণ্ডপে থাৰ্মকল আৰু প্লাষ্টিক বৰ্জন কৰি অসমৰ থলুৱা বাঁহ, বেত, মৰাপাট আৰু জাপি ব্যৱহাৰ কৰি মণ্ডপ সজাই তুলিছে, যিয়ে আমাৰ কুটিৰ শিল্পক এক নতুন মঞ্চ প্ৰদান কৰিছে। এই সকলোবোৰ ইতিবাচক পদক্ষেপৰ মাজতো সাংস্কৃতিক বিশ্লেষকসকলে পৰম্পৰাগত ভক্তিভাৱ আৰু আধুনিক বাণিজ্যিকীকৰণৰ মাজত এক সূক্ষ্ম দ্বন্দ্ব লক্ষ্য নকৰাকৈ থকা নাই। কৰ্পৰেট বিজ্ঞাপনৰ চমক আৰু অত্যাধুনিক আলোকসজ্জাৰ ভিৰত চুবুৰীয়া পূজাৰ সেই পুৰণি আন্তৰিকতা, য'ত জ্যেষ্ঠসকলে ভক্তিগীত গাইছিল আৰু কণকণ শিশুসকলে সাহিত্য বা চিত্ৰাংকন প্ৰতিযোগিতাত ভাগ লৈছিল, সেয়া কিছু পৰিমাণে ম্লান হোৱাৰ আশংকা থাকে। তথাপিও, অসমীয়া সমাজৰ মূল শক্তি নিহিত হৈ আছে ইয়াৰ আত্মশোধন আৰু অভিযোজন ক্ষমতাত। এইবাৰ বহুতো পূজা সমিতিয়ে নিজৰ থীমৰ জৰিয়তে অসমৰ ঐতিহ্য, ওজাপালি আৰু কুশান গানৰ দৰে লোককলা তথা স্থানীয় জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰিছে।

অসমৰ দুৰ্গা পূজা হ'ল ৰাজ্যখনৰ বহুত্ববাদী আত্মাৰ এক জীৱন্ত দাপোণ। মহাষ্টমীৰ ভোগৰ শাৰীত অথবা দেৱীৰ জ্যোতিৰ্ময় মুখমণ্ডলৰ সন্মুখত থিয় হোৱাৰ মুহূৰ্তত ইয়াত ভাষা, জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ সকলো সংকীৰ্ণ দেৱাল খহি পৰে। ঢাকৰ তালে তালে যেতিয়া অসমীয়াৰ ভৰতাল আৰু নাগাৰাৰ গহীন ধ্বনি একাকাৰ হৈ যায়, তেতিয়া ই এক চিৰন্তন সত্যক পুনৰবাৰ প্ৰতিষ্ঠা কৰে, যেতিয়া এখন সমাজে শক্তি, কৰুণা আৰু ন্যায়ৰ প্ৰতীক মাতৃশক্তিক সন্মান জনায়, তেতিয়া সেই সমাজৰ নৈতিক আৰু নাগৰিক ভেটিও সুদৃঢ় হৈ উঠে। প্ৰাচীন আধ্যাত্মিক নিষ্ঠাৰ সৈতে আধুনিক পাৰিপাৰ্শ্বিক সচেতনতা আৰু নাগৰিক দায়িত্ববোধৰ সুষম সমন্বয় ঘটাই অসমীয়া সমাজে প্ৰমাণ কৰিছে যে শৰৎ কালত দেৱী দুৰ্গাৰ আগমন অনাগত প্ৰজন্মৰ বাবেও ঐক্য, সহনশীলতা আৰু সাংস্কৃতিক নৱজাগৰণৰ এক উজ্জ্বল আলোকস্তম্ভ হৈয়েই থাকিব।

# নাৰীশক্তিৰ প্ৰতীক ৰূপে মা দুৰ্গা

**মা** দুৰ্গা হিন্দু ধৰ্মৰ এক পৱিত্ৰ আৰু শক্তিশালী প্ৰতীক, যিয়ে নাৰীশক্তিৰ ক্ষমতা, সাহস, দৃঢ়তা আৰু জ্ঞানৰ সৰ্বজনীন প্ৰকাশ ঘটায়। তেওঁৰ অস্তিত্ব ধৰ্মীয় বিশ্বাসৰ গণ্ডীৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ তেওঁ এনে এক সৰ্বজনীন শক্তিৰ প্ৰতিনিধিত্ব কৰে যিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সৃষ্টি, সুৰক্ষা আৰু সংহাৰৰ মাজত এক অপূৰ্ব ভাৰসাম্য ৰক্ষা কৰে। মা দুৰ্গাৰ প্ৰতিমূৰ্তি এগৰাকী যোদ্ধাৰূপী দেৱীৰ, যিয়ে দশ হাতত বিভিন্ন অস্ত্ৰ ধাৰণ কৰি অশুভ শক্তিৰ বিৰুদ্ধে নিৰ্ভীকভাৱে যুদ্ধ কৰে। এই দশ হাতৰ প্ৰতীকী তাৎপৰ্য অতি গভীৰ আৰু বহুমুখী। ই নাৰীৰ সেই অপৰিসীম ক্ষমতাৰ প্ৰতীক, যিয়ে একে সময়তে সৃষ্টিৰ কোমলতা, সুৰক্ষাৰ মমতা আৰু সংহাৰৰ কঠোৰতাৰ মাজত সামঞ্জস্য ৰক্ষা কৰিব পাৰে। তেওঁৰ সিংহৰ পিঠিত উপবিষ্ট হোৱাৰ চিত্ৰণে সাহস, শক্তি আৰু নিৰ্ভীকতাৰ প্ৰকাশ ঘটায়, যিয়ে নাৰীশক্তিৰ অপৰাজেয় স্বৰূপক উজ্জ্বল কৰি তুলিছে। মা দুৰ্গাৰ এই ৰূপে আমাক সোঁৱৰাই দিয়ে যে নাৰীশক্তি কেৱল কোমলতা বা মমতাৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ ইয়াৰ মাজত আছে এনে এক তেজ, যিয়ে অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ, ন্যায় প্ৰতিষ্ঠা কৰিবলৈ আৰু সমাজৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ সক্ষম। এই শক্তিৰ প্ৰকাশ আমাৰ সমাজত নাৰীৰ ভূমিকাৰ গুৰুত্বৰ ওপৰত গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰে। তেওঁৰ এই প্ৰতীকৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ মাজত থকা অপৰিমেয় সম্ভাৱনাই সমাজৰ প্ৰতিটো দিশতে ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। মা দুৰ্গাৰ এই শক্তিশালী ৰূপে নাৰীৰ স্বাধীনতা, দৃঢ়তা আৰু সামাজিক দায়িত্বৰ গুৰুত্বক উজ্জ্বল কৰি তুলিছে। তেওঁৰ প্ৰতিমূৰ্তিয়ে আমাক শিকায় যে নাৰীশক্তি কেৱল ব্যক্তিগত ক্ষমতাৰ প্ৰকাশ নহয়, বৰঞ্চ ই সমাজৰ সামগ্ৰিক উন্নতিৰ এক অপৰিহাৰ্য অংশ। তেওঁৰ এই ৰূপৰ গভীৰতা আমাক সামাজিক, আধ্যাত্মিক আৰু দাৰ্শনিক দিশৰ পৰা নাৰীশক্তিৰ সৰ্বজনীন তাৎপৰ্যৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে। এই প্ৰতীকৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল তেওঁলোকৰ নিজৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ সমাজৰ কল্যাণৰ বাবেও অপৰিহাৰ্য। মা দুৰ্গাৰ এইৰূপে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ, ন্যায়পৰায়ণ আৰু সুষম সমাজ গঢ়ি তুলিব পাৰো। তেওঁৰ এই শক্তিশালী প্ৰতিমূৰ্তিয়ে নাৰীৰ সেই অপৰিসীম ক্ষমতাক উজ্জ্বল কৰি তুলিছে, যিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰিব পাৰে।

মা দুৰ্গাৰ উৎপত্তিৰ কাহিনী তেওঁৰ শক্তিৰ প্ৰকাশৰ এক অনন্য আৰু গভীৰ দিশ, যিয়ে নাৰীশক্তিৰ ঐক্য আৰু সহযোগিতাৰ শক্তিক উজ্জ্বল কৰি তুলিছে। পৌৰাণিক কথা অনুসৰি, যেতিয়া মহিষাসুৰ নামৰ অসুৰৰ অত্যাচাৰে দেৱতাসকলক অতিষ্ঠ কৰি তুলিছিল, তেতিয়া সকলো দেৱতাৰ শক্তি একত্ৰিত হৈ মা দুৰ্গাৰ সৃষ্টি হৈছিল। এই কাহিনীৰ মাজত লুকাই আছে এক গভীৰ দাৰ্শনিক তাৎপৰ্য, যিয়ে আমাক শিকায় যে শক্তি কেৱল এককভাৱে নহয়, বৰঞ্চ সামূহিক ঐক্য আৰু সহযোগিতাৰ মাধ্যমে অধিক শক্তিশালী আৰু প্ৰভাৱশালী হৈ উঠে। মা দুৰ্গাৰ সৃষ্টিৰ এই কাহিনীয়ে আমাক সোঁৱৰাই দিয়ে যে নাৰীশক্তি তেতিয়াহে সম্পূৰ্ণৰূপে প্ৰকাশ পায়, যেতিয়া সমাজৰ সকলো স্তৰৰ মানুহে তেওঁলোকৰ ক্ষমতাক সন্মান, সমৰ্থন আৰু স্বীকৃতি প্ৰদান কৰে। তেওঁৰ সৃষ্টিৰ প্ৰতিটো দিশত নাৰীৰ স্বাধীনতা, সাহস আৰু নিৰ্ভীকতাৰ প্ৰতিচ্ছবি স্পষ্টভাৱে দেখা যায়। এই কাহিনীৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীশক্তি কেৱল শাৰীৰিক ক্ষমতাৰ মধ্যত সীমাবদ্ধ নহয়, বৰঞ্চ ই মানসিক, আধ্যাত্মিক আৰু সামাজিক শক্তিৰ এক অনন্য সংমিশ্ৰণ। এই শক্তিয়ে নাৰীক জীৱনৰ প্ৰতিটো প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ প্ৰেৰণা দিয়ে আৰু তেওঁলোকক নিজৰ স্থান দৃঢ়তাৰে ধৰি ৰাখিবলৈ সক্ষম কৰে। মা দুৰ্গাৰ এই উৎপত্তিৰ কাহিনীয়ে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তি সামূহিক সহযোগিতা আৰু সন্মানৰ মাধ্যমে অধিক শক্তিশালী হৈ উঠে। এই কাহিনীৰ গভীৰতা আমাক সমাজত নাৰীৰ ভূমিকাৰ গুৰুত্বৰ ওপৰত গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰে। তেওঁৰ এই সৃষ্টিৰ কাহিনীয়ে নাৰীৰ স্বাধীনতা আৰু শক্তিৰ সৰ্বজনীন তাৎপৰ্যক উজ্জ্বল কৰি তুলিছে, যিয়ে সমাজৰ প্ৰতিটো স্তৰত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। এই কাহিনীৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীশক্তি কেৱল ব্যক্তিগত ক্ষমতাৰ প্ৰকাশ নহয়, বৰঞ্চ ই সমাজৰ সামগ্ৰিক উন্নতিৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁৰ এই শক্তিৰ প্ৰকাশে আমাক সমাজত নাৰীৰ ক্ষমতাৰ সন্মান আৰু সমৰ্থনৰ গুৰুত্বৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে।

মা দুৰ্গাৰ দশ হাতৰ প্ৰতীকী তাৎপৰ্য অতি গভীৰ, বহুমুখী আৰু নাৰীশক্তিৰ সৰ্বজনীন প্ৰকাশৰ এক অনন্য দিশ। প্ৰতিটো হাতত ধাৰণ কৰা অস্ত্ৰই জীৱনৰ বিভিন্ন দিশৰ প্ৰতিনিধিত্ব কৰে আৰু নাৰীৰ বহুমুখী ক্ষমতাৰ প্ৰকাশ ঘটায়। এই অস্ত্ৰবোৰ কেৱল যুদ্ধৰ সঁজুলি নহয়, বৰঞ্চ জীৱনৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ নাৰীৰ মাজত থকা বিভিন্ন গুণৰ প্ৰতীক। ত্ৰিশূল, যিটো তেওঁৰ হাতত ধাৰণ কৰা এটা প্ৰধান অস্ত্ৰ, শক্তি, সাহস আৰু জ্ঞানৰ প্ৰতীক। ইয়াৰ তিনিটা শাখাই সৃষ্টি, সুৰক্ষা আৰু সংহাৰৰ ত্ৰিমুখী শক্তিৰ প্ৰকাশ ঘটায়, যিয়ে নাৰীৰ সেই ক্ষমতাক সূচায়, যিয়ে জীৱনৰ তিনিটা প্ৰধান দিশৰ মাজত



ভাৰসাম্য ৰক্ষা কৰিব পাৰে। একেদৰে, চক্ৰই সময়ৰ অবিৰাম গতি আৰু জীৱনৰ চক্ৰীয় প্ৰকৃতিৰ প্ৰতিনিধিত্ব কৰে, যিয়ে নাৰীৰ সেই ক্ষমতাক বুজায়, যিয়ে জীৱনৰ পৰিৱৰ্তনশীল পৰিস্থিতিৰ সৈতে খাপ খুৱাই ল'ব পাৰে। এই অস্ত্ৰবোৰৰ মাধ্যমেৰে মা দুৰ্গাই আমাক শিকায় যে নাৰীৰ শক্তি বহুমুখী আৰু সৰ্বগ্ৰাসী। তেওঁলোকৰ এই শক্তিয়ে কেৱল শাৰীৰিক ক্ষমতাৰ মধ্যত সীমাবদ্ধ নহয়, বৰঞ্চ ইয়াৰ মাজত মানসিক দৃঢ়তা, আধ্যাত্মিক গভীৰতা আৰু সামাজিক দায়িত্বৰ ভাৰসাম্য ৰক্ষাৰ ক্ষমতাও অন্তৰ্ভুক্ত। এই বহুমুখী শক্তিয়ে নাৰীক সমাজৰ এক গুৰুত্বপূৰ্ণ স্তমভ হিচাপে প্ৰতিষ্ঠা কৰে। তেওঁৰ এই দশ হাতৰ প্ৰতীকৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল একক দিশত সীমাবদ্ধ নহয়, বৰঞ্চ ই জীৱনৰ প্ৰতিটো ক্ষেত্ৰত প্ৰকাশ পাব পাৰে। তেওঁৰ এই ৰূপে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ মাজত থকা শক্তিয়ে সমাজৰ প্ৰতিটো দিশত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। এই প্ৰতীকৰ গভীৰতা আমাক নাৰীশক্তিৰ সৰ্বজনীন তাৎপৰ্যৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে। তেওঁৰ এই শক্তিৰ প্ৰকাশে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰো।

সিংহ হৈছে শক্তি, সাহস আৰু নিৰ্ভীকতাৰ প্ৰতীক, যিয়ে নাৰীৰ সেই ক্ষমতাক বুজায়, যিয়ে জীৱনৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ নিৰ্ভীকভাৱে আগবাঢ়িব পাৰে। এই প্ৰতীকৰ মাধ্যমেৰে মা দুৰ্গাই আমাক শিকায় যে জীৱনৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সাহস আৰু নিৰ্ভীকতাৰ প্ৰয়োজন। তেওঁৰ এই ৰূপে নাৰীৰ মাজত থকা সেই শক্তিৰ কথা সোঁৱৰাই দিয়ে, যিয়ে তেওঁলোকক যিকোনো পৰিস্থিতিত নিজৰ স্থান দৃঢ়তাৰে ধৰি ৰাখিবলৈ সক্ষম কৰে। সিংহৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণে এই কথা বুজায় যে নাৰীৰ শক্তি কেৱল নিজৰ বাবেই নহয়, বৰঞ্চ সমাজৰ সুৰক্ষা আৰু কল্যাণৰ বাবেও ব্যৱহাৰ হ'ব পাৰে। তেওঁৰ এই নিৰ্ভীক ৰূপে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তি সামাজিক ন্যায় আৰু ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত এক অপৰিহাৰ্য শক্তি। এইশক্তিয়েনাৰীক এক স্বাধীন আৰু শক্তিশালী সত্তা হিচাপে প্ৰতিষ্ঠা কৰে, যিয়ে সমাজৰ প্ৰতিটো দিশত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। তেওঁৰ এই প্ৰতীকৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল ব্যক্তিগত ক্ষমতাৰ মধ্যত সীমাবদ্ধ নহয়, বৰঞ্চ ই সমাজৰ সামগ্ৰিক উন্নতিৰ এক গুৰুত্বপূৰ্ণ অংশ। এই প্ৰতীকৰ গভীৰতা আমাক নাৰীশক্তিৰ সৰ্বজনীন তাৎপৰ্যৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে। তেওঁৰ এই শক্তিৰ প্ৰকাশে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়িতুলিব পাৰো।

মা দুৰ্গাৰ পূজাৰ মাধ্যমেৰে আমি নাৰীশক্তিৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে তেওঁলোকৰ ক্ষমতাৰ প্ৰতি সচেতনতা বৃদ্ধি কৰোঁ। দুৰ্গা পূজা কেৱল এক ধৰ্মীয় উৎসৱ নহয়, বৰঞ্চ ই এক সামাজিক আৰু সাংস্কৃতিক বাৰ্তাৰ বাহক। এই পূজাৰ মাধ্যমেৰে আমি নাৰীৰ শক্তি, সাহস আৰু সৃষ্টিশীলতাক উদযাপন কৰোঁ। এই উৎসৱে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তি সমাজৰ প্ৰতিটো দিশত গুৰুত্বপূৰ্ণ। তেওঁলোকৰ এই শক্তিয়ে সমাজৰ ভাৰসাম্য ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মা দুৰ্গাৰ পূজাৰ মাধ্যমেৰে আমি নাৰীৰ প্ৰতি থকা সকলো সীমাবদ্ধতা আৰু পক্ষপাতিত্বৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰেৰণা লাভ কৰোঁ। এই পূজাৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল তেওঁলোকৰ নিজৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ সমাজৰ কল্যাণৰ বাবেও অপৰিহাৰ্য। তেওঁৰ এই পূজাৰ মাধ্যমেৰে আমি নাৰীশক্তিৰ সৰ্বজনীন তাৎপৰ্যৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা লাভ কৰোঁ। এই উৎসৱে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰো। তেওঁৰ এই পূজাৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল ব্যক্তিগত ক্ষমতাৰ মধ্যত সীমাবদ্ধ নহয়, বৰঞ্চ ই সমাজৰ সামগ্ৰিক উন্নতিৰ এক গুৰুত্বপূৰ্ণ অংশ।



হিমাংশু ৰঞ্জন ভূঞা

মা দুৰ্গাৰ শক্তিৰ প্ৰকাশ কেৱল যুদ্ধৰ মাধ্যমেৰেই নহয়, তেওঁৰ সৃষ্টিশীলতা আৰু সুৰক্ষাৰ ক্ষমতাৰ মাধ্যমেও প্ৰকাশ পায়। তেওঁ এগৰাকী মাতৃৰূপী দেৱী, যিয়ে নিজৰ সন্তানৰ দৰে সমাজক সুৰক্ষা দিয়ে। তেওঁৰ এই মাতৃৰূপে আমাক শিকায় যে নাৰীৰ শক্তি কেৱল ধ্বংসাত্মক নহয়, বৰঞ্চ ই সৃষ্টিশীল আৰু পুষ্টিকৰ। তেওঁৰ এই গুণে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ মাজত থকা শক্তিয়ে সমাজৰ প্ৰতিটো দিশত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। তেওঁৰ এই সৃষ্টিশীল শক্তিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি কৰে। মা দুৰ্গাৰ এই ৰূপে আমাক শিকায় যে নাৰীৰ শক্তি কেৱল নিজৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ সমাজৰ কল্যাণৰ বাবেও ব্যৱহাৰ হ'ব পাৰে। তেওঁৰ এই শক্তিৰ প্ৰকাশে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰো।

মা দুৰ্গাৰ যুদ্ধ অসুৰৰ বিৰুদ্ধে নহয়, বৰঞ্চ অন্যায়, অত্যাচাৰ আৰু অশুভ শক্তিৰ বিৰুদ্ধে। তেওঁৰ এই ন্যায়পৰায়ণতাই আমাক শিকায় যে নাৰীৰ শক্তি কেৱল নিজৰ স্বাৰ্থৰ বাবে নহয়, বৰঞ্চ সমাজৰ ন্যায় প্ৰতিষ্ঠাৰ বাবেও ব্যৱহাৰ হ'ব পাৰে। তেওঁৰ এই গুণে নাৰীক এক শক্তিশালী সামাজিক সত্তা হিচাপে প্ৰতিষ্ঠা কৰে, যিয়ে সমাজৰ প্ৰতিটো দিশত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। মা দুৰ্গাৰ এই ৰূপে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তি কেৱল তেওঁলোকৰ নিজৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ সমাজৰ কল্যাণৰ বাবেও অপৰিহাৰ্য। তেওঁৰ এই শক্তিৰ প্ৰকাশে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰো।

প্ৰকৃতপক্ষে, মা দুৰ্গাৰ মাধ্যমেৰে আমি নাৰীশক্তিৰ সৰ্বজনীনতা বুজিব পাৰো। তেওঁৰ শক্তি কেৱল এক ধৰ্মীয় প্ৰতীকত সীমাবদ্ধ নহয়, বৰঞ্চ ই এক সামাজিক আৰু সাংস্কৃতিক বাৰ্তাৰ বাহক। তেওঁৰ এই শক্তিয়ে আমাক শিকায় যে নাৰীৰ মাজত থকা সম্ভাৱনা অপৰিসীম। তেওঁলোকৰ এই শক্তিয়ে সমাজৰ প্ৰতিটো দিশত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। মা দুৰ্গাৰ প্ৰতীকৰ মাধ্যমেৰে আমি বুজিব পাৰো যে নাৰীৰ শক্তি কেৱল তেওঁলোকৰ নিজৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ সমাজৰ কল্যাণৰ বাবেও অপৰিহাৰ্য। তেওঁৰ এই শক্তিয়ে আমাক সোঁৱৰাই দিয়ে যে নাৰীৰ শক্তিৰ সন্মান আৰু সমৰ্থনৰ জৰিয়তে আমি এক সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তুলিব পাৰো। তেওঁৰ এই প্ৰতীকৰ গভীৰতা আমাক নাৰীশক্তিৰ সৰ্বজনীন তাৎপৰ্যৰ ওপৰত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে।

# দুৰ্গোৎসৱ আৰু বৃক্ষপূজা

**দু**ৰ্গাপূজা হ'ল দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে অনুষ্ঠিত কৰা এক ধৰ্মীয় উৎসৱ। দুৰ্গোৎসৱ দেৱী দুৰ্গাৰ শক্তি ৰূপৰ উপাসনাৰ লগতে সামাজিক তথা ধৰ্মীয় পৰম্পৰাৰ এক গুৰুত্বপূৰ্ণ অংশ। দুৰ্গোৎসৱৰ লগত সংযুক্ত হৈ থকা এক পৰম্পৰা হৈছে বৃক্ষ পূজন, যি সম্পূৰ্ণ শ্ৰদ্ধা আৰু বিশ্বাসৰ লগত জড়িত। দুৰ্গোৎসৱত বৃক্ষপূজনৰ লৌকিক প্ৰথা পুৰণি দিনৰে পৰা প্ৰচলিত হৈ আহিছে। য'ত গছক দেৱতা ৰূপে পূজা কৰা হয় আৰু প্ৰকৃতিৰ প্ৰতি মানুহৰ ভক্তি আৰু শ্ৰদ্ধাৰ প্ৰতীক হিচাপে এই পূজা কৰা হয়। উল্লেখ্য যে গছক দেৱতা জ্ঞান কৰি পূজা কৰাৰ পৰম্পৰা পশ্চিমবংগৰ গাঁও অঞ্চল সমূহত পূৰ্বৰে পৰা পৰম্পৰা হিচাপে চলি আহিছে। এই বৃক্ষ পূজনৰ এক বিশেষ বিশেষত্ব আছে। কথিত আছে যে মহামায়া দুৰ্গাই প্ৰকৃতিত শস্যৰ ৰূপ ধৰি মানুহৰ ভোক দূৰ কৰে। বৃক্ষ পূজনৰ তাত্ত্বিক দিশটোও এয়াই। অৰ্থাৎ প্ৰকৃতি অবিহনে জীৱকুল নিঃশেষ, অচল হৈ পৰিব আৰু সেয়ে প্ৰকৃতিক আমি পূজা কৰা উচিত বা ইয়াৰ ৰক্ষণাবেক্ষণ কৰা উচিত। সেয়ে দুৰ্গাপূজাত বৃক্ষক পূজা কৰাৰ এক পৰম্পৰা পৰম্পৰাগত ভাৱে চলি আহিছে যাতে বৃক্ষই মানৱ জীৱনক কৰা উপকাৰ বা প্ৰকৃতিৰ ওপৰত মানৱৰ প্ৰভাৱৰ কথা উপলব্ধি কৰিবলৈ সক্ষম হয়। দুৰ্গাপূজাত সেয়ে বৃক্ষ পূজনক বিশেষ মহত্ত্ব আৰু গুৰুত্ব প্ৰদান কৰা হয়। ষষ্ঠীৰ দিনা যি অকাল বোধনেৰে দেৱী পূজা আৰম্ভ হয় সেইদিনা বেল পাতেৰে পূজা আৰম্ভ কৰা হয় আৰু সপ্তমীৰ দিনা কল গছক দেৱী ৰূপে কল্পনা কৰি পূজা কৰা হয়। প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাসৰ প্ৰতীক এই বৃক্ষ পূজাৰ পৰম্পৰাই প্ৰকৃতিৰ সৈতে মানুহৰ গভীৰ সংযোগ তথা শক্তিৰ উৎস হিচাপে গছ-গছনিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা কথাকে সূচায়। এই পূজাৰ তাৎপৰ্য হৈছে প্ৰকৃতিৰ গুৰুত্ব অনুধাৱন কৰা। কেৱল যে দুগোৎসৱতহে বৃক্ষ পূজন পৰম্পৰা প্ৰচলিত আছে তেনে নহয় হিন্দু ধৰ্মত প্ৰায়বোৰ উৎসৱতে বৃক্ষ পূজন কৰা হয়। বৃক্ষ পূজাৰ ব্যাপক প্ৰচলনে এই কথাই প্ৰমাণ কৰে যে এই ধৰ্মত ঈশ্বৰ বা আন দেৱ-দেৱীক পূজা কৰাৰ দৰেই প্ৰকৃতিকো সদায় শ্ৰদ্ধা কৰা হয়। ঈশ্বৰ, দেৱ-দেৱীৰ দৰে প্ৰকৃতিও সদায়ে আৰাধ্য। বৃক্ষ পূজন যি পদ্ধতিৰেই কৰা নহওক কিয়, ই মূলতঃ প্ৰকৃতি সংৰক্ষণৰ বাৰ্তাই প্ৰেৰণ কৰে। উল্লেখ্য যে দুৰ্গোৎসৱৰ মাধ্যমেৰে মানুহে ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ লগতে গছ-পাতৰ পবিত্ৰতা তথা গুৰুত্ব উপলব্ধি কৰাবলৈ যত্ন কৰা হয়। প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক তথা প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা প্ৰেৰণ কৰা দুৰ্গোৎসৱৰ এই বৃক্ষ পূজন পৰম্পৰা কেৱল এক পৰম্পৰা হৈয়ে ৰ'ব যদিহে আমি এই মহান বাৰ্তাটিৰ গূঢ়াৰ্থ অনুধাৱন কৰিব নোৱাৰো। কিয়নো, বৃক্ষ পূজন কেৱল এক ধৰ্মীয় পৰম্পৰা নহয়, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল তথা কৃতজ্ঞতা প্ৰকাশ ইয়াৰ মূল উদ্দেশ্য বা লক্ষ্য। কিন্তু পুৰণি এই প্ৰতীক ধৰ্মী পৰম্পৰাৰ আঁৰত নিহিত হৈ থকা উদ্দেশ্য অনুধাৱন কৰাত আমি যেন ব্যৰ্থ হৈছো। কেৱল পূজাত ব্যৱহৃত গছ-গছনি সমূহেই যে আমি ৰক্ষা কৰিব লাগিব বা লাগে এনে নহয়, প্ৰকৃতিৰ প্ৰতি জোপা গছ ৰক্ষা কৰাটো আমাৰ পৰম কৰ্তব্য আৰু নৈতিক দায়িত্ব। কিন্তু দুখৰ কথা প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ, কৃতজ্ঞ হ'বলৈ আমি আজিও শিকা নাই বা এই বিষয়ে আমি সচেতনো নহয়। কিন্তু প্ৰতি বছৰে উদ্‌যাপিত হৈ অহা দুৰ্গোৎসৱ বা আন বহু উৎসৱে কিন্তু পৰোক্ষভাৱে আমাক এই বাৰ্তাই প্ৰেৰণ কৰি আহিছে।

নিবেদিতা হাজৰিকা

# দেৱীৰ বন্দনাৰ পৰা নাৰীৰ সন্মানলৈ সমাজৰ দৃষ্টিভংগীৰ এক প্ৰশ্ন

**কানুপ্ৰিয়া ডেকা**

**শ**ৰতৰ স্নিগ্ধ আকাশত যেতিয়া কঁহুৱাৰ শুভ্ৰ আভাই প্ৰকৃতিৰ বুকুত মায়াৱী সৌন্দৰ্যৰ পৰশ বুলাই যায়, শেৱালিৰ সুবাসে যেতিয়া পুৱাৰ নিয়ৰসিক্ত বতাহত এক অনন্য পৱিত্ৰতাৰ সৃষ্টি কৰে, তেতিয়াই ধৰাৰ বুকুলৈ আগমন ঘটে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ। শংখৰ ধ্বনি, উৰুলিৰ মাংগলিক সুৰ আৰু ধূপ-ধূনাৰ সুগন্ধিৰ মাজত মুখৰিত হৈ পৰে সমগ্ৰ ধৰাৰ পৰিৱেশ। মৃণ্ময়ী প্ৰতিমাৰ মাজত চিন্ময়ী শক্তিৰ সন্ধান কৰি মানুহে আৰাধনা কৰে নাৰীশক্তিৰ এক চিৰন্তন ৰূপক। কিন্তু এই উৎসৱমুখৰ পৰিৱেশৰ মাজতেই এক গভীৰ প্ৰশ্নই নীৰৱে আত্মপ্ৰকাশ কৰে—যি সমাজে দেৱীক শক্তিৰূপে বন্দনা কৰে, সেই একেখন সমাজতে জীৱন্ত নাৰীয়ে নিজৰ প্ৰাপ্য সন্মান আৰু মৰ্যাদা লাভ কৰিছেনে?

দেৱী দুৰ্গা কেৱল এক ধৰ্মীয় প্ৰতিমা নহয়; তেওঁ অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ প্ৰতীক, অশুভ শক্তিৰ বিনাশকাৰিণী আৰু ন্যায় প্ৰতিষ্ঠাৰ চিৰন্তন প্ৰেৰণা। পৌৰাণিক আখ্যানত মহিষাসুৰৰ অত্যাচাৰৰ অৱসান ঘটাই দেৱীয়ে যিদৰে ধৰাৰ বুকুত শান্তি আৰু ন্যায়ৰ প্ৰতিষ্ঠা কৰিছিল, সেইদৰে বৰ্তমান যুগৰ নাৰীয়েও জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে অসংখ্য প্ৰত্যাহ্বানৰ সৈতে যুঁজ দি নিজৰ অস্তিত্ব প্ৰতিষ্ঠা কৰিবলৈ অহৰহ প্ৰয়াস চলাই আহিছে। দেৱীৰ দশভুজা যেন আধুনিক নাৰীৰ বহুমুখী প্ৰতিভা, কৰ্মদক্ষতা, সাহস আৰু দায়িত্ববোধৰেই এক প্ৰতীকী প্ৰতিচ্ছবি।

সময়ৰ সোঁতত সমাজৰ পৰিৱৰ্তন ঘটিছে। নাৰী আজি কেৱল চাৰিবেৰৰ মাজত আবদ্ধ হৈ থকা এক সত্তা নহয়। শিক্ষা, বিজ্ঞান, সাহিত্য, ৰাজনীতি, চিকিৎসা, প্ৰযুক্তি, ক্ৰীড়া, প্ৰশাসন তথা মহাকাশ গৱেষণালৈকে প্ৰতিটো ক্ষেত্ৰতে নাৰীয়ে নিজৰ কৰ্মদক্ষতাৰ স্বাক্ষৰ বহন কৰিছে। যি হাতত এদিন কেৱল সংসাৰৰ দায়িত্ব অৰ্পণ কৰা হৈছিল, সেই হাততেই আজি জ্ঞান-বিজ্ঞানৰ নতুন দিগন্ত উন্মোচনৰ সামৰ্থ্য আছে। তেওঁ কেতিয়াবা মাতৃৰ স্নেহময়ী আঁচল, কেতিয়াবা কৰ্মক্ষেত্ৰৰ দৃঢ় নেতৃত্ব, আকৌ কেতিয়াবা অন্যায়ৰ বিৰুদ্ধে থিয় দিয়া এক প্ৰতিবাদী কণ্ঠ। নাৰীৰ এই বহুৰূপী সত্তাই প্ৰমাণ কৰে যে শক্তিৰ কোনো নিৰ্দিষ্ট পৰিসীমা নাই।

কিন্তু এই প্ৰগতিৰ উজ্জ্বল ছবিখনৰ আঁৰত আজিও কিছুমান অন্ধকাৰ বাস্তৱতা বিদ্যমান। নাৰীৰ শিক্ষা আৰু স্বাৱলম্বিতাৰ কথা কোৱা সমাজখনতেই আজিও বহু নাৰীয়ে বৈষম্য, অৱহেলা, নিৰাপত্তাহীনতা আৰু সামাজিক সংকীৰ্ণতাৰ সন্মুখীন হ'বলগীয়া হয়। কন্যা সন্তানৰ জন্মত আনন্দ প্ৰকাশ কৰিলেও বহু পৰিয়ালত আজিও পুত্ৰ সন্তানৰ প্ৰতি অধিক আকাংক্ষা দেখা যায়। নাৰীৰ সফলতাক প্ৰশংসা কৰা হয়, অথচ বহু সময়ত তেওঁৰ স্বাধীন সিদ্ধান্তক সহজভাৱে গ্ৰহণ কৰা নহয়। তেওঁৰ প্ৰতিভাক স্বীকৃতি দিয়া হয়, কিন্তু ব্যক্তিস্বাধীনতাৰ ক্ষেত্ৰত আৰোপ কৰা হয় অলিখিত সামাজিক শিকলি। এয়া যেন সমাজৰ চিন্তাধাৰাৰ এক অন্তৰ্নিহিত বৈপৰীত্য।

দুৰ্গোৎসৱৰ সময়ত আমি দেৱীৰ হাতত অস্ত্ৰ দেখি শক্তিৰ বন্দনা কৰোঁ, কিন্তু বাস্তৱ জীৱনত এগৰাকী নাৰীয়ে নিজৰ অধিকাৰ আৰু আত্মসন্মান ৰক্ষাৰ বাবে কণ্ঠ উত্থাপন কৰিলে কিয় সমাজৰ একাংশই তেওঁক প্ৰশ্নৰ নিন্দাৰ পাত্ৰ কিয়? দেৱীৰ সিংহবাহিনী ৰূপক সাহসৰ প্ৰতীক হিচাপে গ্ৰহণ কৰোঁ, অথচ এগৰাকী নাৰীয়ে



নিজৰ জীৱনৰ সিদ্ধান্ত নিজে গ্ৰহণ কৰিব বিচাৰিলে কিয় তেওঁৰ চৰিত্ৰ, স্বাধীনতা আৰু ব্যক্তিত্বৰ বিচাৰ কৰা হয়? এই প্ৰশ্নবোৰ কেৱল নাৰীৰ নহয়; এইবোৰ এখন সভ্য সমাজৰ বিবেকৰ প্ৰতিও এক প্ৰত্যাহ্বান।

প্ৰকৃততে নাৰীৰ প্ৰতি সন্মান কেৱল উৎসৱৰ মণ্ডপত উচ্চাৰিত মন্ত্ৰ, আৰতিৰ শিখা অথবা ফুলৰ অঞ্জলিৰ মাজতেই সীমাবদ্ধ থাকিব নালাগে। ইয়াৰ প্ৰতিফলন ঘটিব লাগিব দৈনন্দিন জীৱনৰ আচৰণত, পাৰিবাৰিক সম্পৰ্কত, শিক্ষানুষ্ঠানত, কৰ্মক্ষেত্ৰত আৰু সামাজিক চিন্তাধাৰাত। এগৰাকী কন্যাক শিক্ষাৰ সমান সুযোগ প্ৰদান কৰা, এগৰাকী মাতৃৰ ত্যাগক স্বীকৃতি দিয়া, কৰ্মৰত নাৰীৰ দক্ষতাক মৰ্যাদা দিয়া আৰু প্ৰতিগৰাকী নাৰীৰ মতামতক গুৰুত্ব প্ৰদান কৰাটোৱেই হ'ব নাৰীসন্মানৰ প্ৰকৃত পৰিচয়।

নাৰী কোনো প্ৰতিযোগিতাৰ বিষয় নহয়, তেওঁ সমাজৰ অগ্ৰগতিৰ এক অবিচ্ছেদ্য আধাৰ। তেওঁৰ সপোনৰো আছে নিজস্ব আকাশ, তেওঁৰ আকাংক্ষাৰো আছে নিজস্ব দিগন্ত। তেওঁক কেৱল কাৰোবাৰ কন্যা, পত্নী, ভগ্নী অথবা মাতৃ হিচাপে পৰিচয় দিয়াৰ পৰিৱৰ্তে এগৰাকী স্বতন্ত্ৰ ব্যক্তি হিচাপেও স্বীকৃতি দিব লাগিব। কাৰণ নাৰীৰ পৰিচয় কেৱল সম্পৰ্কৰ পৰিধিত সীমাবদ্ধ নহয়; তেওঁৰ নিজস্ব চিন্তা, সৃষ্টিশীলতা, ব্যক্তিত্ব আৰু আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষাই তেওঁৰ অস্তিত্বক পূৰ্ণতা প্ৰদান কৰে।

ইয়াৰ সমান্তৰালকৈ নাৰীৰ আত্মশক্তিৰ জাগৰণো সমানেই প্ৰয়োজনীয়। অধিকাৰ লাভৰ বাবে আত্মবিশ্বাস, শিক্ষাৰ পোহৰ, অৰ্থনৈতিক স্বাৱলম্বিতা আৰু সচেতনতাৰ কোনো বিকল্প নাই। নাৰীয়ে নিজৰ সামৰ্থ্যক চিনিব লাগিব, নিজৰ সপোনক মৰ্যাদা দিব লাগিব আৰু অন্যায়ৰ সন্মুখত নীৰৱ হৈ থকাৰ পৰিৱৰ্তে যুক্তি আৰু সাহসেৰে নিজৰ স্থিতি প্ৰকাশ কৰিব লাগিব। কাৰণ আত্মসন্মান হৈছে সেই অদৃশ্য অলংকাৰ, যাৰ সৌন্দৰ্য কোনো বাহ্যিক আভৰণেৰে তুলনা কৰিব নোৱাৰি।

আনহাতে, নাৰীসন্মান প্ৰতিষ্ঠাৰ দায়িত্ব কেৱল নাৰীৰ ওপৰতেই অৰ্পণ কৰিব নোৱাৰি। এখন সুস্থ সমাজ নিৰ্মাণৰ বাবে পুৰুষ আৰু নাৰী উভয়ৰে সমান অংশগ্ৰহণ অপৰিহাৰ্য। পৰিয়ালৰ পৰাই আৰম্ভ হ'ব লাগিব সমতাৰ শিক্ষা। শিশুক শিকাব লাগিব যে নাৰী কোনো দুৰ্বল সত্তা নহয়, তেওঁ সমান মৰ্যাদা, অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰী। যি ঘৰত কন্যা আৰু পুত্ৰৰ মাজত বৈষম্য নাথাকে, যি সমাজত নাৰীৰ কণ্ঠক অৱদমিত কৰা নহয়, সেই সমাজতেই প্ৰকৃত অৰ্থত শক্তিৰ আৰাধনা সম্ভৱ হৈ উঠে।

দুৰ্গাপূজাৰ অন্তত যেতিয়া প্ৰতিমা বিসৰ্জনৰ জৰিয়তে মৃণ্ময়ী দেহৰ বিদায় ঘটে, তেতিয়া যেন আমাৰ মনত এক গভীৰ উপলব্ধিৰ জন্ম হয়, দেৱীৰ বিদায় ঘটে মণ্ডপৰ পৰা, কিন্তু তেওঁৰ শক্তিৰ আদৰ্শ আমাৰ জীৱনৰ পৰা বিদায় ল'ব নালাগে। দেৱীৰ হাতৰ ত্ৰিশূল কেৱল পৌৰাণিক অস্ত্ৰ নহয়, ই অন্যায়ৰ বিৰুদ্ধে থিয় দিয়াৰ সাহসৰ প্ৰতীক। তেওঁৰ সিংহবাহন কেৱল ঐশ্বৰিক মহিমাৰ পৰিচয় নহয়, ই নিৰ্ভীকতাৰ এক চিৰন্তন বাৰ্তা। সেয়েহে দেৱীৰ আৰাধনা তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া আমি জীৱন্ত নাৰীৰ চকুত নিৰাপত্তাৰ পোহৰ, মনত স্বাধীনতাৰ অনুভৱ আৰু জীৱনত আত্মসন্মানৰ অধিকাৰ নিশ্চিত কৰিব পাৰিম।

পৰিশেষত ক'ব পাৰি যে দেৱী দুৰ্গাৰ বন্দনা আৰু নাৰীৰ সন্মান দুটা পৃথক বিষয় নহয়; ই একেটা চেতনাৰ দুটা ভিন্ন প্ৰকাশ। এখন সমাজৰ প্ৰকৃত উন্নতি কেৱল সুউচ্চ অট্টালিকা, আধুনিক প্ৰযুক্তি অথবা অৰ্থনৈতিক সমৃদ্ধিৰে জুখিব নোৱাৰি; বৰং সেই সমাজে নাৰীক কিমান সন্মান, নিৰাপত্তা আৰু সমঅধিকাৰ প্ৰদান কৰিছে, তাৰ ওপৰতহে ইয়াৰ সভ্যতাৰ পৰিচয় নিৰ্ভৰ কৰে। যিদিনা প্ৰতিগৰাকী নাৰীয়ে ভয়হীনভাৱে নিজৰ সপোনৰ দিশে আগবাঢ়িব পাৰিব, যিদিনা তেওঁৰ অস্তিত্বক লৈ কোনো প্ৰশ্ন উত্থাপন নহ'ব, যিদিনা নাৰীৰ মৰ্যাদা কেৱল উৎসৱৰ দিনতে নহয়, প্ৰতিটো দিনতেই স্বীকৃত হ'ব— সেইদিনাহে দেৱী বন্দনাই প্ৰকৃত সাৰ্থকতা লাভ কৰিব। কাৰণ দেৱীক পূজা কৰাটো আমাৰ বিশ্বাস, কিন্তু জীৱন্ত নাৰীক সন্মান কৰাটো আমাৰ মানৱীয়তা।

*লেখিকাৰ ঠিকনা ঃ বৰপেটা, হাউলী*



# দুৰ্গতি নাশিনী দেৱী দুৰ্গা

**ৰঞ্জিতা শৰ্মা**

যা দেৱী সৰ্বভূতেষু
শক্তি ৰূপেণ সংস্থিতা।
নমতস্যৈ নমতস্যৈ
নমতস্যৈ
নমো নমঃ।।

দেৱী দুৰ্গা হিন্দু ধৰ্মৰ এগৰাকী উপাস্য দেৱী। দেৱী দুৰ্গাৰ অন্যান্য নামসমূহ হৈছেশাক্ত ধৰ্ম মতে দেৱী দুৰ্গা সৰ্বোচ্চ আৰাধ্য দেৱী। বৈষ্ণৱ ধৰ্মত দেৱী দুৰ্গাক ভগৱান বিষ্ণুৰ অনন্ত মায়া হিচাপে আখ্যা দিয়া হয়। শৈৱ ধৰ্মত দেৱী দুৰ্গাক শিৱৰ অৰ্ধাংগিনী পাৰ্বতী হিচাপে অৰ্চনা কৰা হয়। ভাগৱতত শ্ৰীকৃষ্ণৰ যোগমায়াকেই দুৰ্গা আখ্যা দিয়া হৈছে, যি হৰি সহায়িনী আৰু হৰি ভক্তি প্ৰদায়িনী। মা দুৰ্গাৰ বৰ্ণনা মহাভাৰতৰ বিৰাট পৰ্ব আৰু ওঁঠৰখন পুৰাণত পোৱা যায়।

মহিষাসুৰ বধৰ বাবে দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ। এক বিশেষ ক্ষণত সমগ্ৰ দেৱতাৰ তেজৰ বিনিময়ত দেৱী দুৰ্গাৰ সৃষ্টি হৈছিল। অসুৰ বধৰ বাবে দেৱতাসকলৰ পুঞ্জীভূত তেজোৰাশিৰে।

দুৰ্গা দেৱীৰ ভিন্ন ভিন্ন অৱতাৰসমূহ হ'ল— কালিকা, নন্দা, ভ্ৰামৰী, সাকম্ভৰী, ৰক্তদন্তিকা, সতী, পাৰ্বতী, কৌশিকী ইত্যাদি। সত্যযুগত ৰজা সুৰথে বসন্ত কালত দেৱী দুৰ্গাক পূজা কৰাৰ কথা পোৱা যায়। শ্ৰীশ্ৰী চণ্ডীশাস্ত্ৰত উল্লেখ আছে যে ৰজা সুৰথে দেৱী দুৰ্গাক পূজা কৰি ইহজন্ম আৰু পৰজন্মত অতি সুখে-সন্তোষে ৰাজ্য ভোগ কৰে। কালিকা পুৰাণৰ মতে, ৰামচন্দ্ৰই শৰৎকালত দুৰ্গা পূজা কৰিছিল। দুৰ্গা পূজা কৰি ৰামচন্দ্ৰই দেৱীৰ বৰ লাভ কৰে আৰু ৰাৱণক বধ কৰিবলৈ সমৰ্থ হয়। শৰৎকাল দেৱতাসকলৰ নিদ্ৰাৰ সময়। সেয়েহে এই সময় দেৱ-দেৱীৰ আহ্বানৰ সময় নহয়। তথাপি ৰামচন্দ্ৰই ব্ৰহ্মাৰ পৰামৰ্শ মতে ৰাৱণ বিনাশৰ বাবে অসময়তে দেৱীক জাগ্ৰত কৰিছিল, বোধন কৰিছিল আৰু আৰাধনা কৰিছিল। সেইবাবে শাৰদীয় দুৰ্গা পূজাক অকালবোধন বোলা হয়। ৰামচন্দ্ৰই কৰা দুৰ্গা পূজাৰ পৰাই পাছলৈ শৰৎকালত দুৰ্গা পূজা কৰা হয়। অৱশ্যে ঠাইবিশেষে বসন্তকালীন দুৰ্গা পূজাও কৰা হয়। শাস্ত্ৰ অনুসৰি আহিন মাহৰ শুক্লপক্ষত বা চ'ত মাহৰ শুক্লপক্ষত দুৰ্গা পূজা পালন কৰা হয়। চ'ত অৰ্থাৎ বসন্তকালৰ দুৰ্গা পূজাক বাসন্তী পূজা বোলা হয়। আহিন অৰ্থাৎ শৰৎকালৰ দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা বোলা হয়। পূজা-পাৰ্বণৰ আচাৰ-নীতি আদি প্ৰাচীন ভাৰতীয় বৈদিক সাহিত্যত পোৱা যায়। পূজা-কৰ্মত মন্ত্ৰৰ ব্যৱহাৰ, জীৱ-জন্তুৰ বলি-বিধান ইত্যাদি বৈদিক সাহিত্যত পোৱা যায়। স্ত্ৰী পূজা তথা শক্তি পূজাৰ মূল এই বৈদিক সাহিত্যই। দুৰ্গা পূজা বৈদিক পূজা। এই পূজাত বেদৰ পৰা যিদৰে অনেক মন্ত্ৰ আছে, সেইদৰে তন্ত্ৰৰ পৰাও বহুতো মন্ত্ৰ লোৱা হৈছে। সাধাৰণতে তিনিখন পুৰাণ অনুসৰি দুৰ্গা পূজা অনুষ্ঠিত হয়। সেই পুৰাণকেইখন হ'ল— বৃহন্নন্দিকেশ্বৰ, দেৱী পুৰাণ আৰু কালিকা পুৰাণ।

শাৰদীয় দুৰ্গা পূজাত আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্তি প্ৰতিষ্ঠা কৰি বেলবোধনৰ দ্বাৰা পূজা আৰম্ভ কৰা হয়। সেইকেইদিন পূজাৰীসকলে ব্ৰতত থাকি পূজা কৰে। ভক্তসকলে ভক্তিভাৱেৰে নানা বস্তু, বস্ত্ৰ, চাকি, ধূপ, ধূনা আৰু শৰাই আগবঢ়াই শান্তি কামনা কৰে। ষষ্ঠী তিথিৰ পৰা দেৱী দুৰ্গাক স্তুতি কৰা হয়। দশমী তিথিৰ দিনা দেৱী দুৰ্গাৰ পূজা শেষ হোৱাৰ পিছত দেৱী দুৰ্গাক বিসৰ্জন দিয়া হয়। সকলোৱে মন-প্ৰাণ সুখেৰে ভৰি পৰে।

দেৱী দুৰ্গাই আসুৰিক শক্তি বিনাশ কৰি জগতত শান্তি প্ৰতিষ্ঠা কৰে।

*লেখিকাৰ ঠিকনা ঃ মঙলদৈ, টেঙাবাৰী*

# দেৱী দুৰ্গাৰ দশভুজা আৰু আধুনিক নাৰীৰ বহুমুখী সম্ভাৱনা



**নলিনী ৰঞ্জন ভূঞা**

**শা**ৰদীয় ঋতুৰ আগমনৰ লগে লগে সমগ্ৰ ভাৰতবৰ্ষ যেন এক অনন্য আধ্যাত্মিক আৰু সাংস্কৃতিক আবেশেৰে মুখৰিত হৈ উঠে। শৰতৰ শুভ্ৰ আকাশ, শেৱালিৰ সুবাস, কঁহুৱাৰ শুভ্ৰতা আৰু উৎসৱৰ ৰঙেৰে সজীৱ হৈ পৰা এই সময়ছোৱাত ষষ্ঠীৰ পৰা দশমীলৈকে চলা দুৰ্গোৎসৱে লাভ কৰে এক বিশেষ মহিমা। ধূপ-ধূনাৰ সুগন্ধ, ঢাকৰ বাদ্য, শংখধ্বনি আৰু উৰুলিৰ মাজেৰে দেশৰ বিভিন্ন প্ৰান্তত শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ আৰাধনা আড়ম্বৰপূৰ্ণভাৱে হয়। এই দুৰ্গাপূজা কেৱল এক ধৰ্মীয় উৎসৱ নহয়। ইয়াৰ অন্তৰালত নিহিত হৈ আছে ভাৰতীয় সমাজ-চেতনাত গভীৰভাৱে শিপাই থকা শক্তি, সাহস, ন্যায় আৰু অশুভৰ বিৰুদ্ধে শুভৰ চিৰন্তন বিজয়ৰ দাৰ্শনিক তত্ত্ব।

পৌৰাণিক ভাৰতীয় পৰম্পৰাত দেৱী দুৰ্গাৰ মাহাত্ম্য অতি গভীৰ আৰু বহুমাত্ৰিক। শাক্ত ধৰ্মৰ উপাস্য দেৱীসকলৰ ভিতৰত আদ্যাশক্তি মহামায়া দুৰ্গাৰ স্থান অনন্য। পুৰাণৰ কাহিনীত তেওঁ কেতিয়াবা উগ্ৰচণ্ডী, কেতিয়াবা ভদ্ৰকালী, কেতিয়াবা পাৰ্বতী, গৌৰী, অম্বা, মীনাক্ষী, ত্ৰিপুৰাসুন্দৰী বা ভুৱনেশ্বৰী ৰূপে প্ৰকাশিত হৈছে। ইয়াত ৰূপ বেলেগ, নাম বেলেগ, পৰিস্থিতি বেলেগ যদিও অন্তৰ্নিহিত শক্তি কিন্তু একেই। সেই শক্তিয়েই হৈছে সৃষ্টিৰ, সংৰক্ষণৰ, প্ৰতিবাদৰ আৰু অশুভ বিনাশৰ শক্তি। শাৰদীয় দেৱী দুৰ্গাৰ মহিষাসুৰমৰ্দিনী ৰূপ এই শক্তিৰেই এক চিৰস্মৰণীয় প্ৰতীক। দেৱী মাহাত্ম্যৰ কাহিনী অনুসৰি, মহিষাসুৰক বধ কৰি ধৰ্ম আৰু সত্যক প্ৰতিষ্ঠা কৰিবলৈ দেৱতাসকলৰ সন্মিলিত দৈৱিক শক্তিৰ পৰা মহাশক্তি দুৰ্গাৰ আৱিৰ্ভাৱ ঘটে। সেইবাবেই দেৱী দুৰ্গাৰ ৰূপৰ প্ৰতিটো অংগ, প্ৰতিটো অস্ত্ৰ আৰু প্ৰতিটো চিহ্নৰ মাজত গভীৰ আধ্যাত্মিক আৰু প্ৰতীকী তাৎপৰ্য নিহিত হৈ আছে।

দেৱী দুৰ্গাৰ ত্ৰিনয়ন বা তিনিটা চকুৰ মাজতো নিহিত হৈ আছে গভীৰ প্ৰতীকী তাৎপৰ্য। হিন্দু ধৰ্মীয় পৰম্পৰাত দেৱীৰ সোঁ চকুক সূৰ্য, বাওঁ চকুক চন্দ্ৰ আৰু কপালৰ তৃতীয় চকুক অগ্নিৰ সৈতে তুলনা কৰা হয়।

সূৰ্য কৰ্ম, শক্তি আৰু সক্ৰিয়তাৰ প্ৰতীক। চন্দ্ৰ শান্তি, কোমলতা আৰু অনুভূতিৰ প্ৰতীক। আনহাতে তৃতীয় নয়নক জ্ঞান, অন্তৰ্দৃষ্টি আৰু চেতনাৰ প্ৰতীক হিচাপে ব্যাখ্যা আগবঢ়োৱা হয়। অৰ্থাৎ দেৱীৰ ত্ৰিনয়নৰ মাজেৰে শক্তিৰ এক সমন্বিত ৰূপ প্ৰকাশ পায়- য'ত কৰ্মৰ দৃঢ়তা, অনুভূতিৰ কোমলতা আৰু জ্ঞানৰ দীপ্তি একেলগে বিদ্যমান। কেৱল বাহুবলেই শক্তিৰ পূৰ্ণতা নহয়, শক্তিক সঠিক দিশত পৰিচালিত কৰিবলৈ প্ৰয়োজন বিবেক, জ্ঞান আৰু সংযম। এই অৰ্থত দেৱী দুৰ্গাৰ ত্ৰিনয়ন কেৱল পৌৰাণিক অলংকাৰ নহয়, বৰং শক্তি আৰু প্ৰজ্ঞাৰ সমন্বয়ৰ এক গভীৰ প্ৰতীক।

একেদৰে দেৱীৰ দশভুজাত শোভিত বিভিন্ন অস্ত্ৰ-শস্ত্ৰও কেৱল যুদ্ধৰ উপকৰণ নহয়। পৌৰাণিক বিশ্বাস অনুসৰি দেৱীৰ দহোখন হাতত শোভা পায় ক্ৰমে ত্ৰিশূল, সুদৰ্শন চক্ৰ, শংখ, গদা, ধনু-কাঁড়, তৰোৱাল, বজ্ৰ, পদুম ফুল, কালসৰ্প আৰু ঘণ্টা- যাৰ প্ৰতিটোৱেই শক্তি, জ্ঞান, আত্মসংযম, সংকল্প, সুৰক্ষা আৰু ন্যায়বোধৰ একো একোটি গভীৰ আধ্যাত্মিক প্ৰতীক। পৰম্পৰাগত ব্যাখ্যা অনুসৰি দেৱীৰ হাতত থকা চক্ৰ শক্তি আৰু সংহতিৰ প্ৰতীক। ত্ৰিশূলক সত্ত্ব, ৰজঃ আৰু তমঃ- প্ৰকৃতিৰ তিনিটা গুণৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। সত্ত্বই জ্ঞান আৰু ধৰ্মবোধক, ৰজঃই অহংকাৰ আৰু কৰ্মপ্ৰৱণতাক, আনহাতে তমঃই অন্ধকাৰ আৰু অজ্ঞানতাক প্ৰতিনিধিত্ব কৰে। শংখক অহংকাৰ বিনাশ আৰু পৱিত্ৰ ধ্বনিৰ প্ৰতীক হিচাপে ব্যাখ্যা কৰা হয়। শংখৰ পৱিত্ৰ ধ্বনিয়ে স্বৰ্গ, মৰ্ত্য আৰু নৰকৰ সকলো অপশক্তিক ভীত-বিহ্বল কৰি তোলে বুলি বিশ্বাস কৰা হয়। বজ্ৰ সংকল্পৰ দৃঢ়তা আৰু সংহতিৰ প্ৰতীক। সাপক বিশুদ্ধ চেতনাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। দেৱীৰ হাতত থকা গদা আনুগত্য, প্ৰেম আৰু ভক্তিৰ প্ৰতীক। ধনু-কাঁড় ধনাত্মক শক্তি আৰু লক্ষ্যৰ প্ৰতি একাগ্ৰতাৰ প্ৰতীক। তৰোৱাল প্ৰজ্ঞাৰ প্ৰতীক, ইয়াৰ জৰিয়তে অজ্ঞানতা, বৈষম্য আৰু অশুভ শক্তিক বিনাশ কৰাৰ তাৎপৰ্য প্ৰকাশ পায়। ইয়াৰ উপৰি, দেৱীৰ হাতত থকা ঘণ্টাৰ পৱিত্ৰ ধ্বনিয়ে অপশক্তিৰ বিনাশৰ সংকেত বহন কৰে। আনহাতে, পদুম ফুল জ্ঞান, পৱিত্ৰতা আৰু আধ্যাত্মিক চেতনাৰ উত্থানৰ প্ৰতীক। বোকাৰ মাজত থাকিও পদুমে যেনেকৈ নিৰ্মল আৰু পৱিত্ৰ ৰূপত বিকশিত হয়, তেনেদৰে মানুহেও জাগতিক বন্ধনৰ মাজতো জ্ঞান আৰু আধ্যাত্মিক চেতনাৰে নিজকে উন্নীত কৰিব পাৰে। এই গভীৰ বাৰ্তাই পদুমৰ প্ৰতীকী অৰ্থক অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে।

এইদৰে দেৱীৰ ত্ৰিনয়ন আৰু দশভুজা মিলি শক্তিৰ এক পূৰ্ণাঙ্গ দৰ্শন প্ৰকাশ কৰে- য'ত বলৰ সৈতে জ্ঞান, সাহসৰ সৈতে সংযম, কৰ্মৰ সৈতে বিবেক আৰু শক্তিৰ সৈতে ন্যায়বোধৰ সমন্বয় ঘটে। সেয়ে দেৱী দুৰ্গাৰ ৰূপ কেৱল পৌৰাণিক যুদ্ধৰ প্ৰতিচ্ছবি নহয়। ই মানুহৰ ভিতৰত নিহিত জ্ঞান, সাহস, আত্মবিশ্বাস, প্ৰজ্ঞা আৰু ন্যায়চেতনাক জাগ্ৰত কৰাৰ এক গভীৰ প্ৰতীকী আহ্বান। দেৱীৰ মুখমণ্ডলত যিদৰে শান্তি বিৰাজ কৰে, তেনেদৰে তেওঁৰ হাতত যুদ্ধৰ প্ৰস্তুতি বিদ্যমান। এই দ্বৈত সত্তাই প্ৰতিপন্ন কৰে যে, শক্তিৰ অৰ্থ কেৱল বলপ্ৰয়োগ নহয়। শক্তিৰ সৈতে বিবেক, সংযম, ধৈৰ্য আৰু ন্যায়বোধৰো সমন্বয়ৰ প্ৰয়োজন। দেৱী দুৰ্গাৰ পৌৰাণিক শক্তিৰ সৈতে আধুনিক নাৰীশক্তিৰো তাৎপৰ্যপূৰ্ণ ভাৱে সংযোগ বিচাৰি পোৱা যায়।

যুগ সলনি হৈছে, সমাজ সলনি হৈছে। তাৰ লগে লগে সলনি হৈছে নাৰীৰ জীৱন আৰু ভূমিকা। এসময়ত নাৰীৰ সামাজিক পৰিসৰ মূলতঃ পৰিয়াল আৰু গৃহকেন্দ্ৰিক বুলি বিবেচিত হৈছিল। কিন্তু আজিৰ নাৰী ঘৰৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ নহয়। শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, চিকিৎসা, প্ৰশাসন, আইন, ৰাজনীতি, সাহিত্য, সংস্কৃতি, ক্ৰীড়া, ব্যৱসায়, কৃষি, সেনা আৰু আৰক্ষী- জীৱনৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকে নিজৰ সামৰ্থ্যৰ স্বাক্ষৰ ৰাখিছে। এগৰাকী আধুনিক নাৰী একে সময়তে মাতৃ, কন্যা, পত্নী, কৰ্মজীৱী, শিক্ষাৰ্থী আৰু দায়িত্বশীল নাগৰিক। সংসাৰ আৰু পেছাগত জীৱনৰ সমন্বয় সাধন কৰাৰ লগতে বহু নাৰীয়ে সমাজৰ দুৰ্বল আৰু বঞ্চিত লোকৰ বাবেও কাম কৰি আহিছে। এই বহুমুখী ভূমিকা আৰু সামৰ্থ্যত দশভুজা দুৰ্গাৰ এক আধুনিক প্ৰতিচ্ছবি প্ৰতিফলিত হয়। দেৱীৰ দহখন হাত আজিৰ নাৰীৰ অসংখ্য দায়িত্বৰ প্ৰতীক। কিন্তু ই নাৰীৰ ওপৰত অধিক দায়িত্ব জাপি দিয়াৰ বিষয় নহয়, বৰং তেওঁৰ অসীম সামৰ্থ্য আৰু বহুমুখী সত্তাৰহে প্ৰতীক।

নাৰীৰ শক্তি কেৱল শাৰীৰিক শক্তি নহয়। শিক্ষা, অৰ্থনৈতিক স্বাৱলম্বিতা, আত্মবিশ্বাস আৰু অধিকাৰ-সচেতনতাই তেওঁলোকক নিজৰ জীৱনৰ সিদ্ধান্ত নিজে লোৱাৰ শক্তি দিয়ে। দুৰ্গাৰ মহিষাসুৰ বধৰ দৰে আধুনিক নাৰীয়েও বৈষম্য, হিংসা, কুসংস্কাৰ, বঞ্চনা আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছে। নাৰীশক্তি কেৱল প্ৰতিৰোধতেই সীমাবদ্ধ নাথাকি সৃষ্টিশীলতা, জ্ঞান, মমতা, নেতৃত্ব আৰু সহমৰ্মিতাৰ মাজতো প্ৰকাশ পাই আহিছে। এই বহুৰূপী শক্তিয়েই আধুনিক নাৰীক দশভুজা দুৰ্গাৰ এক বলিষ্ঠ আৰু তাৎপৰ্যপূৰ্ণ প্ৰতিচ্ছবি হিচাপে প্ৰতিষ্ঠা কৰিছে।

দেৱী দুৰ্গাৰ দশভুজা ৰূপৰ আন এক তাৎপৰ্য হৈছে- একক শক্তিৰ সৈতে সমূহীয়া শক্তিৰ সংযোগ। পৌৰাণিক কাহিনীত দেৱীৰ আৱিৰ্ভাৱ দেৱতাসকলৰ সন্মিলিত শক্তিৰ ফল। অৰ্থাৎ অশুভৰ বিৰুদ্ধে বিজয়ৰ বাবে শক্তিৰ ঐক্য অপৰিহাৰ্য। আধুনিক সমাজতো নাৰীৰ অগ্ৰগতি কেৱল নাৰীৰ ব্যক্তিগত সংগ্ৰামৰ ওপৰত নিৰ্ভৰশীল নহয়। পৰিয়াল, সমাজ, শিক্ষা-প্ৰতিষ্ঠান, চৰকাৰ আৰু সামগ্ৰিক সামাজিক মানসিকতাৰ সহযোগিতা অবিহনে নাৰীশক্তিৰ পূৰ্ণ বিকাশ সম্ভৱ নহয়। নাৰীৰ অধিকাৰ আৰু মৰ্যাদাৰ প্ৰতি সন্মান জনোৱা এখন সমাজ গঢ়ি তোলাটো পুৰুষ-নাৰী উভয়ৰে দায়িত্ব।



আজিৰ নাৰী কেৱল সহায় বিচৰা কোনো দুৰ্বল সত্তা নহয়। তেওঁলোক নিজেই পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ নিৰ্মাণ-প্ৰক্ৰিয়াৰ এক সক্ৰিয় অংশীদাৰ। নাৰীক 'দশভুজা' বুলি অভিহিত কৰা হয়। নাৰীক কেৱল 'দশভুজা' আখ্যা দি তেওঁলোকৰ ওপৰত দহগুণ দায়িত্ব জাপি দিয়াটোৱেই প্ৰকৃত স্বীকৃতি হ'ব নোৱাৰে। সেই দহখন হাতৰ প্ৰতিটো হাতেৰে যাতে নিজৰ ইচ্ছা, প্ৰতিভা আৰু সম্ভাৱনাৰে নাৰী সমাজ আগবাঢ়ি যাব পাৰে, তাৰ বাবে সমাজে সমান সুযোগ সৃষ্টি কৰাটোহে প্ৰকৃত কৰ্তব্য। নাৰীক শক্তিশালী বুলি কোৱাৰ অৰ্থ তেওঁক সকলো দায়িত্ব অকলে বহন কৰিবলৈ বাধ্য কৰা নহয়। বৰং সিদ্ধান্ত লোৱাৰ অধিকাৰ, সমান সুযোগ, নিৰাপত্তা, শিক্ষা আৰু নিজৰ সপোন পূৰণৰ স্বাধীনতা নিশ্চিত কৰাটোহে প্ৰকৃত দায়িত্ব হোৱা উচিত।

শৰৎ আহে, দুৰ্গাপূজা আহে, দেৱীৰ প্ৰতিমা গঢ়া হয়। মৃৎশিল্পীৰ হাতত মাটিৰে গঢ়ি লোৱা দেৱীৰ চকুত প্ৰাণ প্ৰতিষ্ঠা হয়। ঢাকৰ শব্দত, আৰতিৰ পোহৰত আৰু ভক্তিৰ আবেগত দেৱীৰ বন্দনা কৰা হয়।

কিন্তু পূজাৰ অন্তত যেতিয়া দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয়, তেতিয়া দেৱীৰ সেই শক্তি, চেতনা আৰু আদৰ্শ যাতে বিসৰ্জনৰ সৈতে বিলীন নহয়, তাৰ প্ৰতি সচেতন হোৱাটো আমাৰ সামাজিক দায়িত্ব। সেই শক্তি যদি আমাৰ দৈনন্দিন আচৰণত, সামাজিক মূল্যবোধত আৰু নাৰীৰ প্ৰতি দৃষ্টিভংগীত প্ৰতিফলিত নহয়, তেন্তে বাহ্যিক আড়ম্বৰৰ দুৰ্গাপূজা কেতিয়াও সাৰ্থক হ'ব নোৱাৰে।

প্ৰতিমাৰ দশভুজা ৰূপত আমি প্ৰকৃততে দেখা পাব লাগিব আধুনিক নাৰীৰ দহটা সম্ভাৱনাৰ হাত- জ্ঞান, সৃষ্টি, দায়িত্ব, সাহস, আত্মমৰ্যাদা, প্ৰতিবাদ, নেতৃত্ব, মমতা, স্বাৱলম্বিতা আৰু সপোন পূৰণৰ হাত। পৌৰাণিক দুৰ্গাৰ পৰা আধুনিক নাৰীলৈ এই যাত্ৰা আচলতে শক্তিৰ ৰূপান্তৰৰ এক চিৰন্তন যাত্ৰা। যুগ সলনি হৈছে যদিও শক্তি আৰু প্ৰতিৰোধৰ মূল সত্তা একেই আছে।

পৰিশেষত ক'ব পাৰি যে, দেৱীক মন্দিৰৰ বেদীত পূজা কৰাটো কেৱল ব্যক্তিগত বিশ্বাস আৰু ভক্তিৰ বিষয় হ'ব পাৰে, কিন্তু জীৱন্ত নাৰীক উপযুক্ত সন্মান আৰু মৰ্যাদা প্ৰদান কৰাটো আমাৰ সামূহিক সামাজিক দায়িত্ব। প্ৰতিমাৰ দহখন হাতলৈ চাই যদি আমি মহাশক্তিৰ বন্দনা কৰোঁ, তেন্তে আমাৰ ঘৰৰ, বিদ্যালয়ৰ, পথাৰৰ, কাৰ্যালয়ৰ আৰু সমাজৰ প্ৰতিগৰাকী নাৰীৰ সম-অধিকাৰ আৰু সুৰক্ষাৰ প্ৰতিও একেই সদিচ্ছা প্ৰকাশ কৰিব লাগিব। তেতিয়াহে 'নাৰী শক্তিৰ প্ৰতীক মা দুৰ্গা' কথাষাৰ কেৱল উৎসৱৰ শ্লোগান হৈ নাথাকি আমাৰ সামাজিক জীৱনৰ প্ৰকৃত আৰু বাস্তৱ মূল্যবোধত পৰিণত হ'ব।

# লখিমপুৰৰ জুনুবস্তিবাসী ৰাইজৰ উদ্যোগত প্ৰথম বাৰ্ষিক কৰম উৎসৱ উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ১৮ অক্টোবৰ** ঃ লখিমপুৰৰ জুনুবস্তিবাসী আদিবাসী ৰাইজৰ মাজত উখলমাখল পৰিৱেশ। আদিবাসী জনগোষ্ঠীৰ পৰম্পৰাগত পোছাক পৰিহিত ডেকা-গাভৰু, জীয়ৰী-বোৱাৰীয়ে মাদলৰ তালে-তালে গাই গৈছে এটাৰ পিছত আন এটা কৰম গীত। কিয়নো, জুনুবস্তিবাসী ৰাইজৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে 'কৰম উৎসৱ'। কৰম উৎসৱৰ ইতিহাস কৃষিভিত্তিক সভ্যতাৰ আদিম মানুহৰ আদিম স্তৰৰ যাদু-বিশ্বাসৰ ফচল। কৰম উৎসৱৰ প্ৰকৃতি মাতৃৰ লগত মানৱী মাতৃৰ, প্ৰাকৃতিক ফলপ্ৰসূতাৰ লগত মানৱীয় ফলপ্ৰসূতাৰ, প্ৰাকৃতিক উৰ্বৰতাৰ লগত নাৰীৰ উৰ্বৰতা শক্তিৰ, ভূমি কৰ্ষণৰ লগত মৈথুনৰ সম্পৰ্ক আছে। উৎসৱটিত শস্য উৎপাদন, শস্য ৰক্ষাৰ বাবে অবৈদিক কৃষি দেৱতাক সন্তুষ্ট কৰা আৰু মানৱ জীৱনৰ বংশ প্ৰজনন সম্পৰ্কীয় লোকায়ত ধ্যান-ধাৰণাৰ বহিৰ্প্ৰকাশ ঘটে। কৰম উৎসৱ উদ্‌যাপনৰ কেইবাদিনো আগৰ পৰা নাৰীৰ দ্বাৰা শস্য অংকুৰণ, উৎপাদন আৰু বংশ প্ৰজননৰ যাদু ক্ৰিয়া-প্ৰক্ৰিয়াৰ 'জাৱা জগোৱা' অনুষ্ঠান। কুমাৰী ছোৱালীসকল উৰ্বৰা শক্তি আৰু প্ৰজনন ক্ষমতাৰ অধিকাৰিনী, সেয়ে এই জাৱা অনুষ্ঠানৰ মাজত নাৰীৰ সন্তান কামনা তথা বংশ প্ৰজননৰ ধাৰণা নিহিত হৈ থকা জাৱা জগোৱা কৰমতীসকলে নদীৰ বালি আনি টুপাত পঞ্চশস্য সিচি, কৰম উৎসৱৰ দিনলৈ শস্যসমূহ আলফুললৈ কিছুমান নীতি-নিয়মৰ মাজেৰে গজাই তোলে। পাঁচৰ পৰা নদিন জাৱা জগোৱাৰ পাছত উদযাপন কৰে ৰাজহুৱা কৰম পৰৱ। হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত মালা-অৰ্পন আৰু জুনুবস্তি গাঁৱৰ স্মৰণীয় ব্যক্তিসকলক স্মৃতি তৰ্পণেৰে আৰম্ভণি হোৱা অনুষ্ঠানটিত কৰম উৎসৱৰ পাহান তথা শিক্ষক জৰ্জ তিৰ্কীক মান-পত্ৰ আৰু গামোছাৰে বিশেষ সম্বৰ্দ্ধনা জনোৱাৰ সমান্তৰালকৈ কৰমতী, মাদৰীয়া আৰু কৰম নাচ প্ৰশিক্ষকসকলক মান-পত্ৰৰে সম্বৰ্দ্ধনা জনায়। উল্লেখ্য যে, কৰম উৎসৱৰ ওৰে নিশা গহপুৰ, কদম, হেলেমৰ কৰম নৃত্য দলে অংশগ্ৰহণ কৰা অনুষ্ঠানটিৰ আজি নিচেই পুৱাতে নদীত কৰম ডাল-জাৱা বিসৰ্জন কৰে।

## ১৯০১ চনৰ সেই সৰু আৰম্ভণিৰ পৰা শতাধিক পূজাৰ মহামিলনলৈ

# তিনিচুকীয়াৰ দুৰ্গাপূজাৰ বৰ্ণিল যাত্ৰা

**অসম বাৰ্তা, তিনিচুকীয়া, ১৮ অক্টোবৰ** ঃ শৰতৰ স্নিগ্ধ আকাশ, শেৱালিৰ সুবাস, ঢাকৰ ছন্দময় ধ্বনি আৰু ধূপ-ধূনাৰ পৱিত্ৰ গোন্ধে যেতিয়া চৌদিশ মুখৰিত কৰি তোলে, তেতিয়া তিনিচুকীয়াৰ আকাশ-বতাহতো বাজি উঠে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ আগমনৰ বতৰা। ধৰ্মীয় আস্থা, লোক পৰম্পৰা আৰু সম্প্ৰীতিৰ অনন্য সমাহাৰেৰে দুৰ্গাপূজাই আজি তিনিচুকীয়াৰ সামাজিক জীৱনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। নগৰখনৰ অলিয়ে-গলিয়ে অনুষ্ঠিত হোৱা এশৰো অধিক পূজাৰ বৰ্ণাঢ্য আয়োজনৰ আঁৰত কিন্তু লুকাই আছে এশ পঁচিশ বছৰৰো অধিক পুৰণি এক সৰল অথচ তাৎপৰ্যপূৰ্ণ ইতিহাস-১৯০১ চনৰ অক্টোবৰত দুজন ভাতৃয়ে দেখা এটা সপোনৰ ইতিহাস। আজিৰ আলোকসজ্জা, কাৰুকাৰ্য খচিত মণ্ডপ, সাংস্কৃতিক অনুষ্ঠান আৰু জনসমাগমেৰে পৰিপূৰ্ণ দুৰ্গাপূজাৰ এই বিশাল পৰিক্ৰমাৰ আৰম্ভণি হৈছিল তিনিকোণীয়া পুখুৰীৰ সমীপৰ এডোখৰ ব্যক্তিগত মাটিত। সেই সময়ৰ তিনিচুকীয়া আছিল বিকাশৰ প্ৰাৰম্ভিক স্তৰত থকা এখন সৰু জনবসতিপূৰ্ণ নগৰ। নগৰখনৰ পৰিচয় তেতিয়াও আজিৰ দৰে বিস্তৃত হোৱা নাছিল। তেনে সময়তে গোলাপ চন্দ্ৰ দত্ত আৰু তেওঁৰ কনিষ্ঠ ভাতৃ ৰবি চন্দ্ৰ দত্তই নিজৰ উদ্যোগ আৰু প্ৰচেষ্টাৰে তিনিচুকীয়াত প্ৰথম দুৰ্গাপূজাৰ আয়োজন কৰি এক নতুন ধৰ্মীয়-সাংস্কৃতিক পৰম্পৰাৰ পাতনি মেলিছিল। দত্ত ভাতৃদ্বয়ৰ পূৰ্বপুৰুষৰ ঘৰ আছিল বিহাৰৰ পাটনাত। ৰে'ল কোম্পানীত চাকৰি লাভ কৰাৰ সূত্ৰে তেওঁলোক তিনিচুকীয়ালৈ আহিছিল। চাকৰিত থকা অৱস্থাতে ৰংপুৰীয়া গাঁৱত আৰু তিনিকোণীয়া পুখুৰীৰ সমীপত মাটি ক্ৰয় কৰি অৱসৰৰ পিছত ৰংপুৰীয়াতে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। তেওঁলোকে শিউপুৰ চাহ বাগিচাও প্ৰতিষ্ঠা কৰিছিল, যিখন পৰৱৰ্তী সময়ত ব্যৱসায়ী চেনাইৰাম লোহিয়াই ক্ৰয় কৰে। ১৯০১ চনৰ অক্টোবৰত নিজৰ সঞ্চিত ধন ব্যয় কৰাৰ লগতে আন লোকৰ পৰাও বৰঙনি সংগ্ৰহ কৰি দত্ত ভাতৃদ্বয়ে তিনিকোণীয়া পুখুৰীৰ সমীপত প্ৰথম দুৰ্গাপূজাৰ আয়োজন কৰে। তেওঁলোকৰ এই প্ৰয়াস কেৱল ধৰ্মীয় অনুষ্ঠান এটাৰ আৰম্ভণি নাছিল; ই আছিল বিভিন্ন ভাষা, সম্প্ৰদায় আৰু সাংস্কৃতিক পৰিচয়ৰ মানুহক একেখন মঞ্চলৈ অনাৰ এক প্ৰাৰম্ভিক প্ৰয়াস। এই পূজাৰ সফল ৰূপায়ণত ব্যৱসায়ী চেনাইৰাম লোহিয়া আৰু 'ফ্ৰেণ্ডছ কোম্পানী'ৰ প্ৰতিষ্ঠাপক ৰমেশ চক্ৰৱৰ্তীয়েও সহযোগিতা আগবঢ়াইছিল। তিনিচুকীয়াৰ দুৰ্গাপূজাৰ ইতিহাস বুজিবলৈ সেই সময়ৰ নগৰখনৰ সামাজিক পটভূমিলৈ উভতি চাব লাগিব। ৰে'লপথৰ আগমনৰ পূৰ্বে বহিঃজগতৰ সৈতে এই অঞ্চলৰ যোগাযোগ আছিল সীমিত। মটক আৰু মৰাণকে ধৰি ইয়াৰ ভূমিপুত্ৰ জনগোষ্ঠীসমূহৰ মাজত পৰম্পৰাগতভাৱে মূৰ্তিপূজাৰ প্ৰচলন নাছিল। কিন্তু ৰে'লপথৰ সম্প্ৰসাৰণ আৰু বাহিৰৰ পৰা অহা লোকৰ বসতি স্থাপনে ক্ৰমে অঞ্চলটোৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছিল। উল্লেখযোগ্য যে, ডিব্ৰু-শদিয়া ৰে'লপথৰ আগমনৰ লগে-লগে বিভিন্ন অঞ্চলৰ পৰা অহা কৰ্মচাৰী আৰু শ্ৰমিকসকলে তিনিচুকীয়াক এক বহুজাতিক আৰু বহুভাষিক জনবসতিলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত ভূমিকা লৈছিল। এই নতুন সামাজিক পৰিৱেশতে বংগীয় পৰম্পৰাৰ দুৰ্গাপূজাই নিজৰ স্থান লাভ কৰে। দুৰ্গাপূজাৰ আৰম্ভণিৰ সৈতে জড়িত আন এটা বিৱৰণো প্ৰচলিত। ঔপনিৱেশিক শাসনৰ সময়ত ব্ৰিটিছসকলে ৰে'লৱেৰ কাম-কাজৰ বাবে পূৰ্ব বংগৰ পৰা শ্ৰমিক আনি তিনিচুকীয়াত নিয়োগ কৰিছিল। দুৰ্গাপূজাৰ সময়ত এই শ্ৰমিকসকলে নিজৰ গৃহভূমিলৈ উভতি যোৱাৰ ফলত ৰে'লৱেৰ কাম-কাজত অসুবিধাৰ সৃষ্টি হৈছিল। সেয়েহে উৎসৱৰ সময়ছোৱাত তেওঁলোকক তিনিচুকীয়াতে ৰাখিবলৈ ব্ৰিটিছসকলে পৰোক্ষভাৱে দুৰ্গাপূজাত পৃষ্ঠপোষকতা আগবঢ়াইছিল বুলি বিশ্বাস কৰা হয়। প্ৰথম পূজাৰ কেইবছৰমান পিছত তিনিচুকীয়াৰ ৰে'লৱে কৰ্মচাৰীসকলেও আন এখন দুৰ্গাপূজাৰ আয়োজন কৰে। পৰৱৰ্তী সময়ত দুৰ্গাবাৰী অঞ্চলৰ বাসিন্দাসকলেও পূজাৰ আয়োজন কৰিবলৈ আৰম্ভ কৰে। এনেদৰেই এখন পূজাৰ পৰা আৰম্ভ হোৱা পৰম্পৰাই ক্ৰমে নগৰখনৰ বিভিন্ন অঞ্চলত শিপাই বিস্তাৰ লাভ কৰে। প্ৰথমাৱস্থাৰ দুৰ্গাপূজাৰ ৰূপ আছিল আজিৰ তুলনাত যথেষ্ট সৰল। প্ৰতিমা নিৰ্মাণৰ বাবে পূৰ্ব বংগৰ পৰা কাৰিকৰ অনা হৈছিল। স্থানীয় বিৱৰণ অনুসৰি, সেই সময়ত অনুসৰণ কৰা পৰম্পৰাগত প্ৰতিমা নিৰ্মাণ শৈলীৰ প্ৰভাৱ আজিও গোলাপ চন্দ্ৰ-ৰবি চন্দ্ৰ পূজা মন্দিৰৰ প্ৰতিমা নিৰ্মাণৰ পৰম্পৰাত পৰিলক্ষিত হয়। মহাষষ্ঠীৰ পৰা আৰম্ভ হোৱা পূজাৰ ধৰ্মীয় অনুষ্ঠান বিজয়া দশমীত সামৰণি পৰিছিল। ভক্তসকলে দেৱীৰ চৰণত অঞ্জলি আগবঢ়াইছিল, প্ৰসাদ গ্ৰহণ কৰিছিল আৰু আৰতিৰ সময়ত ভক্তিভাৱেৰে অংশ লৈছিল। আজিৰ দৰে আলোকসজ্জা, মঞ্চানুষ্ঠান, নাটক বা সংগীতৰ জাকজমকীয়া আয়োজন তেতিয়া নাছিল। পূজাৰ কেন্দ্ৰবিন্দু আছিল ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু দেৱীৰ প্ৰতি একান্ত ভক্তি। অৱশ্যে, আৰম্ভণিৰ আঁৰত যি পৰিস্থিতিয়েই নাথাকক কিয়, সময়ৰ সোঁতত এই পূজাই লাভ কৰিছিল এক বহল সামাজিক তাৎপৰ্য। ই হৈ পৰিছিল ধৰ্মীয় বিশ্বাসৰ লগতে পাৰস্পৰিক সম্পৰ্ক আৰু সামাজিক সম্প্ৰীতিৰো এক মিলনভূমি। প্ৰয়াত কুতুবুদ্দিন আহমেদৰ 'পুৰণি পেটাৰি মেলি' গ্ৰন্থত সন্নিৱিষ্ট বিৱৰণে সেই সময়ৰ তিনিচুকীয়াৰ এক জীৱন্ত ছবি দাঙি ধৰে। আজিৰ ব্যস্ত বাণিজ্যিক নগৰখন তেতিয়া আছিল যথেষ্ট সৰল। বৰ্তমানৰ থানা ৰোডত থকা এখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে নগৰখনত আন বিদ্যালয় নাছিল। যাতায়াতৰ প্ৰধান মাধ্যম আছিল গৰুগাড়ী। ধনী লোকসকলে ঘোঁৰাত উঠি অহা-যোৱা কৰিছিল। ৰে'লপথৰ চলাচল আৰম্ভ হোৱাৰ তিনি দশকৰো অধিক কালৰ পিছত, ১৯২০ চনতহে ব্ৰিটিছ চাহ খেতিয়কসকলৰ মটৰগাড়ী স্থানীয় পথত দেখা পোৱা গৈছিল। চাহ বাগিচাৰ শ্ৰমিকসকলে সেই গাড়ীবোৰক 'হাৱা গাড়ী' বুলি কোৱাৰ বিপৰীতে বিহাৰ, উত্তৰ প্ৰদেশ আদি অঞ্চলৰ পৰা অহা শ্ৰমিকসকলে 'ফাষ্ট কিলাছ' বুলি কৈছিল। ইংৰাজী 'ফাৰ্ষ্ট ক্লাছ' শব্দটোৰ কথিত ৰূপ আছিল এই নাম। দত্ত ভাতৃদ্বয়ৰো এখন ঘোঁৰাই টনা গাড়ী আছিল। ৰংপুৰীয়াত থকা নিজৰ বাসগৃহৰ পৰা তেওঁলোকে সেই গাড়ীৰে পূজাৰ মণ্ডপলৈ অহা-যোৱা কৰিছিল। আধুনিক যাতায়াত ব্যৱস্থাৰ প্ৰচলন নোহোৱা সেই সময়ত তেওঁলোকৰ এই যাত্ৰা আছিল নগৰীয়া জীৱনৰ এক স্বাভাৱিক দৃশ্য। আজি সেই স্মৃতিয়ে তিনিচুকীয়াৰ পৰিৱৰ্তনৰ ইতিহাসৰ এক বিশেষ অধ্যায়ৰ কথা সোঁৱৰাই দিয়ে। বিজয়া দশমীৰ দিনা টিংৰাই নৈত দেৱীৰ প্ৰতিমা বিসৰ্জন দি পূজাৰ সামৰণি মৰা হৈছিল। প্ৰতিমা বিসৰ্জনৰ লগে-লগে সেই বছৰৰ উৎসৱৰ অন্ত পৰিছিল যদিও, প্ৰতিবছৰে পুনৰ উভতি অহা শাৰদীয় উৎসৱৰ মাজেৰে পৰম্পৰাটোৱে লাভ কৰিছিল নতুন জীৱন। গোলাপ চন্দ্ৰ দত্তৰ মৃত্যু হয় ১৯২১ চনত আৰু ৰবি চন্দ্ৰ দত্তৰ মৃত্যু হয় ১৯৩০ চনত। পূজাৰ এই দুই বাটকটীয়া আজি নাই, কিন্তু তেওঁলোকৰ প্ৰচেষ্টাৰে আৰম্ভ হোৱা পৰম্পৰাই সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈ তিনিচুকীয়াৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনত নিজৰ স্থান অক্ষুণ্ণ ৰাখিছে। আজি তিনিচুকীয়াত অসমীয়া, বঙালী, বিহাৰী, মাৰোৱাৰী, নেপালীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ উদ্যোগত এশৰো অধিক দুৰ্গাপূজাৰ আয়োজন কৰা হয়। প্ৰতিখন পূজাৰ আছে নিজস্ব পৰিচয়, ৰীতি-নীতি আৰু সাংস্কৃতিক বৈশিষ্ট্য। তথাপি সকলো পূজাৰ অন্তৰালত প্ৰবাহিত হৈ থাকে এক উমৈহতীয়া অনুভৱ- দেৱী দুৰ্গাৰ প্ৰতি ভক্তি আৰু মানুহৰ মাজত সম্প্ৰীতিৰ বন্ধন। দেৱী দুৰ্গা কেৱল ধৰ্মীয় আৰাধনাৰ প্ৰতীকেই নহয়; তেওঁ শক্তি, সাহস আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামৰো প্ৰতীক। অশুভ শক্তিৰ বিনাশ আৰু শুভ শক্তিৰ প্ৰতিষ্ঠাৰ এই চিৰন্তন বাণী আজিৰ সমাজতো সমানে প্ৰাসংগিক। বিভাজন, অসহিষ্ণুতা আৰু সামাজিক সংঘাতৰ সময়ত দুৰ্গাপূজাৰ সামূহিক চেতনাই মানুহক পাৰস্পৰিক সন্মান, সহমৰ্মিতা আৰু ঐক্যৰ গুৰুত্বৰ কথাও সোঁৱৰাই দিয়ে। তিনিচুকীয়াৰ আটাইতকৈ পুৰণি দুৰ্গাপূজাখনে এইবাৰো নিজৰ ঐতিহ্য অক্ষুণ্ণ ৰাখি ভক্তসকলক আদৰিবলৈ সাজু হৈছে। আয়োজকসকলৰ মতে, এইবাৰো প্ৰচলিত ৰীতি-নীতি অনুসৰি পূজাৰ আয়োজন কৰা হ'ব, যাতে ইয়াৰ আধ্যাত্মিক মৰ্যাদা আৰু পৰম্পৰাগত স্বকীয়তা অক্ষুণ্ণ থাকে। তিনিকোণীয়াস্থিত গোলাপচন্দ্ৰ আৰু ৰবিচন্দ্ৰ পূজা মন্দিৰৰ এই ঐতিহাসিক পূজাই প্ৰতিষ্ঠাপকসকলৰ ভক্তি আৰু নিষ্ঠাৰ স্মৃতি আজিও বহন কৰি আহিছে। ১৯০১ চনত এডোখৰ ব্যক্তিগত মাটিত কেইজনমান লোকৰ প্ৰচেষ্টাৰে আৰম্ভ হোৱা পূজাই আজি শতাধিক আয়োজনৰ মাজেৰে এক বিশাল সামাজিক উৎসৱৰ ৰূপ লৈছে। এই যাত্ৰা কেৱল এখন পূজাৰ ক্ৰমবিকাশৰ কাহিনী নহয়; ই তিনিচুকীয়াৰ সামাজিক ৰূপান্তৰ, সাংস্কৃতিক বৈচিত্ৰ্য আৰু সম্প্ৰীতিৰো ইতিহাস। সময়ৰ সোঁতত নগৰ সলনি হৈছে, মানুহৰ জীৱনশৈলী সলনি হৈছে, পূজাৰ আয়োজনতো আহিছে আধুনিকতাৰ পৰশ। কিন্তু অক্ষুণ্ণ হৈ আছে সেই মূল অনুভৱ- মহাশক্তিৰ আৰাধনাৰ মাজেৰে মানুহৰ একত্ৰিত হোৱাৰ আকাংক্ষা। শৰতৰ প্ৰতিটো প্ৰভাতত শেৱালিৰ সুবাস, ঢাকৰ ছন্দময় ধ্বনি আৰু দেৱীৰ চৰণত অৰ্পিত অঞ্জলিৰ মাজেৰে তিনিচুকীয়াৰ দুৰ্গাপূজাই আজিও কঢ়িয়াই লৈ ফুৰিছে এক চিৰন্তন বাৰ্তা-ধৰ্মীয় বিশ্বাসৰ উৰ্ধত মানৱীয় সম্পৰ্ক, সাংস্কৃতিক বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু অশুভৰ বিৰুদ্ধে শুভ শক্তিৰ চিৰন্তন জয়গান।

## নিশা ১২ বজালৈ লাউডস্পীকাৰৰ শব্দত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ

# হোজাই জিলাৰ সদৰ গাঁৱত গভীৰ নিশালৈকে কাবাডী খেল; ডিজেৰ উচ্চস্বৰত অতিষ্ঠ ৰাইজ

**অসম বাৰ্তা, ডবকা, ১৮ অক্টোবৰ** ঃ হোজাই জিলাৰ সদৰ গাঁৱৰ খেলপথাৰত গভীৰ নিশালৈকে উচ্চস্বৰত ডিজে বজাই কাবাডী খেল অনুষ্ঠিত কৰাক কেন্দ্ৰ কৰি অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। PS Friends Clubৰ উদ্যোগত আয়োজিত এই কাবাডী খেলক লৈ এতিয়া বিভিন্ন মহলত প্ৰশ্ন উত্থাপন হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, নিশা ১২ বজালৈকে ডিজে আৰু লাউডস্পীকাৰ বজাই খেল অনুষ্ঠিত কৰাৰ ফলত ওচৰ-পাঁজৰৰ বাসিন্দা সকলে বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। উল্লেখ্য যে কাবাডী হৈছে এক জনপ্ৰিয় পৰম্পৰাগত খেল। এই খেলৰ জৰিয়তে খেলুৱৈ সকলৰ শাৰীৰিক সক্ষমতা, মানসিক দৃঢ়তা, শৃংখলাবোধ আৰু দলীয় সহযোগিতাৰ বিকাশ ঘটে। যুৱ প্ৰজন্মক খেলৰ প্ৰতি আকৰ্ষিত কৰা আৰু ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ ক্ষেত্ৰত এনে প্ৰতিযোগিতাৰ গুৰুত্বও অপৰিসীম। কিন্তু খেলৰ নামত যদি গভীৰ নিশালৈকে উচ্চস্বৰত লাউডস্পীকাৰ আৰু ডিজে বজাই সাধাৰণ ৰাইজৰ শান্তি-শৃংখলা বিঘ্নিত কৰা হয়, তেন্তে সেই বিষয়টোৱে স্বাভাৱিকতে প্ৰশ্নৰ অৱতাৰণা কৰে। স্থানীয় সূত্ৰৰ পৰা জানিব পৰা মতে সদৰ গাঁৱৰ খেলপথাৰত PS Friends Clubৰ দ্বাৰা কাবাডী খেলখনৰ আয়োজন কৰা হৈছে। কিন্তু উক্ত ক্লাবটোৰ পঞ্জীয়ন সম্পৰ্কে প্ৰশ্ন উত্থাপন হৈছে। সেয়েহে সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টো পৰীক্ষা কৰি প্ৰয়োজনীয় তথ্য স্পষ্ট কৰাটো জৰুৰী বুলি বিবেচিত হৈছে। ইফালে খেলখনৰ আয়োজনক কেন্দ্ৰ কৰি ব্যৱসায়িক লাভালাভৰ অভিযোগো উত্থাপন হৈছে। খেলৰ নামত যদি কেৱল আৰ্থিক লাভৰ দিশটোক অগ্ৰাধিকাৰ দিয়া হয় আৰু জনসাধাৰণৰ সুবিধা-অসুবিধাৰ প্ৰতি গুৰুত্ব দিয়া নহয়, তেন্তে এনে কাৰ্যই ক্ৰীড়াৰ প্ৰকৃত উদ্দেশ্যক প্ৰশ্নৰ সন্মুখীন কৰিব পাৰে। অৱশ্যে খেলখনৰ জৰিয়তে আৰ্থিক লেনদেন বা ব্যৱসায়িক লাভৰ বিষয়টো এতিয়াও স্বাধীনভাৱে নিশ্চিত হোৱা নাই। আনহাতে নিশা ১২ বজালৈকে উচ্চস্বৰত ডিজে আৰু লাউডস্পীকাৰ বজোৱাৰ ফলত বিশেষকৈ শিশু, বৃদ্ধ, ৰোগী আৰু পৰীক্ষাৰ প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা হোৱাৰ আশংকা থাকে। নিশাৰ সময়ত শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়মসমূহ মানি চলাটো সকলোৰে দায়িত্ব। ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰিলেও সাধাৰণ নাগৰিকৰ শান্তিপূৰ্ণ জীৱন-যাপনৰ অধিকাৰ আৰু প্ৰচলিত নীতি-নিয়মৰ প্ৰতি লক্ষ্য ৰখাটো অত্যন্ত প্ৰয়োজনীয়। এনে পৰিস্থিতিত সংশ্লিষ্ট প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি নিশাৰ সময়ত উচ্চস্বৰত লাউডস্পীকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়ম মানি চলা হৈছে নে নাই, সেই সন্দৰ্ভত তদন্ত কৰাৰ দাবী উত্থাপন হৈছে। লগতে খেলখনৰ আয়োজনৰ সৈতে জড়িত বিষয়সমূহ পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈও সচেতন মহলে আহ্বান জনাইছে। খেল-ধেমালি সমাজৰ বাবে ইতিবাচক আৰু প্ৰয়োজনীয়। কিন্তু খেলৰ নামত যদি সাধাৰণ ৰাইজৰ শান্তি বিঘ্নিত হয় তেন্তে সেই বিষয়টো কোনো কাৰণতে উপেক্ষা কৰিব নোৱাৰি। ক্ৰীড়াৰ প্ৰসাৰৰ লগতে জনসাধাৰণৰ সুবিধা-অসুবিধাৰ প্ৰতিও সমানে গুৰুত্ব দিয়াটো আয়োজক সকলৰ কৰ্তব্য। সেয়েহে পুৰ জাৰুণী সদৰ গাঁৱৰ এই কাবাডী খেলক লৈ উত্থাপিত অভিযোগ সমূহৰ প্ৰকৃত সত্য উদঘাটন কৰি প্ৰশাসনে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবনে, সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

# ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰত গোঁসানী নাম, একক শঙ্খ আৰু উৰুলী প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ অক্টোবৰ** ঃ তিনিচুকীয়া জিলাখনৰে অন্যতম এখন পুৰণি পূজা ৰূপে চিহ্নিত ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ এইবাৰৰ ১২৩ সংখ্যক দুৰ্গাপূজাৰ লগত সংগতি ৰাখি ১৭ অক্টোবৰত দলীয় গোঁসানী নাম, একক শঙ্খ আৰু উৰুলী প্ৰতিযোগিতা সম্পন্ন হয়। দিনৰ প্ৰায় ১২ বজাৰ পৰা অনুষ্ঠিত হোৱা গোঁসানী নাম প্ৰতিযোগিতাখনি পূজাঘৰৰ মহিলা সমাজৰ দলটোৱে নাম পৰিৱেশনেৰে উদ্বোধন কৰাৰ পাছতে বিভিন্ন ঠাইৰপৰা অহা দলসমূহৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা ডিগবৈৰ আনাক চুনামণ বড়োৰ দলে উমাকান্ত মেধি আৰু ৰত্নেশ্বৰ মেধি সোঁৱৰণী নগদ ১১ হাজাৰ টকা আৰু ট্ৰফী, দ্বিতীয় স্থান লাভ কৰা ৰূপাইৰ মিলিজুলি দলে যোগেন তহবিলদাৰ আৰু চণ্ডীৰাম দাস সোঁৱৰণী নগদ ৭ হাজাৰ টকা আৰু ট্ৰফী আৰু উদগণিমূলক স্থানপ্ৰাপ্ত মাকুমৰ ক্ষীৰদা মৰাণৰ দলে নগদ ৪ হাজাৰ টকা আৰু ট্ৰফী লাভ কৰে। আনহাতে কেৱল মহিলাৰ মাজত অনুষ্ঠিত হোৱা একক শঙ্খ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা মীতা দাসে নগদ পোন্ধৰশ টকা, দ্বিতীয় স্থান লাভ কৰা সুমন



সাহাই প্ৰভাতী হালে সোঁৱৰণী নগদ এহেজাৰ টকা আৰু তৃতীয় স্থানপ্ৰাপ্ত ক্ষীৰদা মৰাণক বুদ্ধেশ্বৰ বড়া সোঁৱৰণী নগদ সাতশ টকা আৰু ট্ৰফী প্ৰদান কৰে। ইয়াৰ লগতে একক উৰুলি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা নমিতা ডেকাই হৰেশ্বৰ শৰ্মা সোঁৱৰণী নগদ পোন্ধৰশ টকা, দ্বিতীয় স্থান লাভ কৰা মমী পূজাৰীয়ে লক্ষেশ্বৰ বৰ্মন সোঁৱৰণী নগদ এহেজাৰ টকা আৰু তৃতীয় স্থানপ্ৰাপ্ত ৰুমী ডেকাই বাসন্তী লহকৰ সোঁৱৰণী নগদ সাতশ টকা আৰু ট্ৰফী লাভ কৰে। এই তিনিওটা প্ৰতিযোগিতাত বিচাৰক ৰূপে দায়িত্ব পালন কৰে ক্ৰমে মঞ্জুমণি গোস্বামী, কাকলি দেৱী বৰুৱা আৰু কাবেৰী বৰপাত্ৰগোঁহাইয়ে। সমিতিৰ সহকাৰী সম্পাদক দেবেন ডেকা আৰু সাংস্কৃতিক সম্পাদক নয়ন ডেকাই আঁত ধৰা প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠানত দাতা পৰিয়ালৰ লগতে সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, শাৰদীয় দুৰ্গা পূজাৰ আকৰ্ষণীয় আৰতি প্ৰতিযোগিতাখনি ১৯ অক্টোবৰৰ সন্ধিয়া ৮ বজাৰপৰা পুৰুষ-মহিলা উভয়ৰে মাজত মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। ❑

# ২১ অক্টোবৰ (বিজয়া দশমী)ত তিনিচুকীয়া জিলাত ড্ৰাই ডে' ঘোষণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৮ অক্টোবৰ** ঃ সংশোধিত অসম আবকাৰী আইন, ২০০০ৰ ধাৰা ৫২(১)ৰ অধীনত শাৰদীয় দুৰ্গোৎসৱৰ সময়ত জনসাধাৰণৰ শান্তি আৰু আইন-শৃংখলা বজাই ৰখাৰ স্বাৰ্থত ২১ অক্টোবৰ তথা বিজয়া দশমীৰ সমগ্ৰ সময়ছোৱাত তিনিচুকীয়া জিলাত ২৪ (চৌবিশ) ঘণ্টাৰ বাবে ড্ৰাই ডে' হিচাপে ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত তিনিচুকীয়া জিলা দণ্ডাধীশ কাৰ্যালয় (আবকাৰী বিভাগ)-এ টি ই এ'. ১২২৫/২০১৪-১৫/ পিটি/৯৭ নং জাননী যোগে জাৰি কৰা এক নিৰ্দেশনা অনুসৰি, উক্ত সময়সীমাত তিনিচুকীয়া জিলাৰ যিকোনো হোটেল, খোৱা ঘৰ, ধাবা, দোকান বা আন কোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত কোনো ব্যক্তি বা ব্যক্তিৰ দলৰ কোনো মাদক দ্ৰব্য ৰখা আৰু সুৰা বা মদ্যপানীয় প্ৰকৃতিৰ অন্য কোনো মাদক দ্ৰব্য বিক্ৰী, যোগান, বিতৰণ বা পৰিৱেশন কৰাটো কঠোৰভাৱে নিষিদ্ধ। লগতে আইএমএফএল/ চিএছৰ সকলো পাইকাৰী গুদাম, আইএমএফএলৰ খুচুৰা "অফ" আৰু "অন" দোকান, ক্লাব "অন" আৰু হোটেল "অন" প্ৰতিষ্ঠান, আই এমএফ এল খুচুৰা "অফ"/চিএছ দোকান আৰু কাণ্ট্ৰী স্পিৰিট দোকানো বন্ধ থাকিব। এই সময়ছোৱাত যিকোনো ব্যক্তিৰ দ্বাৰা সুৰাৰ মজুতকৰণ কৰ্তন কৰা লগতে অনুজ্ঞাপত্ৰবিহীন চৌহদত সুৰা মজুতকৰণ সন্দৰ্ভত অসম আবকাৰী আইন আৰু নিয়মৰ অধীনত নিৰ্ধাৰিত নিষেধাজ্ঞা কঠোৰভাৱে বলবৎ কৰা হ'ব। এই আদেশ উলংঘা কৰিলে সংশোধিত অসম আবকাৰী আইন, ২০০০ আৰু ইয়াৰ অধীনত ফ্ৰেমৱৰ্ক কৰা নিয়মৰ প্ৰাসংগিক বিধানৰ অধীনত আইনৰ আওতালৈ অনা হ'ব। সংশ্লিষ্ট সকলো আবকাৰী কৰ্তৃপক্ষ আৰু আইন প্ৰয়োগকাৰী সংস্থাই এই আদেশ কঠোৰভাৱে পালন কৰাটো নিশ্চিত কৰিবলৈও নিৰ্দেশনাত কোৱা হৈছে।

# কাব্যগ্ৰন্থ "হৃদয়ৰ নীলা আকাশ" আৰু উপন্যাস "পাষাণ নাৰীৰ ডায়েৰী" উন্মোচন

**অসম বাৰ্তা, বেবেজীয়া, ১৮ অক্টোবৰ** ঃ মাজুলীৰ বংশীগোপাল গড়মূৰ সত্ৰৰ নাট্য মন্দিৰত অলপতে অনুষ্ঠিত হোৱা "নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ"ৰ ষষ্ঠ বাৰ্ষিক বৰ্ষপূৰ্তিৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আদৰ্শ শিক্ষক, কবি গোপাল বৰাৰ শেহতীয়া কাব্যগ্ৰন্থ "হৃদয়ৰ নীলা আকাশ" উন্মোচিত হয়। কাব্যগ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা জাহ্নৱী লহকৰ বৰুৱাই। গ্ৰন্থখনি উন্মোচন কৰি কবি গৰাকীৰ সাহিত্য যাত্ৰাৰ ভূঁয়সী প্ৰশংসা কৰাৰ লগতে অসমীয়া কাব্য সাহিত্য ভঁৰালত এই নৱ সংযোজনে এক বিশেষ স্থান লাভ কৰিব বুলি আশা প্ৰকাশ কৰে আৰু পুথিখনিত প্ৰকাশিত "বানপানী" শীৰ্ষক কবিতাটি সুললিত কণ্ঠেৰে আবৃত্তি কৰে। ইয়াৰ লগতে নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনৰ উপলক্ষে আয়োজন কৰা বিভিন্ন কাৰ্যসূচীত বিশিষ্ট কবি, সাহিত্যিক, শিল্পী, সাংবাদিক আৰু দূৰদুৰণিৰ নিমন্ত্ৰিত অতিথি আৰু ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটো সফল কৰি তোলে। অনুষ্ঠানটোৰ জৰিয়তে মাজুলীৰ সাহিত্য প্ৰেমীৰ সমাজত এক নৱজাগৰণৰ সৃষ্টি কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানতে নগাঁও জিলাৰ




ঘাঁহী বিহুচোৰাবৰৰ কাব্যগ্ৰন্থখনিৰ লেখক "গোপাল বৰা"ক নৱজাগৰণ কাব্য সাধনা সন্মান-২০২৬ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে যুৱ লেখক, সাহিত্যিক দীপ দাসৰ পঞ্চমখন উপন্যাস "পাষাণ নাৰীৰ ডায়েৰী" আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে।

## মাননি অবিহনে দুৰ্গা পূজা সময়তো কাৰ্মী-সহায়িকাৰ কামৰ হেঁচা

# মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ আজৱ কাণ্ড

**অসম বাৰ্তা, মন্দিয়া,** অসম চৰকাৰৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ অঙ্গনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকা সকলে দিনে-নিশাই শিশু আৰু মহিলাৰ সেৱাত নিয়োজিত হৈ থাকিব লাগে যদিও তেওঁলোকৰ চাকৰি আজিও নিয়মীয়া নহল আৰু দৰমহাৰ পৰিৱৰ্তে তেওঁলোকক সামান্য মাননিহে দিয়া হয়। চৰকাৰী বন্ধও অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ বাবে অতি কম। শাৰদীয় দুৰ্গাপূজাৰ আজি সপ্তমীৰ দিন এনেয়েও পূজাৰ বন্ধ তাতে আকৌ দেওবাৰ। অতি আশ্চৰ্যকৰ ভাবে আজিৰ দিনতো মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ একাধিক মুখ্য সেৱিকাই মোবাইলৰ গ্ৰুপ সমূহত অঙ্গনৱাড়ী কৰ্মী সকলক কাম কৰাৰ বাবে হেঁচা দি আছে। অথচ দুৰ্গা পূজাৰ সময়ত মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ একাংশ কৰ্মী-সহায়িকাই মাহেকীয়া মাননি পালে যদিও একাংশ কৰ্মী-সহায়িকাই পূজাৰ সময়তো নাপালে প্ৰাপ্য মাননি। মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ভুলৰ বাবে কৰ্মী-সহায়িকা সকলে মাননিৰ পৰা বঞ্চিত হ'ল, তাকে লৈ কৰ্মী-সহায়িকাৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাটো পৰিলক্ষিত হৈছে। কেতিয়াবা নিশা ভাগুতো কামৰ বাবে মুখ্য সেৱিকাই কৰ্মীলৈ মেচেজ দিয়ে, কিন্তু তেওঁলোকৰ প্ৰাপ্য মাননিৰ সময় মতে পোৱাৰ বাবে কোনেও গুৰুত্ব নিদিয়ে বুলি একাংশ কৰ্মী-সহায়িকাই ক্ষোভ প্ৰকাশ কৰিছে। একে প্ৰকল্পত কৰ্মৰত একাংশ কৰ্মীয়ে মাননি পালে আন একাংশ বঞ্চিত হোৱাত এনে বৈষম্যৰ কাৰণ কি বুলিও প্ৰশ্ন উত্থাপন হৈছে। আগন্তুক দিনবোৰত যাতে কৰ্মী- সহায়িকা সকল নিজৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হব লগা নহয় তাৰ বাবে সংশ্লিষ্ট বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক ভুক্তভোগী কৰ্মী-সহায়িকা দাবী জনাইছে।